www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

পুৰুষৰ সঙ্গৰ পৰা বঞ্চিত তিৰোতাসকল দুখী হয় আৰু নাৰীৰ সঙ্গৰ পৰা বঞ্চিত পুৰুষ সকল মূৰ্খ হয়। -- এন্টন চেখভ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ সংখ্যা- ১৭৭ সোমবাৰ ২৭ এপ্ৰিল, ২০২৬ চন Volume/Year- I Issue- 177 Monday 27th April, 2026 Asom Barta, Majuli PRGI Reg. No.- ASASS/25/A2361 Price- Rs. 10 Total Page- 8

■ ১০. ৩০ বজাত ৱেবছাইটত ফলাফল; ৭.৩০ বজাত প্ৰেছ বিজ্ঞপ্তি ■

# আজি ঘোষণা হ'ব উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল

নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ এপ্ৰিল ঃ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ (AHSEC)-এ পৰিচালনা কৰা ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক (HS) চূড়ান্ত পৰীক্ষাৰ ফলাফল মঙলবাৰে ঘোষণা কৰা হ'ব। ফলাফল ঘোষণাৰ আগতে পুৱা ৭: ৩০ বজাত সংসদৰ তৰফৰ পৰা আনুষ্ঠানিক প্ৰেছ বিজ্ঞপ্তি জাৰি কৰা হ'ব, য'ত পৰীক্ষা সম্পৰ্কীয় কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য আগতীয়াকৈ প্ৰকাশ কৰা হ'ব। ফলাফল ঘোষণাৰ লগে লগে সমগ্ৰ ৰাজ্যৰ হাজাৰ হাজাৰ পৰীক্ষাৰ্থীৰ মাজত উখল-মাখল আৰু উৎকণ্ঠাময় পৰিৱেশৰ সৃষ্টি হৈছে। দীৰ্ঘদিন ধৰি তেওঁলোকে নিজৰ কষ্ট আৰু অধ্যয়নৰ ফলাফলৰ বাবে অপেক্ষা কৰি আছিল। উচ্চতৰ মাধ্যমিকৰ এই ফলাফল এজন শিক্ষাৰ্থীৰ শৈক্ষিক জীৱনত অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, কিয়নো ইয়াৰ ওপৰতে স্নাতক ৬ পৃষ্ঠাত



## যোৰহাটত বিজেপি মহিলা মৰ্চাৰ প্ৰতিবাদ "কংগ্ৰেছে মহিলাসকলক কেৱল ভোটবেংক হিচাপে ব্যৱহাৰ কৰি আহিছে"

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ এপ্ৰিল ঃ মহিলা আসন সংৰক্ষণ বিধেয়ক-২০২৬ৰ বিৰোধিতা কৰাৰ বিৰুদ্ধে যোৰহাটত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে বিজেপি মহিলা মৰ্চাই। হাতে হাতে প্লেকাৰ্ড লৈ ৰাজপথত ওলাই আহি কংগ্ৰেছ তথা 'ইণ্ডি' ৬ পৃষ্ঠাত

চলচ্চিত্ৰ, টেলিভিছন আৰু থিয়েটাৰ জগতত শোকৰ ছাঁ

## ৮০ বছৰ বয়সত দেহাৱসান বলীউডৰ অভিনেতা ভৰত কাপুৰৰ



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ এপ্ৰিল ঃ বলীউডৰ প্ৰবীণ অভিনেতা ভৰত কাপুৰৰ দেহাৱসান হৈছে। ৮০ বছৰ বয়সত মুম্বাইৰ ছায়ন হাস্পতালত সোমবাৰে বিয়লি প্ৰায় ৩: ৩০ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। সন্ধিয়া ৬ পৃষ্ঠাত

দুৰ্ঘটনাৰ পিছৰে পৰা আত্মগোপন কৰি আছিল ছামিমে

## লাহোৱালৰ পৰা গ্ৰেপ্তাৰ পলাতক ছামিম আহমেদক

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ এপ্ৰিল ঃ গুৱাহাটীৰ মঠঘৰীয়াত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাৰ পলাতক চালক ছামিম আহমেদক অৱশেষত গ্ৰেপ্তাৰ কৰা হৈছে। ডিব্ৰুগড়ৰ লাহোৱাল অঞ্চলৰ পৰা গুৱাহাটী আৰক্ষীৰ এটা দলে তেওঁক আটক কৰে। শনিবাৰে নিশাৰ ঘটনাৰ পিছতে আত্মগোপন ৬ পৃষ্ঠাত



ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা আৰু কল্যাণক অগ্ৰাধিকাৰ দি ২৪ ঘণ্টা হেল্পলাইন সেৱা অব্যাহত

## উপসাগৰীয় আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিৰ ওপৰত সতৰ্ক দৃষ্টি ভাৰত চৰকাৰৰ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ এপ্ৰিল ঃ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে সমগ্ৰ উপসাগৰীয় অঞ্চল আৰু পশ্চিম এছিয়াৰ বৰ্তমান পৰিস্থিতিৰ ওপৰত নিৰীক্ষণ তীব্ৰতৰ কৰি তুলিছে। অঞ্চলটোত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা, নিৰাপত্তা আৰু কল্যাণক চৰকাৰে সৰ্বোচ্চ ৬ পৃষ্ঠাত

আপৰ অযোগ্যতাৰ আবেদন নাকচ; একত্ৰীকৰণৰ অনুমতি অধ্যক্ষৰ

## ৰাঘৱ চাড্ডা সহ আপ ত্যাগী সাত সাংসদক ৰাজ্যসভাত বিজেপিৰ সদস্য হিচাপে স্বীকৃতি

ৰাজ্যসভাত বিজেপিৰ শক্তি ১১৩ লৈ বৃদ্ধি



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ এপ্ৰিল ঃ আম আদমি পাৰ্টী (আপ) এৰি অহা সাতজন ৰাজ্যসভা সাংসদক বিজেপিৰ সদস্য হিচাপে আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰা হৈছে। ৰাজ্যসভাৰ অধ্যক্ষ চি পি ৰাধাকৃষ্ণণে সাংসদকেইজনক ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ সৈতে একত্ৰিত হোৱাৰ অনুমতি দিয়াৰ লগে লগে তেওঁলোকে বিজেপি সাংসদৰ মৰ্যাদা ৬ পৃষ্ঠাত

■ শিৱসাগৰত বিজেপি নেতা লাচিত গগৈৰ এজাহাৰ ■

## আটাছুৰ সভাপতি মিলন বুঢ়াগোহাঁইৰ বিৰুদ্ধে ধন আত্মসাৎ, প্ৰাণনাশৰ ভাবুকিৰ অভিযোগ

১৫ লাখ ৫০ হাজাৰ টকা ধাৰলৈ লৈ ঘূৰাই দিছিল মাত্ৰ ডেৰ লাখ টকা

নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ এপ্ৰিল ঃ শিৱসাগৰ সদৰ আৰক্ষী থানাত এক চাঞ্চল্যকৰ এজাহাৰ দাখিল কৰা হৈছে। স্থানীয় বিজেপি নেতা লাচিত গগৈয়ে এই এজাহাৰখন দাখিল কৰে। এজাহাৰখনত আটাছুৰ মিলনপন্থী গোটৰ সভাপতি মিলন বুঢ়াগোহাঁইৰ বিৰুদ্ধে ৬ পৃষ্ঠাত



পশ্চিমবংগৰ বেৰেকপুৰত নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনা প্ৰধানমন্ত্ৰীৰ জনসভা

## ইমান গৰমতো ক্লান্তি অনুভৱ কৰা নাই, বংগৰ মানুহৰ সঁহাৰি দেখি আশ্চৰ্য ঃ প্ৰধানমন্ত্ৰী



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ এপ্ৰিল ঃ পশ্চিমবংগৰ বেৰেকপুৰত সোমবাৰে নিৰ্বাচনী প্ৰচাৰ অভিযানৰ অন্তিম দিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসভাত ভাষণ ৬ পৃষ্ঠাত

ঝুম খেতি আৰু অবৈধ বন ধ্বংস মূল কাৰণ

## দুই দশকত ১২ শতাংশ ধ্বংস কাৰ্বি আংলঙৰ সেউজ আৱৰণ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ এপ্ৰিল ঃ অসমৰ জৈৱ-বৈচিত্ৰ্যৰ অন্যতম প্ৰাণকেন্দ্ৰ কাৰ্বি আংলং জিলাত গত দুটা দশকত বনাঞ্চলৰ ব্যাপক সংকোচন ঘটিছে। সম্প্ৰতি পোহৰলৈ অহা এক শেহতীয়া উপগ্ৰহীয় ৬ পৃষ্ঠাত



পৰাজয়ৰ আশংকাত হতাশা ! ভাইৰেল দিগন্ত কলিতাৰ জ্যেষ্ঠ নেতাক অশ্লীল গালি-গালাজৰ কল ৰেকৰ্ডিং

# গাড্ডাৰৰ আশংকাত থৰহৰি কম্পমান বিজেপিৰ বহু প্ৰাৰ্থী



নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ এপ্ৰিল ঃ অসমীয়াত এটা প্ৰচলিত কথা আছে— 'আগফালে দুৱাৰ দাং, পাছফালে ধোবাং বাং'। নীতি, আদৰ্শ আৰু কঠোৰ অনুশাসনৰ দাবী কৰি অহা বিজেপিৰ অভ্যন্তৰীণ স্বৰূপ পোহৰলৈ আনিছে এটা ভাইৰেল কল ৰেকৰ্ডিঙে। শীৰ্ষ নেতৃত্বই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত সকলো নেতা-কৰ্মী একত্ৰিত হৈ যুঁজ দিয়া বুলি দাবী কৰিলেও, বাস্তৱত বহু কৰ্মীয়ে নিজ দলৰ প্ৰাৰ্থীৰ বিৰুদ্ধে তলে তলে বিৰোধিতা কৰাৰ অভিযোগ উঠিছে। নিৰ্বাচনী ফলাফল ঘোষণাৰ মাত্ৰ কেইদিনমান বাকী থকা অৱস্থাত বিজেপিৰ দুগৰাকী প্ৰাৰ্থীয়ে ৬ পৃষ্ঠাত

প্ৰধানমন্ত্ৰীয়ে এই একাডেমী উদ্বোধন কৰাটো আমাৰ বাবে এক বিৰাট সন্মানৰ কথা ঃ জেমছ পি কে ছাংমা

## আজি প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিব মেঘালয় ক্ৰিকেট এছ'চিয়েচনৰ কুৰ্কালাং ইণ্ডু'ৰ ক্ৰিকেট একাডেমী



নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ এপ্ৰিল ঃ মেঘালয় ক্ৰিকেট এছ'চিয়েচন (এমচিএ)ৰ কুৰ্কালাংস্থিত ইণ্ডু'ৰ ক্ৰিকেট একাডেমী অহা ২৮ এপ্ৰিলত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। ছিকিমৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেলভাৱে এই কাৰ্যসূচীৰ নেতৃত্ব প্ৰদান কৰিব। এই উদ্বোধনী অনুষ্ঠানে কেৱল মেঘালয়তে নহয়, ৬ পৃষ্ঠাত

## পুৰণি প্ৰেছ ক্লাবৰ নিজা ভূমি আৰু আধুনিক সুবিধাৰ অভাৱত চিন্তিত সাংবাদিক সমাজ; মুখ্য সচিবৰ আশ্বাস

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ এপ্ৰিল ঃ গুৱাহাটী প্ৰেছ ক্লাবৰ কাৰ্যনিৰ্বাহক সমিতিৰ এটা প্ৰতিনিধি দলে আজি দিছপুৰৰ জনতা ভৱনত অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটাক সাক্ষাৎ কৰি দীৰ্ঘদিনীয়া সমস্যাসমূহৰ বিষয়ে অৱগত কৰায়। প্ৰায় পাঁচ দশক পুৰণি এই ঐতিহ্যপূৰ্ণ প্ৰেছ ক্লাবটোৰ এতিয়াও ৬ পৃষ্ঠাত



# মাজুলী মহাবিদ্যালয়ত অনুষ্ঠিত 'আৱৰ্জনা ব্যৱস্থাপনা আৰু পৰিৱেশ সুৰক্ষা' শীৰ্ষক দুদিনীয়া সজাগতা অনুষ্ঠানৰ সফল সামৰণি



**অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ২৭ এপ্ৰিল ঃ** অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ পৃষ্ঠপোষকতাত 'জনকল্যাণৰ বাবে বিজ্ঞান' (SSW) আৰু মাজুলী মহাবিদ্যালয়ৰ যৌথ সহযোগত কালিৰে পৰা মাজুলী মহাবিদ্যালয়ত অনুষ্ঠিত 'আৱৰ্জনা ব্যৱস্থাপনা আৰু পৰিৱেশ সুৰক্ষা' শীৰ্ষক দুদিনীয়া জনসজাগতা সভাৰ আজি সামৰণি পৰে। আজি দ্বিতীয় দিনা পুৱা ৬ বজাত মহাবিদ্যালয়ৰ এন চি চিৰ পৰিচালক নাৰায়ণ শইকীয়া আৰু অনাময়কৰ্মী দীপক দাস নেতৃত্বত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলে মহাবিদ্যালয় চৌহদত চাফাই কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱা ৯ বজাত অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সদস্য সচিব মৌচুমী বৰদলৈ, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া আৰু 'জনকল্যাণৰ বাবে বিজ্ঞান'ৰ সভাপতি ড° চন্দ্ৰ বৰুৱাই মহাবিদ্যালয়ৰ চৌহদত বকুল আৰু মহানিমৰ পুলি ৰোপণ কৰে। দুপৰীয়া মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা 'আৱৰ্জনা ব্যৱস্থাপনা আৰু পৰিৱেশ সুৰক্ষা' শীৰ্ষক জনসজাগতামূলক বক্তৃতানুষ্ঠানটি এগছি মংগল-বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে সংগীত নাটক একাডেমী বঁটাপ্ৰাপক সত্ৰীয়া শিল্পী যোগেন দত্ত বৰবায়নে। আয়োজক সমিতিৰ মুখ্য আহ্বায়ক ড° অনুপ কুমাৰ দলেয়ে আঁত ধৰা অনুষ্ঠানটি সঞ্চালনা কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। মহাবিদ্যালয়ৰ ছাত্ৰী বৰ্ণিতা ভূঞাই বৰগীত পৰিৱেশন কৰা সভাখনত বিশিষ্ট অতিথিসকলক অংগবস্ত্ৰ, স্মাৰক, গ্ৰন্থৰ টোপোলা আৰু গছৰ পুলিৰে আদৰণি জনোৱাৰ পাছতে 'জনকল্যাণৰ বাবে বিজ্ঞান' শীৰ্ষক স্বেচ্ছাসেৱী অনুষ্ঠানটিৰ সভাপতি ড° চন্দ্ৰ বৰুৱাই আদৰণী ভাষণ দিয়ে। অনুষ্ঠানটি উদ্বোধন কৰি অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সদস্য সচিব মৌচুমী বৰদলৈয়ে কয় উদ্বোধনী ভাষণত প্ৰদূষণ নিয়ন্ত্ৰণ আইনসমূহৰ বিষয়ে এক আলোকপাত কৰে। লগতে ২০২৬ বৰ্ষৰ এক এপ্ৰিলৰ পৰা প্ৰযোজ্য হোৱা গোটা আৱৰ্জনা নিস্কাষণ আইনৰ প্ৰসংগৰে এবাৰ ব্যৱহাৰ হোৱা প্লাষ্টিকৰ ভয়াবহতাৰ বিষয়ে ব্যাখ্যা কৰে। জনসজাগতা সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ মুখ্য পৰিৱেশ বিজ্ঞানী ড° গৌতম কৃষ্ণ মিশ্ৰই আৱৰ্জনাৰ প্ৰসংগৰে আৱৰ্জনাক সম্পদ বুলি অভিহিত কৰি এইসমূহৰ পুনৰ্ব্যৱহাৰে পৰিৱেশ সুৰক্ষা কৰাৰ লগতে এচাম লোকৰ জীৱিকাৰ আহিলা প্ৰদান কৰিছে বুলি মত পোষণ কৰে। প্লাষ্টিক বিজ্ঞানৰ শ্ৰেষ্ঠ আৱিষ্কাৰ হ'লেও এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক সকলো সমস্যাৰ মূল বুলি কৈ তেওঁ প্ৰদূষণ নিৰ্মূলৰ বাবে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে বিজ্ঞানসন্মতভাৱে গ্ৰহণ কৰা প্ৰদক্ষেপসমূহৰ বিষয়ে সাৱলীল ভাৱে বৰ্ণনা কৰে। পৰিষদৰ শিৱসাগৰস্থিত মাণ্ডলিক পৰীক্ষাগাৰ তথা কাৰ্যালয়ৰ মুৰব্বী জয়ন্ত কুমাৰ দত্তই গোটা আৱৰ্জনা নিস্কাষণৰ ক্ষেত্ৰত থকা প্ৰত্যাহবান আৰু বহনক্ষম সমাধান বিষয়ে দৃশ্য-শ্ৰব্য মাধ্যমেৰে উপস্থাপন কৰে। তেওঁ মাজুলীত আৱৰ্জনাবিহীন এক নিৰ্মল পৰিৱেশ বৰ্তাই ৰখা বাবে মাজুলীবাসীক কৃতজ্ঞতা জ্ঞাপন কৰে। আনগৰাকী সমল ব্যক্তি কাৰ্যবাহী পৰিৱেশ বিজ্ঞানী ড° নিতালী দলেয়ে ভাৰতবৰ্ষত থকা প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনাৰ আইনসমূহৰ বিষয়ে দৃশ্য-শ্ৰব্য মাধ্যমেৰে উপস্থাপন কৰে। ২০১৬ আৰু ২০২১ চনৰ আইনৰ প্ৰসংগৰে তেওঁ ভাৰতত প্ৰতিবছৰে উৎপাদন হোৱা প্লাষ্টিকৰ তুলনাত পুনৰ্ব্যৱহাৰ তেনেই সামান্য বুলি অভিহিত কৰে তথা প্লাষ্টিক উৎপাদনৰ ক্ষেত্ৰত মানি চলিবলগীয়া নিয়মাৱলীৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। সঞ্চালকৰ মন্তব্যত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই গোটা আৱৰ্জনাসমূহক পৌৰাণিক চৰিত্ৰ জৰাসন্ধৰ লগত তুলনা কৰি ইয়াক নিৰ্মূলৰ বাবে সকলো আগবাঢ়ি আহিব লাগিব বুলি মত পোষণ কৰে। লগতে এনে এক সজাগতা অনুষ্ঠানৰ সুবিধা প্ৰদান কৰাৰ বাবে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আৰু 'জনকল্যাণৰ বাবে বিজ্ঞান'ক কৃতজ্ঞতা জনায়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিক্ষাবিদ সৰ্বেশ্বৰ হাজৰিকা, নৰেন চন্দ্ৰ ঠাকুৰীয়া, 'জনকল্যাণৰ বাবে বিজ্ঞান'ৰ সাধাৰণ সম্পাদক দীপক কুমাৰ দত্ত, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, মাজুলী মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, উপ সভাপতি ড° ৰূপজ্যোতি বৰা, অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰা, সুৰেন চন্দ্ৰ দাস প্ৰমুখ্য শিক্ষকসকল, শিক্ষাবিদ নিৰণ শইকীয়া, মিনতি শইকীয়া, ড° আনন্দ হাজৰিকা, অমৃতেশ্বৰ চুতীয়া, তিলক চন্দ্ৰ শৰ্মা, ৰেণুমালা দত্ত, ৰঞ্জিৎ কুমাৰ ভূঞা, সূৰ্য কুমাৰ বৰুৱা, জগন্নাথ দুৱৰীয়া, কমল দত্ত, যোগেন শইকীয়া, দধি বৰুৱা, যুগল হাজৰিকা, গজেন বৰা, কুশল হাজৰিকা, ভৰত শইকীয়া, উপেন শইকীয়া, দিলীপ ভূঞা, জিতেন শৰ্মা, দুলেন শইকীয়া প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলৰ উপৰি তিনি শতাধিক লোক উপস্থিত থাকে। সভাত কালি অনুষ্ঠিত হোৱা ছবি অঁকা, আকস্মিক বক্তৃতা আৰু বিজ্ঞান আৰ্হি প্ৰতিযোগিতাত স্থানপ্ৰাপকসকলক পুৰস্কৃত কৰা হয়। কালি অনুষ্ঠিত আৰ্হি প্ৰস্তুত প্ৰতিযোগিতাত প্ৰথম স্থান কেশৱৰাম বৰা উচ্চ মাধ্যমিক বিদ্যালয়, দ্বিতীয় স্থান শংকৰদেৱ শিশু বিদ্যা নিকেতন, কমলাবাৰী, তৃতীয় স্থান পি.এম.শ্ৰীচামগুৰি সত্ৰ ৰাৱণাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়; আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰিয়দৰ্শিনী চৌধুৰী, দ্বিতীয় স্থান জয়শ্ৰী হাজৰিকা, তৃতীয় স্থান দৰ্শনা বৰা, চিত্ৰাংকন প্ৰতিযোগিতা প্ৰথম স্থান টিংকু দত্ত, দ্বিতীয় স্থান দীক্ষা শইকীয়া, তৃতীয় স্থান কৃষ্ণকমল পায়েঙে লাভ কৰে।

# নলবাৰী আইন মহাবিদ্যালয়ৰ মুখপত্ৰ 'সিদ্ধান্ত' উন্মোচন



**অসম বাৰ্তা, নলবাৰী, ২৭ এপ্ৰিল ঃ** ইচ্ছাৰ সৈতে একাগ্ৰতা থাকিলে লক্ষ্যত উপনীত হ'ব পাৰি বুলি মন্তব্য কৰে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছৰ প্ৰহ্লাদ আৰ যোশীয়ে। নামনি অসমৰ আইন শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান নলবাৰী আইন মহাবিদ্যালয়ত আজি অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নলবাৰী আইন মহাবিদ্যালয়ৰ মুখপত্ৰ 'সিদ্ধান্ত' উন্মোচন কৰি দিয়া ভাষণত বিশিষ্ট শিক্ষাবিদ গৰাকীয়ে সাম্প্ৰতিক সময়ত আইন শিক্ষাৰ গ্ৰহণযোগ্যতা সম্পৰ্কে বিশদভাৱে ব্যাখ্যা কৰে। নলবাৰী আইন মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সম্পাদক কৌশিক কলিতাই আঁত ধৰা আৰু শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ ড° ধীৰাজ ভূষণ শৰ্মাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা উন্মোচনী অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিধিবিদ্যা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অপৰাজিতা বৰুৱাই নলবাৰী আইন মহাবিদ্যালয়ৰ মুখপত্ৰ 'সিদ্ধান্ত'ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে আইন বিষয়ক লেখা আৰু অন্যান্য প্ৰাসংগিক লিখনিৰ যোগেদি নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰী সকলক সবকা সাথ সবকা বিকাশ মন্ত্ৰৰে উজ্জীৱিত হৈ জীৱনৰ বাটত আগবাঢ়ি যাবলৈ আহ্বান জনায়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অসমীয়া খবৰৰ মুখ্য সম্পাদক বিশ্বজিৎ দাসে আইনৰ শিক্ষাৰ্থী সকল সমাজত ন্যায় প্ৰতিষ্ঠাৰ বাবে যুঁজ দিয়া একোগৰাকী অনিৰুদ্ধ যোদ্ধা বুলি অভিহিত কৰে। উল্লেখযোগ্য যে বিভিন্ন লেখাৰে সমৃদ্ধ নলবাৰী আইন মহাবিদ্যালয়ৰ মুখপত্ৰ সিদ্ধান্তই এখন উন্নত মানবিশিষ্ট আলোচনীৰ মৰ্যাদা অৰ্জন কৰিবলৈ সক্ষম হ'ব বুলিও মন্তব্য কৰে তেওঁ। বিশিষ্ট সাংবাদিক গৰাকীয়ে মনোগ্ৰাহীকৈ উপস্থাপন কৰা বক্তব্যত আইনৰ খুটি নাটি সামৰি বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। ভাষণ প্ৰসংগত তেওঁ সাধাৰণ মানুহক আইন আৰু অধিকাৰ সম্পৰ্কে সজাগ কৰাৰ বাবে আইনৰ শিক্ষাৰ্থী সকলক আহ্বান জনায়। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে চমু বক্তব্য প্ৰদান কৰে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ ৰেক্টৰ প্ৰফেছৰ মল্লিকা কলিতাই। উন্মোচনী সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি, সাংবাদিক জিতেন শৰ্মাই বৃহত্তৰ সমাজখনৰ হিতৰ লগে লগে সামাজিক অব্যৱস্থা, দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে কলম তুলি ল'বলৈ ছাত্ৰ-ছাত্ৰী সকলক আহ্বান জনায়। সাহিত্য সৃষ্টিৰ লগে-লগে জণগনৰ আশা-আকাংক্ষা, ক্ষোভ-বেদনা আৰু ব্যক্তিস্বাধীনতাৰ প্ৰতিফলন ঘটিলেহে সাহিত্য সৃষ্টিৰ সাৰ্থকতা লাভ কৰা হয় বুলি সাংবাদিক গৰাকীয়ে মন্তব্য কৰে। অনুষ্ঠানৰ অভ্যাগত সকলক শলাগৰ শৰাই যাঁচে 'সিদ্ধান্ত'ৰ সম্পাদকদ্বয় নৱপল্লৱ শৰ্মা আৰু প্ৰৱাল উপাধ্যায়ে। অনুষ্ঠানত অৱসৰী জিলা আৰু চেছন ন্যায়াধীশ দিপালী ভূঞা, নলবাৰী আইন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, জ্যেষ্ঠ অধিবক্তা গোলক পাঠক, শিক্ষানুষ্ঠানখনৰ জ্যেষ্ঠ অধ্যাপক গৌতম বৰ্মন, সিদ্ধান্তৰ প্ৰাক্তন সম্পাদক আয়ুস্মান শৰ্মা, বিশেষ শুভাকাংক্ষী হৰেন (জিতু) শৰ্মা, জ্যেষ্ঠ টে' কনচালটেণ্ট তথা সমাজহিতৈষী প্ৰণৱ ডেকা, অন্য অধ্যাপক-অধ্যাপিকাসকল, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য, আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৬৫ সংখ্যক গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৭ এপ্ৰিল ঃ** কাইলৈৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হ'ব ৬৫ সংখ্যক গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন। গোলাঘাটৰ জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত (ৰাজহুৱা খেলপথাৰ) পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব ৬৫ সংখ্যক গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন উদযাপন সমিতিৰ সভাপতি ড° দেৱজিৎ ফুকনে। স্মৃতি তৰ্পণ কৰিব যুটীয়া সম্পাদক অংশুমান বৰুৱা আৰু মিণ্টু গগৈয়ে। প্ৰয়াত বিমুন বৰা সোঁৱৰণী মুখ্য তোৰণ উন্মোচন কৰিব সন্মিলনৰ কাৰ্যকৰী সভাপতি মুন্না আহমেদ আৰু প্ৰয়াত বিমুন বৰাৰ পৰিয়ালবৰ্গই। পুৱা ১০ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান বন্তি প্ৰজ্বলনেৰে মুকলি কৰিব গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয় (স্বায়ত্তশাসিত) অধ্যক্ষ ডঃ জয়ন্ত বাৰুকিয়ালে। বজাত নলিনী ৰঞ্জন বৰুৱা সোঁৱৰণী মঞ্চ মুকলি কৰিব প্ৰয়াত বৰুৱাৰ পৰিয়ালবৰ্গই। প্ৰবীণ সাংবাদিক প্ৰয়াত অপূৰ্ব বৰুৱা সোঁৱৰণী মণ্ডপ উদ্বোধন কৰিব প্ৰয়াত অপূৰ্ব বৰুৱাৰ পৰিয়ালবৰ্গই। ইয়াৰ পাছতেই অনুষ্ঠিত হ'ব গোলাঘাট কেন্দ্ৰীয় বিহু সন্মিলনৰ 'ধনশিৰি উপত্যকা বঁটা' প্ৰদান অনুষ্ঠান। এই অনুষ্ঠানত প্ৰবীণ সাংবাদিক দ্বীপেন দত্তক প্ৰদান কৰা হ'ব 'ধনশিৰি উপত্যকা বঁটা'। বঁটা প্ৰদান কৰিব বিশিষ্ট সমাজকৰ্মী, গোলাঘাট পৌৰ সভাৰ প্ৰাক্তন পৌৰপতি ৰাজেন বৰাই। দিনৰ ১১ বজাত অনুষ্ঠিত হ'ব 'গুৰু-সেৱা'। বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে। দিনৰ ১ বজাত অনুষ্ঠিত হ'বলগীয়া জনগোষ্ঠীয় কৃষ্টি সমাৰোহ উদ্বোধন কৰিব সদৌ তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি বসন্ত গগৈয়ে। বিয়লি ৪ বজাত অনুষ্ঠিত হ'ব বৰহমথুৰি খ্যাত সৰু বিহুৱতী প্ৰতিযোগিতা আৰু এই প্ৰতিযোগিতা উদ্বোধন কৰিব বিশিষ্ট বিহু সম্ৰাজ্ঞী অমি সন্দিকৈয়ে। সন্ধিয়া ৫.৩০ বজাত বন্তি প্ৰজ্বলন কৰিব গোলাঘাট অধিবক্তা সন্থাৰ সভাপতি দীপম ৰঞ্জন সন্দিকৈয়ে আৰু সন্ধিয়া ৭ আৰু বজাত হুঁচৰি প্ৰতিযোগিতা উদ্বোধন কৰিব বিশিষ্ট ওজা জিতেন বৰাই। ২৯ এপ্ৰিলত পুৱা ১১ বজাত কণীযুঁজ, পিঠা, গামোচা, সজীৱ পুষ্পসজ্জা প্ৰতিযোগিতা। বিয়লি ৪ বজাত মেজাংকৰী খ্যাত বৰ বিহুৱতী প্ৰতিযোগিতা আৰু সন্ধিয়া ৭ বজাত অজিত শইকীয়া সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান। আৰু সন্মিলনৰ অন্তিম দিনা অৰ্থাৎ ৩০ এপ্ৰিলৰ দিনৰ ১১ বজাত ভেশচন, টেকেলি ভঙা, চিত্ৰাংকণ আৰু সংগীত চকী প্ৰতিযোগিতা (ছাত্ৰ-ছাত্ৰীসকলৰ মাজত) অনুষ্ঠিত হ'ব। দিনৰ ১ বজাত জেং বিহু প্ৰতিযোগিতা, সন্ধ্যা ৫ বজাত মুকলি সভা, বঁটা বিতৰণী আৰু স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠান। সন্ধিয়া ৬.৩০ বজাত বন্তি প্ৰজ্বলন আৰু নিশা ৮ বজাত জুবিন গাৰ্গ সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰ আৰু দীপান্বিতা ডেকাই।

# অসমৰ মুছলমানক লোকপিয়ল গণনাত সহযোগিতাৰে সঠিক আৰু শুদ্ধ তথ্য যোগান ধৰাৰ আহ্বান উজনি অসম মুছলিম কল্যাণ পৰিষদৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৭ এপ্ৰিল ঃ** ভাৰত চৰকাৰে সমগ্ৰ দেশতে লোকপিয়ল অথবা জনগণনা কৰাৰ বাবে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। অসমতো অহা আগষ্ট মাহৰ পৰা এই লোকপিয়ল গণনাৰ কাম আৰম্ভ হ'ব। এই কাম ভালদৰে পৰিচালনা কৰিবৰ বাবে চৰকাৰে কেইবাহাজাৰ কৰ্মচাৰীক বিশেষ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। এমাহৰ ভিতৰতে অসমত এই লোকপিয়লৰ কাম আৰম্ভ হ'ব। এই লোকপিয়ল গণনা ৰাষ্ট্ৰৰ এক গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া। এই ক্ষেত্ৰত অসমৰ অন্যান্য জাতি জনগোষ্ঠীৰ লগতে অসম ভূমিত যুগ যুগ ধৰি বসবাস কৰি অহা মুছলমান লোকসকলে চৰকাৰক পূৰ্ণ সহযোগিতা আগবঢ়োৱা উচিত। এই মন্তব্য উজনি অসম মুছলিম কল্যাণ পৰিষদৰ। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াই উল্লেখ কৰে যে, দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো চৰকাৰে নিদিষ্ট সময়ৰ ভিতৰতে এই লোকপিয়লৰ কাম আৰম্ভ কৰিব। এই লোকপিয়লৰ জৰিয়তে দেশৰ জনসংখ্যা, শিক্ষা ব্যৱস্থা, আৰ্থিক অৱস্থা, বাসস্থান, কৰ্মসংস্থাপন, নিৰনুৱা সমস্যাৰ ভয়াবহতা আৰু নাগৰিকৰ জীৱন যাপন পদ্ধতি সম্পৰ্কেও গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰা হ'ব। আমি এই ক্ষেত্ৰত সঠিক আৰু শুদ্ধ তথ্য সংশ্লিষ্ট কৰ্তৃপক্ষক যোগান কৰিব লাগিব। বিশেষকৈ অসমত শ শ বছৰ ধৰি বসবাস কৰি অহা গৰিষ্ঠ সংখ্যক সংখ্যালঘু সম্প্ৰদায়ৰ মুছলমান সকল বহুক্ষেত্ৰত এতিয়াও সজাগ আৰু সচেতন নহয়। সেয়ে দেশে স্বাধীনতা লাভ কৰাৰ পৰা বৰ্তমানলৈকে এই মুছলমান লোক সকল বিভিন্ন স্তৰত পিছপৰি আছে। পাচ বছৰ ধৰি ৰাজ্যৰ শাসনত থকা ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিয়েই অসমৰ গৰিয়া, মৰিয়া, দেশী চৈয়দ আৰু চাহ জনগোষ্ঠীৰ জলহা সকলক খিলঞ্জীয়া মুছলমানৰ চলকাৰী স্বীকৃতি দি এই জনগোষ্ঠীকেইটাৰ আৰ্থ সামাজিক উন্নয়ন আৰু বিকাশৰ স্বাৰ্থত উজনি অসমৰ পৰা এক পৃথক জৰীপ কৰাৰ কথা ঘোষণা কৰিছিল। উজনি অসমৰ চৰাইদেউ জিলাৰ পৰা এই জৰীপৰ ব্যৱস্থা কৰিবৰ বাবে অসম চৰকাৰে ৰাজ্যিক সংখ্যালঘু আৰু চৰ উন্নয়ন বিভাগৰ হাততো দায়িত্ব অৰ্পণ কৰিছিল। কিন্তু সুদীৰ্ঘ ৫ বছৰ ধৰি চৰকাৰে এই জৰীপৰ ব্যৱস্থা কাৰ্যকৰী নকৰিলে। সেয়ে অসমৰ এই খিলঞ্জীয়া মুছলমান সকল আজিও সংখ্যালঘু মাজতেই দুৰ্বল হৈ পৰিছে। এতিয়া ৰাষ্ট্ৰীয় লোকপিয়ল গণনাৰ জৰিয়তে আমাৰ দুৰৱস্থাৰ বিভিন্ন দিশ চৰকাৰৰ সন্মুখত আমি দৃষ্টিগোচৰ কৰিব লাগিব। আমি তথ্য সংগ্ৰহৰ বাবে অহা সকলো বিষয়াৰ হাতত সকলো তথ্য নিখুঁত ভাৱে দাখিল কৰিব লাগিব। বিশেষকৈ পৰিয়ালৰ সদস্য সংখ্যা, শিক্ষাগত অৰ্হতা, আৰ্থিক অনগ্ৰসৰতাৰ ওপৰত গুৰুত্ব দি আমি এই তথ্য সমূহ দাখিল কৰিলেহে অসমৰ মুছলমান সকল ভাৰতৰ আন আন জাতি জনগোষ্ঠীৰ তুলনাত যে অধিক পিছপৰি আছে সেই কথা ৰাষ্ট্ৰীয় স্তৰত প্ৰমাণিত হৈ পৰিব। ইয়াৰ পূৰ্বে ২০০৭ চনৰ ন্যায়াধীশ ৰাজিন্দাৰ সিং চাচাৰৰ প্ৰতিবেদনত দেশৰ সংখ্যালঘু সকলৰ দুৰ্বল আৰ্থিক স্থিতি, নিম্নগামী শিক্ষাকে ধৰি বিভিন্ন চৰকাৰী সা সুবিধাৰ পৰা বঞ্চিত হোৱাৰ কথা উল্লেখ আছে। এই গুৰুত্বপূৰ্ণ প্ৰতিবেদনত অসমৰ মুছলমান সকল দেশৰ অন্যান্য জাতি জনগোষ্ঠীৰ তুলনাত আৰ্থিক ভাৱে অধিক দুৰ্বল বুলি উল্লেখ আছে। সেয়ে অসমত বসবাস কৰা প্ৰতিগৰাকী মুছলমান নাগৰিকক এই লোকপিয়লৰ প্ৰক্ৰিয়াত সঠিক তথ্য যোগানেৰে লোকপিয়ল বিষয়া সকলক সহযোগিতা কৰাৰ বাবে উজনি অসম মুছলিম কল্যাণ পৰিষদে আহ্বান জনাইছে।

# ডিব্ৰুগড়ত সাহিত্য-সংস্কৃতি বহুমুখী ৰামধেনু উদ্যোগত 'ধ্ৰুৱ চৰিত্ৰ'ৰ শিশু ভাওনাই মুহিলে দৰ্শকক



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৭ এপ্ৰিল ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱগুৰুজনাৰ অমৰ সৃষ্টি খোল-তাল, মাংগলিক ধ্বনি আৰু ভকত-বৈষ্ণৱ ৰাইজৰ উপস্থিতিত ডিব্ৰুগড়ৰ মানকটা কছাৰীবাৰীস্থিত শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহ ৰংগমঞ্চত 'ধ্ৰুৱ চৰিত্ৰ' শিশু ভাওনা প্ৰদৰ্শন কৰি শ্ৰোতা দৰ্শকৰ বিপুল সমাদৰ লাভ কৰে। ২০২৬ চনৰ ১৬ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ লক্ষ্মীনগৰত সমাজৰ বাস্তৱতা, মনস্তাত্বিক বিশ্লেষণ, নগৰকেন্দ্ৰিক জীৱনৰ যন্ত্ৰণা, নিঃসংগতা আৰু সমাজবাদী আদৰ্শৰে প্ৰতিষ্ঠিত হৈছিল সাহিত্য-সংস্কৃতিৰ বহুমুখী অনুষ্ঠান। এই অনুষ্ঠানটোৱে প্ৰতিষ্ঠা লাভ কৰাৰ ৩ মাহ নহওঁতে ''ৰামধেনু'ৰ উদ্যোগত ৰামধেনু পৰিয়ালৰ কণকণ শিশুসকলৰ দ্বাৰা ভাওনা প্ৰদৰ্শন কৰি দৰ্শকৰ সমাদৰ লাভ কৰে। সাহিত্য-সংস্কৃতিৰ সমাহাৰে শনিবাৰে দিনজোৰা কাৰ্যসূচীত পুৱা ১০ বজাত পৰিৱেশ নিকাকৰণ আৰু বৃক্ষৰোপণেৰে কাৰ্যসূচী আৰম্ভ কৰা হয়। ইয়াৰ পিছতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন তথা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা লগতে নাম প্ৰসংগ, আৰু 'ৰামধেনু' শিক্ষক আৰু শিক্ষাৰ্থীসকলদ্বাৰা বৰগীত, ভোৰতাল নৃত্য, সত্ৰীয়া নৃত্য লগতে দিহানাম পৰিৱেশন কৰা হ'য়। সন্ধিয়া বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ডিব্ৰুগড় জিলা সম্পাদক ব্ৰজান্দ ভূঞা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য নোমল গগৈ, মানকটা শাখা সাহিত্য সভাৰ সভাপতি কুসুম সোণোৱাল, সম্পাদক, নৱনীতা শ্যাম উৰঙীয়া, কেশৱ গগৈ, অমল গগৈ, প্ৰশান্ত কাকতি, উদয় শংকৰ মোহন, ৰামধেনু সম্পাদক বিনোদ গগৈসহ বহুকেইগৰাকী সাহিত্য সংস্কৃতিৰ লগত জড়িত ব্যক্তিক সম্বৰ্ধনা জনোৱা অনুষ্ঠানত সমিতিৰ সম্পাদক বিনোদ গগৈ, সহকাৰী সম্পাদক জয়ন্ত দত্ত, সুনীল ৰাজকোঁৱৰকে ধৰি সমিতিৰ অন্যান্য বিষয়ববীয়া উপস্থিত আছিল। চাচনি গৌৰৱ বঁটা, বীৰ চিলাৰায় বঁটা আদি সন্মানেৰে বিভূষিত তথা বিশিষ্ট গল্পকাৰ, কবি, প্ৰবন্ধকাৰ, অসম সাহিত্য সভাৰ কুঁহিৰ আহ্বায়ক তথা অসম চৰকাৰৰ লোকনিৰ্মাণ (স্বাস্থ্য আৰু শিক্ষা) বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা প্ৰশান্ত শইকীয়াই ভাওনা উদ্বোধন কৰি এইপ্ৰতিষ্ঠানৰ জৰিয়তে এখন নিকা সমাজ গঠন কৰি সমাজৰ মংগলৰ লগতে ভাওনা পৰম্পৰা, আৰু প্ৰজন্মৰ বাবে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত বহুখিনি গঠনমূলক পৰামৰ্শ প্ৰদান কৰা লগতে লক্ষ্মীনগৰত এখনি শাখা সাহিত্য সভা গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।


## NAME CORRECTION

In my all relevant papers and documents including in Aadhaar card vide no. 4115 3466 9953 and PAN Card vide no. CGWPJ2690D my name has been written as Fija Joymal. But my name has been wrongly recorded as Fiju Joymal in my Bank pass book of Assam Gramin Vikash Bank, Talap branch vide A/C no.- 7393026001950. Both Fiju Joymal and Fija Joymal is the same name and i.e. myself. Applying for correction at the appropriate authority.

Fiju Joymal
W/O- Ganesh Tanti
R/O- Daisajan T.E.
P.O.- Samuguri, Tinsukia

AB-48/2026


# পদ্মপ্ৰিয়া সাহিত্য সংস্কৃতি গোষ্ঠী অসমৰ উদ্যোগত বাৰ্ষিক সভা আৰু বটা প্ৰদান অনুষ্ঠান



**অসম বাৰ্তা, বাগানপাৰা, ২৭ এপ্ৰিল ঃ** বজালীৰ ভৱানীপুৰত জন্ম লাভ কৰা সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত খনৰ অগ্ৰণী অনুষ্ঠান পদ্মপ্ৰিয়া সাহিত্য সাংস্কৃতিক গোষ্ঠী, অসমৰ বাৰ্ষিক সভাখন আজি নলবাৰী জিলাৰ টিহু টাউনৰ আম্বেদকাৰ ভৱনত অনুষ্ঠিত কৰা হয়। উক্ত সভাত হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ বোধেন কুমাৰ শইকীয়া, বিশিষ্ট কবি তথা শংকৰদেৱ একাডেমী, নলবাৰীৰ অধ্যক্ষ ড° বিনয় কুমাৰ মজুমদাৰ, বিষ্ণুজ্যোতি একাডেমী, চামতাৰ অধ্যক্ষ তথা বিশিষ্ট অনুবাদক প্ৰদীপ ভাগৱতী আৰু বিশিষ্ট লেখক তথা সাংবাদিক অৰূপ কুমাৰ দাসে সাৰুৱা ভাষণ প্ৰদান কৰে। পদ্মপ্ৰিয়া সাহিত্য বঁটা - ২০২৫ আগবঢ়োৱা হয় অসমীয়া সাহিত্যত ৰহস্য সম্ৰাট ৰূপে পৰিচিত প্ৰায় সাতশ পঞ্চাছৰো অধিক গ্ৰন্থ ৰচনা কৰা প্ৰসিদ্ধ সাহিত্যিক মাননিয় ৰঞ্জু হাজৰিকা দেৱলৈ। আনহাতে তৃপ্তি বৰা, পাপৰি বৰা, ববিতা কলিতা আৰু ড° তৰুণ চন্দ্ৰ বৰালৈ শব্দ শিল্প বঁটা - ২০২৫ আগবঢ়োৱাৰ লগতে ৰীতাঞ্জলি দাস, গিৰিজা শৰ্মা, ৰেণুপ্ৰভা হাজৰিকা, কবীন্দ্ৰ কুমাৰ ডেকা, বিক্ৰম ছেত্ৰীলৈ শব্দ সৌৰভ বঁটা - ২০২৫ আগবঢ়োৱা হয়। চম্পাৰাণী হালৈ, মুনীন ছেত্ৰী, অৰ্চনা তালুকদাৰ আৰু গৰিমা তালুকদাৰলৈ আগবঢ়োৱা হয় প্ৰেৰণা সাহিত্য বঁটা - ২০২৫। বিশিষ্ট সমাজ সেৱিকা তথা সাহিত্যিক হিমানী মজুমদাৰক মহিয়সী অসম বঁটা - ২০২৫ ৰে সন্মানিত কৰা হয়। উক্ত অনুষ্ঠান অলকা বুজৰ বৰুৱা সম্পাদিত হিৰণ্ময়ী -২ নামৰ কাব্যসংকলন, ড° ৰুমী কলিতাৰ প্ৰবন্ধ পুথি সাহিত্য সংস্কৃতিৰ ৰূপৰেখা, যুগান্ত দাসৰ নামনি অসমৰ লোক সংস্কৃতি আৰু সাঁকো নামৰ বহুভাষিক ছয়মহীয়া কাব্যালোচনী উন্মোচন কৰা হয়। উক্ত অনুষ্ঠানটোৰ আঁত ধৰে বিশিষ্ট লেখিকা অলকা বুজৰ বৰুৱাই। বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ নাগৰিক লক্ষ্যহীৰা বুজৰ বৰুৱাই। স্বৰচিত কবিতাৰ বাবে তুতুল মানৱ আৰু পাপৰি দেৱীক পুৰস্কৃত কৰাৰ লগতে খুকুমণি মুদৈ দাস আৰু দিলীপ দাসক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানটিত বিশিষ্ট কবি মোহন গৌতম, দিগন্ত নিবিড, নিতু শৰ্মা, দীপাঞ্জলী পাঠক, কণিকা বৰ্মণ, দুলু পাঠক, সঞ্জীৱ তালুকদাৰে কবিতা পাঠেৰে সভাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# যোৰহাট নিৰ্বাচনী জিলাত অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ ভোট গণনা কেন্দ্ৰ আৰু ষ্ট্ৰং ৰুম পৰিদৰ্শন

**অসম বাৰ্তা, যোৰহাট, ২৭ এপ্ৰিল ঃ** যোৰহাট নিৰ্বাচনী জিলাত আজি অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল উপস্থিত হৈ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ ভোট গণনা প্ৰক্ৰিয়াৰ বাবে চলোৱা প্ৰস্তুতিৰ সন্দৰ্ভত বুজ লয়। তেখেতে যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালিকা বিদ্যালয় আৰু যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক বিদ্যালয়ত যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত চাৰিওটা বিধানসভা সমষ্টিৰ বাবে নিৰ্ধাৰিত ভোটগণনা কেন্দ্ৰ তথা ষ্ট্ৰং ৰুমসমূহ পৰিদৰ্শন কৰে। তেখেতৰ এই পৰিদৰ্শন সময়চোৱাত যোৰহাট জিলাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া জয় শিৱানী, জিলা জেষ্ঠ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা আৰু জিলাখনৰ সকলো ৰিটাৰ্ণিং বিষয়া উপস্থিত থাকে। পৰিদৰ্শন কালত মুখ্য নিৰ্বাচনী বিষয়া ডাঙৰীয়াই ভোটগণনা কেন্দ্ৰ দুটাৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতি, ভোট গণনা কক্ষ আৰু নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন কোষসমূহৰ প্ৰস্তুতিৰ বুজ লয়। তেখেতে গণনা কক্ষৰ আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি নিৰাপত্তা ব্যৱস্থালৈকে সকলো দিশ সূক্ষ্মভাৱে তদাৰক কৰে। জিলা জেষ্ঠ আৰক্ষী অধীক্ষকৰ সৈতে হোৱা আলোচনাত ভোট গণনা কেন্দ্ৰসমূহৰ সুৰক্ষা বেষ্টনী অধিক মজবুত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। নিৰ্বাচনী প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছ, সুৰক্ষিত আৰু সুচাৰুৰূপে পৰিচালনা কৰাৰ স্বাৰ্থত মুখ্য নিৰ্বাচনী বিষয়া ডাঙৰীয়াই সকলো নিৰ্মাণ কাৰ্য আৰু আনুষঙ্গিক ব্যৱস্থাসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিভাগৰ বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। ইয়াৰোপৰি তেখেতে ভোট গণনাৰ সময়ত ই ভি এম আৰু ভিভিপিএটি ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰাৰ বাবেও বিষয়াসকলক নিৰ্দেশ দিয়ে। ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনাৱলী যথাযথ ভাৱে পালন কৰি নিয়াৰিকৈ ভোট গণনা আৰু ফলাফল প্ৰক্ৰিয়া সুকলমে সম্পূৰ্ণ কৰিবলৈ তেখেতে সংশিষ্ট বিষয়াসকলক আহ্বান জনায়।

# যোৰহাট নিৰ্বাচনী জিলাত ভোটগণনা প্ৰক্ৰিয়া আৰু আইন শৃংখলা সন্দৰ্ভত বৈঠক সম্পন্ন

**অসম বাৰ্তা, নকছাৰি, ২৭ এপ্ৰিল** ঃ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন ২০২৬-ৰ যোৰহাট নিৰ্বাচনী জিলাৰ ভোটগণনা প্ৰক্ৰিয়া আৰু আইন শৃংখলা প্ৰস্তুতিৰ সন্দৰ্ভত আজি যোৰহাট জিলাৰ আৱৰ্ত ভৱনৰ সভাগৃহত জিলা আয়ুক্ত জয় শিৱানী মহোদয়ৰ সভাপতিত্বত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত ভোটগণনা প্ৰক্ৰিয়া কেনেদৰে সুচাৰুৰূপে আৰু শৃংখলাবদ্ধভাৱে সম্পন্ন কৰিব পাৰি, সেই সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকৰ মূল উদ্দেশ্য আছিল ভোটগণনাৰ দিনা পালন কৰিব লগীয়া নীতি-নিৰ্দেশনাসমূহৰ বিষয়ে সকলোকে অৱগত কৰা। নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা, গণনাকেন্দ্ৰৰ ভিতৰৰ শান্তি-শৃংখলা বজাই ৰখা আৰু গণনাৰ সময়ত হ'ব পৰা যিকোনো কাৰিকৰী বা প্ৰশাসনিক ত্ৰুটি কেনেদৰে এৰাই চলিব পাৰি, সেই বিষয়ে জিলা আয়ুক্ত ডাঙৰীয়াই গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰদান কৰে। নিৰ্বাচন প্ৰক্ৰিয়াটো স্বচ্ছ আৰু নিকা কৰিবলৈ তেখেতে সকলো পক্ষৰে পৰা পূৰ্ণ সহযোগিতা কামনা কৰে। আজিৰ এই বৈঠকত জিলাখনৰ জেষ্ঠ আৰক্ষী অধীক্ষক, চাৰিওটা বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়াসকল, চি.আৰ.পি.এফ.-ৰ কমাণ্ডেণ্ট, জিলা নিৰ্বাচনী বিষয়া, উপ-আৰক্ষী অধীক্ষক, সম-জিলা আৰক্ষী অধীক্ষক, মাষ্টাৰ ট্ৰেইনাৰসকল উপস্থিত থকাৰ লগতে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থী আৰু তেওঁলোকৰ প্ৰতিনিধিসকলেও এই আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। ইয়াৰোপৰি আজি ২০২৬ চনৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ ভোট গণনা প্ৰক্ৰিয়াটো সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে যোৰহাট নিৰ্বাচনী বিষয়া কাৰ্য্যালয়ৰ উদ্যোগত এক ভোট গণনা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ (JEC) প্ৰেক্ষাগৃহত আয়োজিত এই বিশেষ প্ৰশিক্ষণ শিবিৰত নিৰ্বাচনৰ সৈতে জড়িত গণনা সূক্ষ্ম পৰ্যবেক্ষক (Counting Micro-observers), গণনা পৰ্যবেক্ষক (Counting Supervisors), আৰু গণনা সহায়ক (Counting Assistants) সকলে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ কালত সংশ্লিষ্ট বিষয়াসকলক ভাৰতীয় নিৰ্বাচন আয়োগৰ শেহতীয়া নীতি-নিৰ্দেশনা আৰু গণনা কেন্দ্ৰৰ ভিতৰত পালন কৰিবলগীয়া শৃংখলাবদ্ধতাৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰা হয়। বিশেষকৈ ই.ভি.এম (EVM) আৰু ভি.ভি.পি.এটি (VVPAT)ৰ স্লিপ গণনাৰ কাৰিকৰী দিশসমূহৰ লগতে গণনাৰ তথ্যসমূহ কেনেকৈ ত্ৰুটিহীনভাৱে লিপিবদ্ধ কৰিব লাগে, সেই সম্পৰ্কে সমল ব্যক্তি সকলে ব্যৱহাৰিক জ্ঞান প্ৰদান কৰে।

# ৰঙিয়াৰ কোঠোৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক সভা

**অসম বাৰ্তা, ৰঙিয়া, ২৭ এপ্ৰিল** ঃ ১৯৯৭চনতে স্থাপন হোৱা কোঠোৰা উচ্চ মাধ্যমিক বিদ্যালয়ে জন্মলগ্নৰে পৰা উন্নত শিক্ষা ব্যৱস্থাৰে পশ্চিম ৰঙিয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা প্ৰদান কৰি আহিছে। উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিদ্যালয়খনৰ ফলাফল বহু চৰকাৰী স্বীকৃতি প্ৰাপ্ত বিদ্যালয়ৰ ফলাফলতকৈ উন্নত আছিল। কিন্তু তুলনামূলকভাৱে সদ্য ঘোষিত পৰীক্ষাৰ ফলাফলত আশানুৰূপ নহ'ল। গতিকে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক সকলক উৎসাহিত কৰিবলৈ বিদ্যালয় চৌহদত এখন শৈক্ষিক সভা অনুষ্ঠিত কৰা হয়। পঙ্কজ পল্লৱ শৰ্মাই সভাপতিত্ব কৰা সভাখনত অঞ্চলটোৰ দুই শতাধিক লোকে অংশগ্ৰহণ কৰে। জিলা পৰ্যায়ৰ চৰকাৰী শ্ৰেষ্ঠ শিক্ষকৰ পুৰস্কাৰ প্ৰাপ্ত শিক্ষক কন্দৰ্পেশ্বৰ শৰ্মাই বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰি অভিভাৱক সকলক উদ্দেশ্যি নিজৰ ভাষণ প্ৰদান কৰে। চৰকাৰৰ নতুন শিক্ষানীতিৰ প্ৰয়োগ, শিক্ষকৰ দায়িত্ব, ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য আৰু অভিভাৱকৰ সহযোগিতা সম্পৰ্কতো নিজৰ ভাষণ প্ৰদান কৰে। সভাত গাঁওবুঢ়া অৰবিন্দ ডেকা, শ্বহীদ সুনন্দ শালৈ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক জীতেন চন্দ্ৰ দাস তথা শিক্ষক-শিক্ষয়িত্ৰী আৰু, কোঠোৰা উচ্চ বিদ্যালয়ৰ শিক্ষক বৃন্দ উপস্থিত থাকে। আনহাতে উক্ত সভাত অঞ্চলটোৰ শতাধিক অভিভাৱক উপস্থিত থাকে।

# গোসাঁইগাঁও চহৰৰ জৰাজীৰ্ণ পথ নিৰ্মাণৰ শুভ উদ্বোধন



**অসম বাৰ্তা, গোসাঁইগাঁও, ২৭ এপ্ৰিল** ঃ গোসাঁইগাঁও চহৰবাসীৰ বাবে এটা ভাল খবৰ। দীৰ্ঘদিন ধৰি যাতায়তৰ ক্ষেত্ৰত যমেশ্বৰী ভোগ কৰি অহা চহৰখনৰ দুটাকৈ গুৰুত্বপূৰ্ণ পথৰ অৱশেষত কায়কল্প হ'বলৈ গৈ আছে। আজি আনুষ্ঠানিকভাৱে এই পথ দুটাৰ নিৰ্মাণ কাৰ্যৰ শুভ উদ্বোধন কৰা হয়। গোসাঁইগাঁও সদৰ চহৰৰ খোকন গলি আৰু ৰুদ্ৰ গলিলৈ যোৱা ৰাস্তা দুটা বিগত বহু সময় ধৰি জৰাজীৰ্ণ অৱস্থাত আছিল। যাৰ ফলত স্থানীয় ৰাইজ তথা পথচাৰীসকলে যাতায়তৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছিল। আজি ২৭ এপ্ৰিলত এক চমু অনুষ্ঠানৰ জৰিয়তে এই পথ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰা হয়। শৰাইবিল সমষ্টিৰ পাৰিষদ তথা বি টি চিৰ পৰিবহণ বিভাগৰ কাৰ্যবাহী সদস্য মৃত্যুঞ্জয় নাৰ্জাৰীয়ে উপস্থিত থাকি এই আঁচনিৰ আধাৰশিলা স্থাপন কৰে। আৰবান বিভাগৰ পুঁজিৰে এই পথ দুটা নিৰ্মাণ কৰা হ'ব। খোকন গলি পথটো মুঠ ৪২ লাখ ৪৭ হাজাৰ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হ'ব। আৰু ৰুদ্ৰ গলিৰ পথটো মুঠ ২৪ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হ'ব। কাৰ্যবাহী সদস্য মৃত্যুঞ্জয় নাৰ্জাৰীয়ে কয় "বিটিচি চৰকাৰে অঞ্চলটোৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে সদায় দায়বদ্ধ। এই পথ দুটা সম্পূৰ্ণ হ'লে ব্যৱসায়ী আৰু সাধাৰণ ৰাইজৰ যাতায়তৰ সমস্যা বহুখিনি লাঘৱ হ'ব।" নিৰ্মাণ কাৰ্যৰ মানদণ্ড অটুট ৰাখি নিৰ্ধাৰিত সময়ৰ ভিতৰত কামটো সম্পূৰ্ণ হ'ব বুলি আশাবাদী স্থানীয় ৰাইজ।

# কাকপথাৰত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সদ্য প্ৰাক্তন উপদেষ্টা বিতু ডেকাক বিদায় সম্বৰ্দ্ধনা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৭ এপ্ৰিল** ঃ সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সদ্য প্ৰাক্তন উপদেষ্টা বিতু ডেকাক আজি বিদায় সম্বৰ্দ্ধনা জনায় আছুৰে। সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উদ্যোগত কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত আটাইকেইখন আঞ্চলিকে অনুষ্ঠানিকভাৱে বিদায় সম্বৰ্দ্ধনা জনায় সদ্য প্ৰাক্তন উপদেষ্টা বিতু ডেকাক। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, 'শিশুবন্ধু' কুসুমপ্ৰভা বুঢ়াগোহাঁই, কাকপথাৰ প্ৰেছক্লাবৰ সভাপতি ৰাতুল কলিতা, সম্পাদক ইন্দ্ৰজিৎ গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সমৰজ্যোতি গোহাঁই, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়া, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওঁগ, সাধাৰণ সম্পাদক কনচেংজ্যোতি গগৈৰ উপৰিও আটাইকেইখন আঞ্চলিক-শাখাৰ সভাপতি/সম্পাদকসহ বিষয়ববীয়াসকল উপস্থিত থাকে। সভাত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সদ্য প্ৰাক্তন উপদেষ্টা বিতু ডেকাই ভাষণ প্ৰসঙ্গত অনাগত দিনত জাতীয় জীৱনৰ বাবে কাম কৰি যোৱাৰ কথা উল্লেখ কৰা লগতে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিটো গঠনমূলক কামত সহায়-সহযোগ কৰিব বুলিও উল্লেখ কৰে। উল্লেখ্য যে, সুদীৰ্ঘ ২২ বছৰে সদৌ অসম ছাত্ৰ সন্থাৰ মজিয়াত থাকি বলিষ্ঠ কণ্ঠৰে মাত মাতি যোৱা বিতু ডেকাই যোৱা ২০ এপ্ৰিলত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টাৰ দায়িত্বৰ লগতে সন্থাৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰে। ২০০৫ চনত সদৌ অসম ছাত্ৰ সন্থাত যোগদান কৰা বিতু ডেকাই কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিভিন্ন পদত কাৰ্যনিবাহ কৰা অন্তত প্ৰায় ডেৰ দশক কাল সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ বিভিন্ন পদত কাৰ্যনিৰ্বাহ কৰিছিল। ২০১১ চনত জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিবাহক সদস্য, ২০১৩ চনত শিক্ষা সম্পাদক, ২০১৭ চনত সহকাৰী সম্পাদকৰ দায়িত্ব লাভ কৰাৰ অন্তত ২০২০ বৰ্ষত পুনৰ সহকাৰী সম্পাদক আৰু ২০২৫ বৰ্ষত উপদেষ্টা পদত অধিষ্ঠিত হৈছিল বিতু ডেকা। ২০১৩ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় 'আছু' গোটৰ উপ-সভাপতিৰ দায়িত্বত কাৰ্যনিৰ্বাহ কৰা বিতু ডেকাই পিছলৈ ভাৰপ্ৰাপ্ত সভাপতি আৰু উপদেষ্টাৰ পদত অধিষ্ঠিত হৈছিল। ডুমডুমা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা টাই ভাষাত স্নাতকোত্তৰ ডিপ্লমাৰ লগতে ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ পৰা স্নাতকোত্তৰ ডিগ্ৰীৰ লগতে দূৰ-শিক্ষা বিভাগত ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰা বিতু ডেকা বৰ্তমান বৰপেটাৰ ন-সত্ৰস্থিত কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ PhD অধ্যয়নৰত গৱেষক ছাত্ৰ। কিছু একান্ত ব্যক্তিগত কাৰণবশত সদৌ অসম ছাত্ৰ সন্থা ত্যাগ কৰা প্ৰতিশ্ৰুতিসম্পন্ন ছাত্ৰ নেতা বিতু ডেকা কবি-লেখক আৰু গায়ক হিচাপেও পৰিচিত। ২০২৪ বৰ্ষত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ডুমডুমা শাখাৰ সাহিত্য বিভাগে শাখাৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত স্নাতকৰ পৰা স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা জয়মতী কোঁৱৰ সোঁৱৰণী প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল প্ৰতিভাৱান ছাত্ৰ নেতা বিতু ডেকা। আনহাতে ২০২৫ বৰ্ষত 'অসম বাৰ্তা' গোষ্ঠীৰ অসম হিতৈষী যুৱ বঁটাৰেও সন্মানিত হৈছিল বিতু ডেকা।

## শোণিতপুৰ আৰক্ষীৰ পৰিকল্পিত অভিযানত আন্তঃৰাজ্যিক সফলতা

# প্ৰেমৰ ছলনাৰে হিন্দু যুৱতীক পলুৱাই নিয়া মুছলমান যুৱকক আটক



**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৭ এপ্ৰিল** ঃ শোণিতপুৰ জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ অধীনস্থ শিঙৰী আৰক্ষীয়ে এক গুৰুত্বপূৰ্ণ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰেমৰ ছলনাৰে এগৰাকী যুৱতীক পলুৱাই নিয়াৰ অভিযোগত অভিযুক্ত যুৱকজনক সুদূৰ মায়ানগৰী মুম্বাইৰ পৰা আটক কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। একে সময়তে আৰক্ষীৰ দলটোৱে যুৱতীগৰাকীকো সুকলমে উদ্ধাৰ কৰি ঘৰলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰে। উল্লেখ্য যে বিগত কিছুদিন পূৰ্বে শিঙৰী আৰক্ষী চকী এলেকাৰ পৰা এগৰাকী হিন্দু যুৱতীক প্ৰেমৰ ফান্দত পেলাই পলুৱাই নিয়াৰ অভিযোগ উত্থাপন হৈছিল মুছলমান যুৱকৰ বিৰুদ্ধে। এই সন্দৰ্ভত যুৱতীগৰাকীৰ পৰিয়ালে শিঙৰী আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছিল। এই এজাহাৰৰ ভিত্তিত শোণিতপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থৰ নিৰ্দেশত আৰক্ষীয়ে তৎপৰতাৰে তদন্ত আৰম্ভ কৰে। ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাস আৰু শিঙৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চমদন স্বৰ্গীয়াৰীৰ পৰিকল্পনাত শিঙৰী আৰক্ষীয়ে এটা বিশেষ দল গঠন কৰে। এই দলটো এ.এছ.আই দীপক মালাকাৰৰ নেতৃত্বত মুম্বাইলৈ ৰাওনা হয় আৰু তাত গোপন অভিযান চলায়। দীঘলীয়া অনুসন্ধানৰ পিছত অৱশেষত আৰক্ষীয়ে নেকিব আনছাৰী নামৰ অভিযুক্ত মুছলমান যুৱকজনক চিনাক্ত কৰি আটক কৰিবলৈ সক্ষম হয়। লগতে যুৱতীগৰাকীকো সুকলমে উদ্ধাৰ কৰা হয়। শোণিতপুৰ আৰক্ষীৰ এই তৎপৰতা আৰু পৰিকল্পিত অভিযানক স্থানীয় ৰাইজে ব্যাপক প্ৰশংসা কৰিছে। আন্তঃৰাজ্যিক পৰিসৰত এই ধৰণৰ সফল অভিযান শোণিতপুৰ আৰক্ষীৰ দক্ষতা আৰু দায়বদ্ধতাৰ এক উৎকৃষ্ট উদাহৰণ বুলি সচেতন মহলত বিবেচিত হৈছে। বৰ্তমান ঘটনাটোৰ সৈতে জড়িত অধিক তথ্য সংগ্ৰহ আৰু আইনী প্ৰক্ৰিয়া অব্যাহত ৰাখিছে শিঙৰী আৰক্ষীয়ে।

# বিদ্যালয়ৰ চৌহদত পুৱাৰ ভাগৰে পৰা উৎসৱমুখৰ পৰিৱেশ পিএমশ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দিনযোৰাকৈ বসন্ত উৎসৱ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২৭ এপ্ৰিল** ঃ পিএমশ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাকৰিত আজি দিনযোৰা কাৰ্যসূচীৰে "বসন্ত উৎসৱ"ৰ আয়োজন কৰে। পুৱাৰ ভাগৰে পৰা বিদ্যালয়খনৰ চৌহদত এক আনন্দময় আৰু উখল-মাখল পৰিৱেশ দেখিবলৈ পোৱা যায়। বিহুৰ সাজত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলক দেখি সকলোৰে মন প্ৰাণ উথলি উঠে। কাৰ্যসূচী অনুসৰি বিদ্যালয়খনত প্ৰথমতে পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ অনুষ্ঠানৰ আয়োজন কৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক তথা সৰুপথাৰ অঞ্চলৰ বিশিষ্ট ব্যক্তি সূৰ্য গগৈয়ে পতাকা উত্তোলন কৰি শুভাৰম্ভ কৰা "বসন্ত উৎসৱ"টিত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীকে ধৰি সকলো শিক্ষক কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। বসন্ত উৎসৱৰ মজিয়াত সৰুপথাৰ অঞ্চলৰ একালৰ শ্ৰেষ্ঠ ঢুলীয়া, পেপা বাদক আৰু বিহুসম্ৰাগী এইসকল লোকক নিমন্ত্ৰণ কৰি আনি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পৰিচয় কৰাই দি সকলোকে অনুপ্ৰাণিত কৰে। পৰৱৰ্তী সময়ত বিদ্যালয়খনৰ বাকৰিত একাদিক্ৰমে ছাত্ৰ-ছাত্ৰী সকলে হুঁচৰি, জেং বিহু, ঢোল বাদন, পেপা বাদন, বিহুনাম ইত্যাদি পৰিৱেশন কৰি এক উৎসৱমুখৰ পৰিৱেশ গঢ়ি তোলে। ঢোল-পেপাৰ আৰু বিহু নামে বিদ্যালয়খনৰ আকাশ-বতাহ চৌদিশে কেৱল বিহুময় কৰি তোলে। পিএমশ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মিতালী বৰাই জনোৱা মতে ছাত্ৰ-ছাত্ৰী সকলে যাতে আমাৰ সকলোৰে প্ৰাণৰ বাপতি সাহোন বিহুটিক শুদ্ধ ৰূপত ধৰি ৰাখে তথা বিহুৰ অকণমান হলেও সকলোৱে চৰ্চা কৰে তাৰপ্ৰতি লক্ষ্য ৰাখিয়েই প্ৰতিবছৰে বিদ্যালয়খনত এই বসন্ত উৎসৱৰ আয়োজন কৰি আহিছে। অনুষ্ঠানটোত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ লগতে সৰুপথাৰ অঞ্চলৰ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ন-মাটিত চতুৰ্দশ বাৰ্ষিক ভাগৱত পাঠ আৰু গুৰু আসন প্ৰতিষ্ঠা উৎসৱ

**অসম বাৰ্তা, বেৰেজীয়া, ২৭ এপ্ৰিল** ঃ বেৰেজীয়াৰ সমিপৰ ন-মাটি ৰাইজৰ সৌজন্যত ন-মাটি যুৱীয়া নামঘৰ প্ৰাংগনত ১, ২ আৰু ৩ মে'ত তিনিদিনীয়া কাৰ্যসূচীৰে মহাভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ আয়োজন কৰিছে। ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান পৰিচালনা সমিতিৰ সভাপতি হিচাপে নীলকান্ত বৰুৱা, যুটীয়া সম্পাদক ক্ৰমে ৰমেন বৰুৱা আৰু পূৰ্ণানন্দ ডেকা, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল ডেকাই জনোৱা মতে প্ৰথম দিনা গুৰু আসন প্ৰতিষ্ঠা হোৱাৰ পিছতে দুপৰীয়া নাম প্ৰসংগ আৰু তাৰ পিছৰ পৰাই তিনিদিনীয়া অবিৰত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান চলি থাকিব। ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান সামৰণিৰ পিছত ৬ মে'ৰ দিনা সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হব। সদৌ অসম ভিত্তিত অনুষ্ঠিত হবলগা দিহানাম প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ ক্ৰমে প্ৰথম ৩০০১ টকা, দ্বিতীয় ২০০১ টকা, তৃতীয় ১৫০১ টকা, চতুৰ্থ ১১০১ টকা, পঞ্চম ৮০১ টকা, ষষ্ঠ ৬০১ টকা আৰু সপ্তম ৫০১ টকা। ইয়াৰোপৰি শ্ৰেষ্ঠ নেগেৰা বাদক, শ্ৰেষ্ঠ খোল বাদক, শ্ৰেষ্ঠ তাল বাদকৰ পুৰস্কাৰৰ লগতে তিনিটা নিচুকনি বঁটা প্ৰদান কৰিব। প্ৰতিযোগিতাৰ ভৰ্ত্তি মাছুল ৫০ টকা। অঞ্চলৰ সমূহ ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তা সমিতিয়ে।

## মুখপত্ৰৰ লগতে দুখনকৈ গ্ৰন্থ উন্মোচন

# চামতাত নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, চামতা, ২৭ এপ্ৰিল** ঃনলবাৰী জিলাৰ চামতাৰ কুলবিল ঘাট ৰাজহুৱা শিৱালয়ৰ "হৰ গৌৰী" বিবাহ ভৱনত পশ্চিম নলবাৰী আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ষষ্ঠ দ্বি-বাৰ্ষিক চামতা অধিৱেশন সম্পন্ন হয়। ৰাতিপুৱা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ৭জন জ্যেষ্ঠ নাগৰিকে ৭খন পতাকা উত্তোলন কৰাৰ পিছত শ্বহীদ বেদীত বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ, গছ পুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ হয়। ইয়াৰ পিছত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ভাৰপ্ৰাপ্ত সভাপতি দক্ষৰাম বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আগন্তুক কাৰ্যকালৰ বাবে দক্ষৰাম বৰ্মনক সভাপতি, কেশৱ চন্দ্ৰ ডেকাক কাৰ্যকৰী সভাপতি, মোহন চন্দ্ৰ বৈশ্য, ভৱেন্দ্ৰ নাথ শৰ্মা, পৰমা তালুকদাৰ আৰু দিলীপ কলিতাক উপ সভাপতি, প্ৰিয় নাথ বৰ্মনক সাধাৰণ সম্পাদক, পৰেশ কলিতা, অজিত মহন্ত, অৰবিন্দ মেধি আৰু দীনেশ তালুকদাৰক সহকাৰী সম্পাদক, সমীন্দ্ৰ মহন্ত, গোবিন্দ চন্দ্ৰ ভাগৱতী আৰু কল্প ডেকাক সাংগঠনিক সম্পাদক আৰু বিনন্দ হাজৰিকাক বিত্ত সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰি আগন্তুক দিনত জ্যেষ্ঠ নাগৰিক সকলৰ অভাৱ অভিযোগ, বিভিন্ন সমস্যা সন্দৰ্ভত অনাগত দিনত চৰকাৰৰ ওচৰত দাবী জনাব বুলি মন্তব্য কৰে। ইয়াৰ পিছত আৱেলি মুকলি অধিৱেশন অনুষ্ঠিত হয়। নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ভাৰপ্ৰাপ্ত সভাপতি দক্ষৰাম বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত মুকলি অধিৱেশনত মুখপত্ৰ, "প্ৰবীনম্" উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° মুকুল চক্ৰৱৰ্তীয়ে। লগতে দিবাকৰ তালুকদাৰৰ ৰচিত গ্ৰন্থ "ধৰ্ম আৰু সংস্কাৰ" উন্মোচন কৰে স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ স্বাস্থ্য বিষয়া ডাঃ গুণাভিৰাম শৰ্মাই আৰু কৰুণা কান্ত হালৈ ৰচিত গ্ৰন্থ "বিন্দুৰ পৰা সিন্ধুলৈ" উন্মোচন কৰে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া বিচিত্ৰ মজুমদাৰে। মুকলি অধিৱেশনত ভোজকুছিৰ সনাতন বৰ্মন, চামতাৰ কবিচৰণ মজুমদাৰ আৰু প্ৰয়াত ৰবীন্দ্ৰ চৌধুৰীক (মৰোণোত্তৰভাৱে )সম্বৰ্ধনা জনোৱা হয়। মুকলি অধিৱেশনত পৰ্যপেক্ষক হিচাপে ডাঃ প্ৰিয় কান্ত গোস্বামী উপস্থিত থকাৰ লগতে জ্যেষ্ঠ নাগৰিক সকলৰ লগতে জিলাখনৰ ৩২খন আঞ্চলিকৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ শাখা সমিতিৰ বিষয় ববীয়া সকল উপস্থিত থাকে।

# ছমৰীয়াৰ জাহিৰপুৰ, চৌধুৰীপামত ভয়ংকৰ পথ দুৰ্ঘটনা

## বৃদ্ধসহ নিহত ২, আহত ১

**অসম বাৰ্তা, গবৈৰমাৰী, ২৭ এপ্ৰিল** ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গবৈৰমাৰীৰ জাহিৰপুৰ আৰু চৌধুৰীপামত আজি পুৱা পৃথকে হোৱা পথ দুৰ্ঘটনাত এগৰাকী বৃদ্ধসহ দুগৰাকী লোক নিহত হোৱাৰ লগতে আন এজন বৃদ্ধ গুৰুতৰভাৱে আহত হয়। জানিব পৰামতে আজি পুৱাৰ ভাগত গবৈৰমাৰীৰ জাহিৰপুৰৰ পকী ই এণ্ড ডি মথাউৰিত ঘৰৰ পৰা খোজকাঢ়ি গৈ থকা অৱস্থাত সন্মুখৰ পৰা অহা তীব্ৰবেগী শুকান চু পাৰিভৰ্তি এ এছ-০১পিচি-৮৫৪৮ নম্বৰৰ ডি আই গাড়ীখনে পথচাৰী বৃদ্ধ দুগৰাকীক খুন্দা মাৰে। ফলত মেৰগাওা গাঁৱৰ কালু সেখৰ পুত্ৰ নূৰ মহম্মদ আলী (৭৬)ৰ থিতাতে মৃত্যু হয়। ইপিনে উক্ত দুৰ্ঘটনাত একেগাঁৱৰে আব্দুল সেখৰ পুত্ৰ নূৰ মহম্মদ আলী (৬৫) গুৰুতৰভাৱে আহত হয়। আহত লোকজনক ততাতৈয়াকৈ গবৈৰমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও বৃদ্ধগৰাকীক উন্নত চিকিৎসাৰ বাবে চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। নিহত লোকজনক মৰোণত্তৰ পৰীক্ষাৰ বাবে গবৈৰমাৰী আৰক্ষীয়ে জি এম চি এইচলৈ প্ৰেৰণ কৰিছে। ইপিনে দুৰ্ঘটনা সংঘটিত কৰি গাড়ী চালকজন ঘটনাস্থলীৰ পৰা পলায়ন কৰাৰ লগতে দুৰ্ঘটনাগ্ৰস্ত বাহনখন গবৈৰমাৰী আৰক্ষীয়ে জব্দ কৰিছে। মৃত্যুৰ সময়ত বৃদ্ধগৰাকীয়ে পত্নী, দুগৰাকী পুত্ৰ আৰু তিনিজনী কন্যা সন্তানৰ লগতে বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। আনহাতে জোৰশিমুলীৰ চৌধুৰীপামতো আজি পুৱা সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত যুৱক এগৰাকীৰ মৃত্যু হয়। জানিব পৰামতে জোৰশিমুলীৰ চৌধুৰীপামত আজি পুৱা এ এছ-০১টি চি-৬৯৭৬নম্বৰৰ মালবাহী ট্ৰাক আৰু নম্বৰবিহীন মটৰ চাইকেলৰ মাজত মুখামুখি সংঘৰ্ষৰ ফলত কিচমত কাঠমী গাঁৱৰ জুলহাস আলীৰ পুত্ৰ ছহিদুল ইছলাম (১৮) গুৰুতৰভাৱে আহত হয়। আহত মটৰ চাইকেল আৰোহী ছহিদুল ইছলামক গবৈৰমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও চিকিৎসকে প্ৰাথমিক চিকিৎসাৰ অন্তত সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে যদিও গুৱাহাটীলৈ নিয়াৰ পথত যুৱক শ্বহিদুল ইছলামৰ মৃত্যু হয়। ছহিদুল ইছলামৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# মাজুলীৰ যুৱ কবি, লেখক ৰাজু কলিতালৈ সাহিত্য অঙ্কুৰণ সন্মান ২০২৬

**অসম বাৰ্তা, উজনী মাজুলী, ২৭ এপ্ৰিল** ঃমাজুলীৰ ভলুকাগুৰি গাঁৱৰ ৰাজু কলিতালৈ 'স্ৰোতস্বিনীৰ তৰংগত সাহিত্য আৰু সংস্কৃতিৰ স্নেহবন্ধন মঞ্চ'ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে সাহিত্য অঙ্কুৰণ সন্মান-২০২৬ আগবঢ়ায়। নগাঁও প্ৰেছ ক্লাবত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত যুৱ কবি গৰাকীক সাহিত্য অঙ্কুৰণ সন্মান-২০২৬ সন্মানটি প্ৰদান কৰে। পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা অনুষ্ঠানটিত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা কেইবাগৰাকীও নিমন্ত্ৰিত অতিথি উপস্থিত থাকে। অনুষ্ঠানটিত কেইবাখনো পুথি উন্মোচন হোৱাৰ লগতে গীত-নৃত্যৰে এক জীপাল পৰিৱেশ হৈ পৰে। উল্লেখযোগ্য যে, ৰাজু কলিতাই বিভিন্ন কাকত, আলোচনীত লেখা প্ৰকাশ কৰি অহাৰ সমান্তৰালকৈ অসমৰ সাহিত্য, সংস্কৃতিৰ লগত জড়িত হৈ থকা প্ৰায় সংখ্যক সাহিত্য চৰ্চাৰ গোটৰ সক্ৰিয় সদস্য হিচাপে অন্তৰ্ভুক্ত হৈআছে। ৰাজু কলিতালৈ সাহিত্য অঙ্কুৰণ সন্মান ঘোষণা কৰাৰ লগে লগে মাজুলী জিলা কবি সন্মিলনকে ধৰি মাজুলীৰ তথা অসমৰ বিভিন্ন দল সংগঠন আৰু কেইবাখনো সাহিত্য মঞ্চই তেওঁক শুভেচ্ছা জ্ঞাপন কৰে।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২৬ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা বকোৰ ২৮ নং উত্তৰ বকো গাঁও পঞ্চায়তৰ পদক্ষেপ

**অসম বাৰ্তা, বকো, ২৭ এপ্ৰিল** ঃ কামৰূপ জিলাৰ বকো উন্নয়ন খণ্ডৰ অন্তৰ্গত ২৮ নং উত্তৰ বকো গাঁও পঞ্চায়তখনে লৈছে সুন্দৰ পদক্ষেপ। ২৮ নং উত্তৰ বকো গাঁও পঞ্চায়তখনৰ ১০টা ৱাৰ্ডৰ প্ৰত্যেকখন গাঁৱৰ সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিভিন্ন বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২৬ গৰাকী কৃতি ছাত্ৰ ছাত্ৰীক ২৮ নং উত্তৰ বকো গাঁও পঞ্চায়তখনৰ প্ৰেক্ষাগৃহত কেইবাখনৰ বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, অৱসৰপ্ৰাপ্ত শিক্ষক, গাঁৱৰ জ্যেষ্ঠৰ লগতে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ উপস্থিতিত আনুষ্ঠানিকভাৱে ফুলাম গামোচাৰে সম্বৰ্ধনা আৰু মানপত্ৰৰ লগতে একোখনকৈ দায়েৰী, কলমেৰে সন্মান জনোৱা হয়। উদ্দেশ্য ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক জীৱনত আগবাঢ়ি যোৱাৰ হেতুকে উৎসাহিত কৰা আৰু অনুপ্ৰেৰণা যোগোৱাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হয় বুলি জানিবলৈ দিয়ে পঞ্চায়তখনৰ সভাপতি দুলাল কুমাৰ ৰাণাই।

## সম্পাদকীয়

# কৃত্ৰিম বানৰ উদ্বেগ

চ'ত মাহৰ শেষৰ পৰা অহা অবিৰত বৰষুণে অসমৰ প্ৰখৰ গৰমক যেন হৰণ কৰি পেলালে। ব'হাগ মাহৰ শেষ ফালে আহিও ৰাজ্যত গৰমৰ প্ৰকোপ ভালদৰে অনুভৱ নোহোৱা বিৰল ঘটনা। সচৰাচৰ এই সময়ত অসমজুৰি প্ৰচণ্ড তাপপ্ৰবাহ আৰু উষ্ণতাই জীৱন দুষ্কৰ কৰি তোলা স্বাভাৱিক। কিন্তু বৰ্তমান বতৰৰ চিত্ৰ সম্পূৰ্ণ বিপৰীত। চ'তৰ শেষৰ পৰা ধাৰাসাৰে বৰষুণ হৈ থকাৰ ফলত তাপমাত্ৰা বহু পৰিমাণে তললৈ নামি আহিছে। অসমৰ বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই পূৰ্বানুমান প্ৰকাশ কৰি উল্লেখ কৰিছে যে ৰাজ্যৰ লগতে উত্তৰ-পূবৰ অন্যান্য ৰাজ্য যেনে মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাৰ বহু ঠাইত পাতলীয়াৰ পৰা মধ্যমীয়া বৰষুণ হ'ব। মিজোৰামৰ কেইবাখনো জিলাত পাতলীয়া বৰষুণ আৰু তাপমাত্ৰাৰ কিছু সালসলনি হোৱাৰ সম্ভাৱনাও ব্যক্ত কৰা হৈছে। লগতে এইবোৰ ৰাজ্যত বজ্ৰপাত আৰু ধুমুহা অহাৰ আশংকা কৰা হৈছে।

এই অনুকূল বতৰে যেন আমি যাতে গৰমৰ অস্বস্তিৰ পৰা ৰক্ষা পাওঁ তাৰেই ব্যৱস্থা কৰিছে। কিন্তু প্ৰশ্ন হৈছে- অতি বৰষুণৰ ফলত দৈনন্দিন জীৱন কিমান বিপৰ্যয়ৰ সন্মুখীন হৈছে? প্ৰকৃত কাৰণটো হৈছে— মাজে মাজে অতি বেছি পৰিমাণৰ বৰষুণ হোৱাত নদ-নদীৰ পানীৰ স্তৰ হঠাতে বৃদ্ধি পাই কৃত্ৰিম বানৰ দৰে সমস্যা দেখা দিছে। যি ঠাইত সচৰাচৰ বান নাথাকে, তাতো পানী জমি ৰাস্তা-ঘাট, কৃষিভূমি আৰু বসতি অঞ্চল লণ্ডভণ্ড কৰিছে। ৰাজধানী গুৱাহাটী মহানগৰী আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে ধাৰাসাৰ বৰষুণে নিম্নাঞ্চলত পানী জমা কৰি যাতায়াত ব্যৱস্থা বিঘ্নিত কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই এই সময়ছোৱাত গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা ২৯ ডিগ্ৰী চেলচিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী চেলচিয়াছ হ'ব বুলি অনুমান কৰিছে। আনহাতে, ডিব্ৰুগড়ত সৰ্বোচ্চ ২৬.৬ ডিগ্ৰী, সৰ্বনিম্ন ১৯.৪ ডিগ্ৰী; তেজপুৰত সৰ্বোচ্চ ২৭.৬ ডিগ্ৰী, সৰ্বনিম্ন ২০.০ ডিগ্ৰী; শিলচৰত সৰ্বোচ্চ ২৮.৮ ডিগ্ৰী, সৰ্বনিম্ন ২০.৪ ডিগ্ৰী; যোৰহাটত সৰ্বোচ্চ ২৬.০ ডিগ্ৰী, সৰ্বনিম্ন ১৮.৩ ডিগ্ৰী; আৰু লখিমপুৰত সৰ্বোচ্চ ২৮.৪ ডিগ্ৰী, সৰ্বনিম্ন ১৮.৮ ডিগ্ৰী চেলচিয়াছ হোৱাৰ সম্ভাৱনা আছে। এই তথ্যই স্পষ্ট কৰে যে ৰাজ্যখনৰ উষ্ণতা স্বাভাৱিকতকৈ কম।

কৃষিজীৱী অসমত এই বৰষুণে দুয়োফলীয়া প্ৰভাৱ পেলাইছে। এক ফালে, সময়মতে বৰষুণে শালি ধানৰ পুলি ৰোপণ আৰু শাক-পাচলিৰ খেতিৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰিছে। আনফালে, বেছি বৰষুণ আৰু কৃত্ৰিম বানে ঠাইবিশেষে শস্যৰ ক্ষতি কৰাৰ লগতে মাটিৰ উৰ্বৰা শক্তি হ্ৰাস কৰাৰ সম্ভাৱনা আছে। শেহতীয়া সময়ত ৰাজ্যখনত হোৱা বৰষুণে কৃষি আৰু দৈনন্দিন জীৱনত কিছু প্ৰভাৱ পেলাইছে যদিও এতিয়ালৈকে গুৰুতৰ ক্ষতিৰ কোনো খবৰ পোৱা হোৱা নাই। তথাপি সজাগতাৰ কোনো বিকল্প নাই। বতৰ বিজ্ঞান কেন্দ্ৰই ইতিমধ্যে গাজনি-ঢেৰেকণিৰ লগত ধুমুহা আৰু বজ্ৰপাতৰ সময়ত নিৰাপদ স্থানত আশ্ৰয় ল'বলৈ জনসাধাৰণলৈ পৰামৰ্শ আগবঢ়াইছে। বজ্ৰপাতৰ ঘটনা উত্তৰ-পূবত বৰ্দ্ধিত হোৱা বাবে এনে সচেতনতা অতি প্ৰয়োজনীয়।

প্ৰশ্ন হৈছে, এই অস্বাভাৱিক বতৰৰ কাৰণ কি? জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱে যে আমাৰ অঞ্চলৰ ঋতুচক্ৰত অনিয়ম আনিছে, তাত আৰু সন্দেহ নাথাকে। পূৰ্বতে ব'হাগ মাহৰ শেষত যি প্ৰচণ্ড খৰাং আৰু গৰম অনুভৱ কৰা গৈছিল, আজি তাৰ পৰিৱৰ্তে অবিৰল বৰষুণ। ইয়াৰ লগতে মাজে মাজে প্ৰবল বৰষুণে পানীৰ নিষ্কাষণ ব্যৱস্থা ফলপ্ৰসূ কৰিব নোৱাৰি কৃত্ৰিম বানৰ সৃষ্টি কৰে। নগৰীয়া অঞ্চলত অনিয়ন্ত্ৰিত নিৰ্মাণ, নলা-নৰ্দমা বন্ধ হৈ যোৱা আৰু পৰ্যাপ্ত ড্ৰেইনেজ ব্যৱস্থাৰ অভাৱে পৰিস্থিতি অধিক জটিল কৰি তোলে। গুৱাহাটীৰ বিভিন্ন অঞ্চলত নামমাত্ৰ বৰষুণতে দেখা দিয়া পানী জমাৰ সমস্যা ইয়াৰে উদাহৰণ।

গতিকে, এই সময়ছোৱাত প্ৰয়োজন ৰাজ্যৰ প্ৰশাসন আৰু জনসাধাৰণৰ সুসমন্বিত প্ৰচেষ্টা। বতৰ বিজ্ঞান কেন্দ্ৰই সময়মতে পূৰ্বানুমান প্ৰকাশ কৰি আছে, আৰু জনতাই সেই সতৰ্কবাণী গুৰুত্ব সহকাৰে লোৱা উচিত। লগতে নগৰীয়া আন্তঃগাঁথনিৰ উন্নতি, পানী নিষ্কাষণ ব্যৱস্থা শক্তিশালী কৰা আৰু অতি বৰষুণৰ সময়ত নিম্নাঞ্চল বাসীৰ বাবে পূৰ্ব প্ৰস্তুতি ৰখা জৰুৰী। কৃষকসকলেও নিজ নিজ খেতিত বেছি পানী নিবদ্ধ নহওক তাৰ ব্যৱস্থা কৰিব লাগে। শেষত, জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে সমূহীয়া প্ৰয়াসৰ অংশ হিচাপে আমাৰ ব্যক্তিগত আৰু সামূহিক অভ্যাস সলনি কৰাৰ সময় আহি পাইছে।

তথাপি, বৰ্তমানলৈকে ৰাজ্যখন প্ৰকৃত দুৰ্যোগৰ পৰা ৰক্ষা পৰিছে বুলি ক'ব পাৰি। কেৱল সজাগতা আৰু সময়োচিত ব্যৱস্থাৰ যোগেদিয়েই আমি এই বতৰীয়া অনিয়মৰ সৈতে মোকাবিলা কৰিব পাৰিম। বতৰ বিজ্ঞান কেন্দ্ৰই পৰৱৰ্তী পূৰ্বানুমান সময়মতে প্ৰকাশ কৰিব বুলি জনাইছে — আমি সেয়া অনুসৰণ কৰি নিৰাপদ আৰু সক্ৰিয় হৈ থকা উচিত।




# জুবিন গাৰ্গ বনাম অনা অসমীয়া ব্যৱসায়ী

গৌতম মেচ

জুবিন গাৰ্গক লৈ ব্যৱসায় কিয় একাংশ অনা-অসমীয়াৰ। জুবিন নামৰ সত্ত্বাটোক কিয় ব্যৱহাৰ কৰিছে একাংশ অনা-অসমীয়া ব্যৱসায়ীয়ে, বিষয়টোৱে কিন্তু এতিয়া চিন্তিত কৰিছে সচেতন মহলক। মৃত্যুৰ পূৰ্বেও আপোনভোলা মানুহজনক নিজৰ ধন ঘটাৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছিল কিছু অনা-অসমীয়াই আৰু মৃত্যুৰ পাছতো হাৰ্টথ্ৰবগৰাকীক লৈ ব্যৱসায় কৰিবলৈ এৰা নাই এতিয়া একাংশই। ইমান বছৰ ধৰি ব'হাগ মানেই আছিল জুবিন দাৰ কণ্ঠ। জুবিন গাৰ্গৰ সুৰ, তেওঁৰ গানৰ মাজত থকা সেই বিশেষ অনুভৱবোৰে, যিয়ে অসম আৰু অসমীয়াৰ স্বাভিমানৰ উৎসৱবোৰক আৰু অধিক প্ৰাণৱন্ত কৰি তুলিছিল।

কুলি, কেতেকীৰ শুৱলা মাতত, গছ বিৰিখৰ কুমলীয়া পাতত আৰু জুবিন গাৰ্গৰ কণ্ঠত প্ৰাণ পাই উঠা সেই সুমধুৰ গীতই বহাগ অহাৰ জাননী দিছিল প্ৰতিগৰাকী অসমীয়াক, কিন্তু এইবেলি যেন সেই ছবিখন অলপ সলনি হৈছে, এইবেলি জুবিন দা নিজে মঞ্চত নাই, কিন্তু তেওঁৰ স্মৃতিত উঠি অহা উদীয়মান কণ্ঠশিল্পীয়ে তেওঁৰ গীত মঞ্চত পৰিৱেশনৰ জৰিয়তে ব'হাগক আগুৱাই লৈ গৈছে। হয়, জুবিন দা আজি হয়তো আমাৰ মাজত নাই, কিন্তু তেওঁৰ গীত, তেওঁৰ কণ্ঠ, তেওঁৰ আত্মা—এইবোৰে এতিয়াও ব'হাগক জীয়াই ৰাখিছে। দৰাচলতে এগৰাকী শিল্পীয়ে নিজৰ সৃষ্টিৰে মানুহৰ হৃদয়ত ইমান গভীৰ ঠাই বনোৱাটো ইমান সহজ নহয় যদিও জুবিন দা কেৱল এজন শিল্পী নহয়, তেওঁ এটা অনুভৱ, এটা যুগ, আৰু অসমীয়াৰ প্ৰাণৰ ব'হাগৰ এটা অবিচ্ছেদ্য অংশ।

এইবেলি ব'হাগত তেওঁ নাথাকিলেও, তেওঁৰ উপস্থিতি আমি প্ৰতিটো সুৰত অনুভৱ কৰিছোঁ কিন্তু শেহতীয়াকৈ এগৰাকী বঙ্গ কণ্যা তথা অসমৰ বোৱাৰী মৰ্মিতা মিত্ৰ নামৰ এগৰাকী তথাকথিত গায়িকাই অসমৰ বিহু মঞ্চ দখল কৰি সহজে ধন ঘটাৰ বাবে হাৰ্টথ্ৰবগৰাকীৰ কালজয়ী গীতৰ সুৰ সলনি কৰি মঞ্চত পৰিৱেশন কৰিছে তাকে লৈ এতিয়া সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।



জনতাৰ টকাৰ সিংহ ভাগ মন্ত্ৰী- বিধায়কৰ দৰমহা, যান বাহনৰ তেলৰ খৰচ, চিকিৎসা খৰচৰ উপৰিওজন প্ৰতিনিধিৰ আজীৱন পেঞ্চনত বিলাওতে যায়। আকৌ, শতাংশৰ শ্ৰী বৃদ্ধিয়ে জনসাধাৰণৰ পিঠিত মাধ মাৰ বহোৰ পৰিকল্পনা যেন হে লাগে। ইয়াৰ মাজতেও প্ৰশ্ন থাকে - সুষমা স্বৰাজ বা ৰেখা গুপ্তাৰ বাবে সংৰক্ষিত কোটা আছিল নেকি? প্ৰতিভা পাটিল, শীলা দীক্ষিত, উমা ভাৰতী বা স্মৃতি ইৰানী আদিৰ দৰে মহিলাক কাম কৰাত কোনো আৰক্ষণৰ প্ৰয়োজন হোৱা নাছিল। অৱশ্যে ইন্দিৰা গান্ধীক কংগ্ৰেছ দলৰ নেতাৰ দ্বাৰা জৱাহৰলাল নেহেৰু বা লাল বাহাদুৰ শাস্ত্ৰীৰ স্থলাভিষিক্ত কৰা হৈছে। ইয়াৰ অৰ্থ এইটো যে প্ৰকৃত প্ৰতিভা বিকাশৰ বাবে সংৰক্ষণৰ কোনো প্ৰয়োজন নাই। আজি দেশৰ সুৰক্ষা ব্যৱস্থাত মহিলা নিয়োজিত হৈছে। যুদ্ধ জাহাজৰ পাইলট হৈছে। মহাকাশত বিচৰণ কৰিবলৈ সক্ষম হৈছে। শিক্ষাৰ ক্ষেত্ৰত মহিলা সমান। ন্যায়ালয়ৰ কাৰ্য্যত মহিলা সমান। সামাজিক ভাবে মহিলাৰ অধিকাৰ সমান।

# নাৰী শক্তি বন্দন অধিনিয়ম ঃ নাৰীৰ পৰাজয়

ড° আৰ কে বেজবৰুৱা

১৯৪৬ চনত ৯ ডিচেম্বৰত ড° সচ্চিদানন্দ সিনহাৰ সভাপতিত্ব বহা সংবিধানৰ খচৰা প্ৰস্তুত কৰা সমিতিখনৰ সভাত মহিলা সদস্য আছিল একমাত্ৰ সৰোজিনী নাইডু। সংবিধানৰ খচৰা প্ৰস্তুত কালত এই কথাত বিশেষ গুৰুত্ব প্ৰদান কৰা হোৱা নাছিল যে ভাৰতৰ পৰৱৰ্তী শাসন ব্যৱস্থাত সাংসদ হিচাপে মহিলা সদস্য নিৰ্বাচিত কৰা হ'ব নে নহ'ব। তথাপিয়ো এনী মাস্কাৰেণ (Annie Mascarene) নামৰ মহিলা এগৰাকী ক'চিনৰ পৰা ১৯৫২ চনত সংসদলৈ নিৰ্বাচিত হৈছিল। তেৱেঁই আছিল ভাৰতীয় সংসদত প্ৰথম মহিলা সাংসদ। সংসদলৈ মহিলাৰ আগমন সাধাৰণ নিৰ্বাচন প্ৰক্ৰিয়াৰে মাজেৰে হৈছিল, যি স্বাধীনতা আন্দোলনৰ অংশীদাৰ আছিল নাইবা বিশাল ব্যক্তিত্বৰ গৰাকী আছিল। এনী মাস্কাৰেণ আছিল এগৰাকী স্বাধীনতা সংগ্ৰামী, ৰাজনৈতিক নেত্ৰী আৰু আইনজ্ঞা।

কিন্তু মহিলাৰ বাবে আসন সংৰক্ষণৰ কথাটো উত্থাপিত হৈছিল কিন্তু ১৯৯৬ চনৰ ১২ ছেপ্তেম্বৰত, ১১ তম্ লোকভাৰ এইচ্ ডি দেবেগ'ৰা চৰকাৰৰ সংবিধানৰ ৮১ তম্ সংশোধনৰ জৰিয়তে। মহিলাৰ বাবে লোকসভাত আসন সংৰক্ষণৰ কথাটো উঠিছিল এই বাবেই যে দেশ শাসনৰ ক্ষেত্ৰত পুৰুষে বহুতো বিষয়ত মহিলাৰ প্ৰতি বৈষম্য দেখুৱায়। যদিহে লোকসভাত মহিলা সদস্যৰ সংখ্যা বেছি হয়, তেন্তে এই বৈষম্য সহজতে দূৰীকৰণ কৰা সম্ভৱ হ'ব। ১৯৮৭-৯৮ চনতো প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। কিন্তু বিভিন্ন দলৰ সহমত অবিহনে কথাটো তল পৰি থাকিল। তেতিয়া বিলখনৰ সপক্ষে বিপক্ষে বিভিন্ন যুক্তি-তৰ্ক হৈছিল। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী - মোলায়েম সিং যাদৱে বিলখন উত্থাপন কৰিবই নালাগে বুলি যুক্তি দৰ্শাইছিল।

অৱশেষত, 'নাৰী শক্তি বন্দন অধিনিয়ম' বা Constitution 108 th Amendment Bill of 2008' নাইবা 'Women's Reservation Bill, 2023' ২০২৩ চনৰ ১৯ ছেপ্টেম্বৰত লোক সভাৰ বিশেষ অধিবেশনত উত্থাপন কৰা হৈছিল আৰু ২০ চেপ্তেম্বৰত ৪৫৪টা ভোটৰ সমৰ্থন লাভ কৰিছিল। তাৰ বিৰুদ্ধে ভোট পৰিছিল মাত্ৰ ২ টা। পুনৰ ২১ ছেপ্টেম্বৰত ৰাজ্যসভাত ২১৪ ভোটৰ সমৰ্থন লাভ কৰাৰ পিছত ২৮ চেপ্তেম্বৰত ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ দ্বাৰা গৃহীত হৈছিল। এই আইনৰ সুফল হৈছে লোক সভা আৰু বিধান সভাৰ আসনৰ ৩৩ শতাংশ মহিলা প্ৰতিনিধিৰ বাবে সংৰক্ষণ নিশ্চিত হোৱা। বিগত ২৭ বছৰে ৰাজনৈতিক দলবোৰৰ বিভিন্ন বিতৰ্ক আৰু বিৰোধৰ বাবে বিলখন আইনত পৰিণত হোৱা নাছিল। কিন্তু একক বিজয়েৰে লোক সভাত আধিপত্য বিস্তাৰ কৰা বিজেপি দলৰ চৰকাৰে বিলখন আইনত ৰূপান্তৰিত কৰিলে। অৱশ্যে এই আইন প্ৰৱৰ্তন কৰা হ'ব ২০২৬ চনত। তাৰ পৰৱৰ্তী ১৫ বছৰৰ বাবে মহিলাৰ ৩৩ শতাংশ সংৰক্ষণ বা কোটা ব্যৱস্থা চলি থাকিব। প্ৰয়োজন সাপেক্ষে পুনৰ তাৰ সময় বৰ্দ্ধিত বা সংশোধন কৰা হ'ব। তাৰ লগতে অনুসূচীত জাতি-জনজাতিৰ বাবে আসন সংৰক্ষণ কৰাৰ কথাও বিবেচিত হ'ব।

নাৰীৰ মৰ্য্যদা উন্নত কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত পৃথিৱীৰ বিভিন্ন দেশত বিভিন্ন সময়ত বিস্তৃত পদক্ষেপ গ্ৰহণ কৰা হৈছিল আৰু সেই প্ৰক্ৰিয়া চলি আছে। ওঁঠৰ আৰু উনৈশ শতিকাত বৃটেইনত শিল্প বিপ্লৱ আৰম্ভ হৈছিল। মহিলাসকলো এই বিপ্লৱৰ অংশীদাৰ আছিল। উদ্যোগসমূহৰ পুৰুষ শ্ৰমিকসকলে তেতিয়া 'ট্ৰেড গিল্ড' নামৰ সংগঠন এটাৰ জন্ম দিছিল, যিটো পৰৱৰ্তী কালত সেয়া 'ট্ৰেড ইউনিয়ন' নামে জনাজাত হৈছিল। এই ট্ৰেড গীল্ডে কাম কৰাৰ পৰিৱেশ উন্নত কৰাত গুৰুত্ব দিয়াৰ লগতে নাৰী কেন্দ্ৰীক পৰিৱেশসমূহ অধিক উন্নতি সাধন কৰাত প্ৰাধান্য দিছিল। ইতিমধ্যে প্ৰথম মহাসমৰে বিশ্বৰ উদ্যোগত সমূহক অচল কৰি দিছিল। সকলো দেশৰ পুৰুষবোৰ যুদ্ধত সৈনিক ৰূপে কাম কৰিবলৈ গুছি যোৱাত উদ্যোবোৰত অচলাৱস্থাৰ সৃষ্টি হৈছিল। সেই সময়ত উদ্যোগসমূহ চলাবলৈ কেৱল মহিলাৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছিল। ফলস্বৰূপে সকলো উদ্যোগ প্ৰধান দেশত মহিলাৰ গুৰুত্ব বৃদ্ধি পাইছিল। এসময়ত মহাসমৰৰ সমাপ্তি ঘটিছিল আৰু পুৰুষ শ্ৰমিকৰ প্ৰত্যাবৰ্তনৰ লগে লগে উদ্যোগসমূহৰ পৰা মহিলাসকল বিতাৰিত হৈছিল। এই পৰিপ্ৰেক্ষিতত ক্ষোভিত মহিলাসকলে এটা আন্দোলন কৰিছিল, যাৰ নাম আছিল 'চাফ্ৰাগেট'। চাফ্ৰাগেট আন্দোলনৰ মূল বক্তব্য আছিল - সম অধিকাৰ। এই আন্দোলনটোৱে মহিলা সশক্তি কৰণৰ এক নতুন দিগন্ত উন্মোচিত কৰে। পুৰুষৰ সহযোগিতা অবিহনেও যে মহিলাই আন্দোলন কৰিব পাৰে, তাক মহিলাই সিদ্ধ কৰি দেখুৱালে।

বৃটেইনত বহুত আগতেই গণতন্ত্ৰ প্ৰতিষ্ঠা হৈছিল। কিন্তু প্ৰকৃত গণতান্ত্ৰিক পদ্ধতি প্ৰৱৰ্তিত হৈছিল ১৯৩০ চনত, যেতিয়া মহিলাসকলে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল। এই ক্ষেত্ৰত ভাৰত আছিল ব্যতিক্ৰম। ভাৰতত ১৯৫০ চনত সংবিধান গৃহীত হোৱাৰ সময়তে মহিলাক ভোটাধিকাৰ প্ৰদান কৰিছিল। মহিলাৰ কোনো অধিকাৰৰ বাবে ভাৰতত আন্দোলন হোৱা নাছিল। মহিলাক ভোটাধিকাৰ প্ৰদান কৰা শেষ দেশ হৈছে কুৱেইট। ১৯৯৮ চনত কুৱেইটত মহিলাক ভোটাধিকাৰ দিয়া হয়।

আনহাতে, ১৯৪৫ চন ২৬ জানুৱাৰীত ৰাষ্ট্ৰসংঘই জাতি, ধৰ্ম, বৰ্ণ আৰু লিংগ নিৰ্বিশেষে সকলো মানুহকে সমানাধিকাৰ প্ৰদানৰ প্ৰতিশ্ৰুতি চনদত গৃহীত কৰিছিল আৰু ইয়াৰ সদস্যৰাষ্ট্ৰ সমূহলৈ কাৰ্যকৰী কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছিল। তাক চোৱা চিতা কৰিবলৈ ৰাষ্ট্ৰসংঘৰ Economic and Social Council ক দায়িত্ব দিয়া হৈছিল। কিন্তু ইয়াৰ পিছতো আন্তৰ্জাতিক পৰ্য্যায়ত অৱস্থাৰ পৰিৱৰ্তন নোহোৱাত ১৯৭৯ চনত ৰাষ্ট্ৰসংঘই 'The Convention for the Elimination of Discrimination Against Women' - নামৰ আচৰণ বিধি প্ৰস্তুত কৰি সদস্যৰাষ্ট্ৰ বোৰক প্ৰবৰ্তন কৰিবলৈ বাধ্য কৰায়। ১৯৭৫ চনৰ ৮ মাৰ্চটোক 'আন্তৰ্জাতিক নাৰী দিৱস' হিচাপেও পালন কৰা হৈছিল। ১৯৭৬ চনৰ পৰা ১৯৮৫ চনলৈকে 'United Nations Decade for Women's Development' হিচাপে পালন কৰা হৈছিল। যা হওক, মহিলা সকলৰ সমমৰ্যাদা আৰু জীৱনৰ মান উন্নত কৰাৰ বাবে বিভিন্ন অনুষ্ঠান আৰু দেশে গ্ৰহণ কৰা কাৰ্য্যসূচীসমূহ প্ৰাসংগিক ভাৱে উল্লেখ নকৰিলে মহিলাৰ সম অধিকাৰ বা ৩৩ক্ষ সংৰক্ষণৰ কথাখিনি বুজাত সুবিধা হ'ব।

**মূল কথাঃ**

ভাৰতত ১৯৬৭ চনত সমাজ কল্যাণ মন্ত্ৰণালয় স্থাপন হৈছিল। ইয়াৰ দ্বাৰা ভাৰতে ৰাষ্ট্ৰসংঘৰ নাৰী সম্পৰ্কীয় সিদ্ধান্তবোৰ কাৰ্য্যকৰী কৰি আহিছে। ১৯৮৬ চনত মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ৰ অধীনত 'নাৰী আৰু শিশু কল্যাণ বিভাগ' খুলি তেতিয়াৰে পৰাই নাৰী আৰু শিশুৰ সৰ্বাঙ্গীণ উন্নতি সাধন কৰিবলৈ নিৰন্তৰ প্ৰয়াস চলাই আহিছে।

১৯৯৬ চনত ভাৰতীয় জনতা পাৰ্টীৰ নিৰ্বাচনী ইস্তাহাৰত মহিলাৰ বাবে বিধান সভা আৰু সংসদীয় নিৰ্বাচনত এক তৃতীয়াংশ মহিলাৰ বাবে সংৰক্ষিত কৰাৰ কথা উল্লেখ কৰিছিল। সেই মতে 'Women's Reservation Bill' - সংসদত উত্থাপন কৰিছিল। কিন্তু UPA চৰকাৰৰ দহবছৰীয়া শাসন কালত বিলখন পাচ কৰিব পৰা নহ'ল। অৱশেষত ২০১০ চনৰ ৯ মাৰ্চত ৰাজ্যসভাত এই বিলখন গৃহীত হয়। বিলখন লোক সভাত গৃহীত হ'বলৈ বহুত সময়লৈকে বাট চাব লগা হ'ল। অৱশ্যে পঞ্চায়ত আৰু স্থানীয় নিৰ্বাচনত মহিলাৰ বাবে ৩০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা বহুত আগতেই হৈ গৈছিল।

এতিয়া কথা হ'ল, এই সংৰক্ষণ ব্যৱস্থাৰ পৰা কোন কিমান লাভান্বিত হ'ব? সাধাৰণ দৃষ্টিত নাৰী এগৰাকী লাভান্বিত হ'ব বেছি। কিন্তু তাৰ অন্তৰ্নিহিত বহুত কথাই জনসাধাৰণৰ চিন্তাই ঢুকি পায় জানো? সেই বাবে কিছু চিন্তা উদ্ৰেক কৰা কথা আগবঢ়োৱা হ'ল-

প্ৰথম হৈছে - সকলো ব্যৱস্থা (System)তেই সংৰক্ষণ এটা হঠকাৰী প্ৰয়োগ, সেয়া মহিলাৰ বাবেই হওক বা পুৰুষৰ বাবেই হওক। কথাটো এনে ধৰণৰ- এজন যোগ্য ব্যক্তি আছিল সমষ্টিটোৰ বাবে। তেওঁক ৰাইজেও বিচাৰে। কিন্তু দুৰ্ভাগ্যক্ৰমে সেই সমষ্টিটো মহিলাৰ বাবে সংৰক্ষিত কৰা হ'ল। ফলত সমষ্টিয়ে উপযুক্ত কাম আৰু সমষ্টিটো বিকাশৰ পৰা বঞ্চিত হ'ব। অৱশ্যে মহিলা গৰাকীয়ে যে কামত অযোগ্যতা প্ৰদৰ্শন কৰিব, সেই কথাও ন দি কোৱা সম্ভৱ নহয়।

দ্বিতীয় হৈছে - ধৰা হ'ল কোনো এটা সমষ্টি মহিলাৰ বাবে সংৰক্ষিত কৰা হ'ল। সেই ঠাইত আগৰ বাৰৰ বিজয়ী পুৰুষ প্ৰাৰ্থী জনে মনোনয়ন দাখিল কৰাৰ পৰা আঁতৰি থাকিব লগা হ'ব। কিন্তু ৰাজনীতিত পৰিপক্ক প্ৰাক্তন পুৰুষ সদস্যজনে তেতিয়া তেওঁ তেওঁৰ পত্নী, পুত্ৰী বা বোৱাৰী, ঘৰৰ কোনো সদস্যক ইলেকচনত থিয় কৰাই দিব। ভাগ্য সুপ্ৰসন্ন হ'লে তেওঁৰ মানুহ জিকিও যাব। তেতিয়া পত্নী, পুত্ৰী বা বোৱাৰীৰ হৈ সেই লোকজনে ক্ষমতাৰ অপব্যৱহাৰ কৰাৰ সম্ভাৱনা খুবেই অধিক। বিহাৰত ইয়াৰ প্ৰকৃষ্ট উদাহৰণ আছে।

তৃতীয় হৈছে - মহিলা হোৱাৰ সুবাদতে যদি ৰাজনীতি আৰু শাসনলৈ নতুন ব্যক্তি আহে, তেন্তে স্বাভাৱিকতে উন্নয়ন লেহেমীয়া বা শূন্য হোৱাৰ সম্ভাৱনা বেছি থাকে।

চতুৰ্থ হৈছে - ৰাজনীতিৰ জকমকাই থকা শক্তি আৰু আভিজাত্যৰ পৃথিৱীখনলৈ বহুতো অত্যুৎসাহী মহিলা আকৰ্ষিত হৈ থাকিব আৰু অন্যান্য সামাজিক কাম-কাজৰ পৰা তেৰোঁলোক আঁতৰি থাকিব।

পঞ্চম হৈছে - ৩৩ শতাংশ অধিক মহিলা শাসন ব্যৱস্থাৰ অন্তৰ্ভূক্ত হ'ল বুলিয়েই দেশৰ ৬৭ মহিলাৰ উন্নতি নিশ্চিত হ'ব নে? যিকোনো সংখ্যাগৰিষ্ঠ দলে শাসন ব্যৱস্থা (system) চম্ভালি লোৱাৰ পিছত সেই ৩৩ শতাংশ মহিলাও ব্যৱস্থাটোৰ সামূহিক লক্ষ্যৰ ফালে গতি লোৱাটো স্বাভাৱিক। মহিলা সদস্যসকলে দলৰ সিদ্ধান্তৰ বিৰুদ্ধাচৰণ কৰা সম্ভৱ নহয় আৰু নকৰেও, নিজৰ স্থিতি হেৰুওৱাৰ ভয়ত। দলটোৰ গতি প্ৰকৃতিৰ মাজত ৩৩ শতাংশ লীন যাব।

ষষ্ঠ হৈছে - জনতাৰ টকাৰ সিংহ ভাগ মন্ত্ৰী- বিধায়কৰ দৰমহা, যান বাহনৰ তেলৰ খৰচ, চিকিৎসা খৰচৰ উপৰিওজন প্ৰতিনিধিৰ আজীৱন পেঞ্চনত বিলাওতে যায়। আকৌ ৩৩ শতাংশৰ শ্ৰী বৃদ্ধিয়ে জনসাধাৰণৰ পিঠিত মাধ মাৰ বহোৰ পৰিকল্পনা যেন হে লাগে। ইয়াৰ মাজতেও প্ৰশ্ন থাকে - সুষমা স্বৰাজ বা ৰেখা গুপ্তাৰ বাবে সংৰক্ষিত কোটা আছিল নেকি? প্ৰতিভা পাটিল, শীলা দীক্ষিত, উমা ভাৰতী বা স্মৃতি ইৰানী আদিৰ দৰে মহিলাক কাম কৰাত কোনো আৰক্ষণৰ প্ৰয়োজন হোৱা নাছিল। অৱশ্যে ইন্দিৰা গান্ধীক কংগ্ৰেছ দলৰ নেতাৰ দ্বাৰা জৱাহৰলাল নেহেৰু বা লাল বাহাদুৰ শাস্ত্ৰীৰ স্থলাভিষিক্ত কৰা হৈছে।

ইয়াৰ অৰ্থ এইটো যে প্ৰকৃত প্ৰতিভা বিকাশৰ বাবে সংৰক্ষণৰ কোনো প্ৰয়োজন নাই। আজি দেশৰ সুৰক্ষা ব্যৱস্থাত মহিলা নিয়োজিত হৈছে। যুদ্ধ জাহাজৰ পাইলট হৈছে। মহাকাশত বিচৰণ কৰিবলৈ সক্ষম হৈছে। শিক্ষাৰ ক্ষেত্ৰত মহিলা সমান। ন্যায়ালয়ৰ কাৰ্য্যত মহিলা সমান। সামাজিক ভাবে মহিলাৰ অধিকাৰ সমান। তেনে ক্ষেত্ৰত সাংসদ বা বিধায়ক হ'বলৈ মহিলাৰ সংৰক্ষণ কিয়? সেয়েহে বহুতে ক'ব খোজে সংসদীয় নিৰ্বাচনত মহিলাৰ বাবে ৩৩ শতাংশ আসনৰ আৰক্ষণ ভোটৰ ৰাজনীতিৰ বাহিৰে আন একো নহয়। স্বাধীনতাৰ ৭৫ বছৰৰ পিছতো কিছুমান অনুন্নত জাতিক যি অৱস্থাত ৰাখিছে, সেই সমূহ লোকক ( SC/ ST/ OBC/MOBC/ইত্যাদি) তাত্বিক ভাবে ভাৰত চৰকাৰে ৭৫ বছৰ পিছতো আগবঢ়াই নি সমভাবে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম নহ'ল। সামাজিক, অৰ্থনৈতিক বা শৈক্ষিক দিশত বিকশিত কৰিবলৈ কোনো চৰকাৰেই ৭৫ বছৰীয়া যাত্ৰাত সফল হ'ব নোৱাৰিলে। তেনেহ'লে লোকসভাৰ আসন সংৰক্ষিত কৰিয়েই মহিলাক শক্তিশালী কৰা সম্ভৱ নে? এই সংৰক্ষণে প্ৰাৰ্থীক সমষ্টিৰ জনতাৰ বাবে কাম কৰাৰ পৰিবৰ্তে দলীয় মুৰব্বীৰ প্ৰতি বেচি অনুগত কৰিব নেকি? দলীয় মুৰব্বীক সন্তুষ্ট কৰাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰাৰ্থী মনোনীত হোৱাৰ সম্ভাৱনা অধিক হ'ব। প্ৰাৰ্থীক স্ব নিৰ্ভৰশীল, স্পষ্টবাদী কৰাৰ পৰিবৰ্তে অধিক পৰমুখাপেক্ষী কৰি তুলিব বুলি বহুতে ক'ব খোজে। বৰ্তমান নাৰীৰ বাবে চৰকাৰে যিবোৰ আঁচনি গ্ৰহণ কৰিছে, সেই সকলোবোৰে নাৰীৰ আৰ্থিক সচ্ছলতা সমতুল কৰি ৰখাত নিশ্চয় সক্ষম হৈছে। তেনে ক্ষেত্ৰত নাৰীৰৰ বাবে ৩৩ শতাংশ আসনৰ সংৰক্ষণ দেখা দেখকৈ নিৰৰ্থক বুলি বহুতে ক'ব খোজে। কিন্তু এই কথাও সত্য যে, চৰকাৰ যি দলৰেই নহওক, সকলো প্ৰকাৰৰ আৰক্ষণ সকলো শ্ৰেণীৰ মানুহৰ প্ৰগতিৰ বাটত এক আমন্ত্ৰণ কৰি অনা সামাজিক অশান্তি হিচাপে পৰিগণিত হ'ব। বহুতো সমাজ বিজ্ঞানীয়ে কৈছে - বৰ্তমান আৰক্ষণ ব্যৱস্থাই ভাৰতীয় সমাজৰ সম বিকাশত আহুকালৰ সৃষ্টি কৰিব।

'নাৰী শক্তি বন্দন অধিনিয়ম' বিলৰ বিৰুদ্ধাচৰণ কৰাত বিৰোধী দল সমূহৰ অসুবিধা কি বুজা নাযায়। কিন্তু সেই কাৰ্য্যই বিপক্ষৰ দল সমূহক নাৰী বিদ্বেষী বুলি প্ৰতিপন্ন কৰাত চৰকাৰী পক্ষক সহায় কৰিব। হয়তো, আন বহুতো কথাত বিজেপি চৰকাৰৰ বিৰোধিতা কৰাৰ দৰেই এইবাৰো বিৰোধী পক্ষই কেৱল বিৰোধ কৰিব লাগে বুলিয়েই বিলখন গৃহীত হ'বলৈ নিদিলে। কিন্তু এই কথাও সত্য যে মোডী চৰকাৰৰ দিনত সম্ভৱ নোহোৱা কামৰ সুফল লাভ কৰিবলৈ জনসাধাৰণে কিমান দিনলৈ অপেক্ষা কৰিব লাগিব, তাৰ কোনো নিশ্চিতি নাই। 'নাৰী শক্তি বন্দন অধিনিয়ম'ৰ সুফল লাভ কৰিবলৈ আৰু ৫ বছৰ ৰখিব লাগিব।

এতিয়া সকলোৰে মনত উঠা একমাত্ৰ প্ৰশ্নটো হৈছে - নাৰীৰ শত্ৰু কোনো? যদিহে জনসংখ্যাৰ ওপৰত ভিত্তি কৰি সমষ্টি নিৰ্ধাৰণ কৰা হয়, তাৰ ওপৰত হে প্ৰস্তাৱিত ৩৩ শতাংশ আসন নিৰ্দিষ্ট কৰা হ'ব। এই ক্ষেত্ৰত এহাতে আসনৰ সংখ্যা বাঢ়িব, আনহাতে পুৰুষৰ ভাগৰ আসনৰো হেৰ ফেৰ নহয়। সেয়া কাৰোবাৰ কথা মতে নহয়, বিৰোধী সকলেও নিম্ন পৰ্যায়ৰ ৰাজনীতি কৰা কথাবোৰ পৰিহাৰ কৰা উচিত। ইয়ে প্ৰমাণ কৰে যে স্বাধীন ভাৰতৰ ৰাজনৈতিক দল-সংগঠনৰ নেতাই কেৱল নিজৰ বাহিৰে আনৰ উন্নতি হোৱাটো সহ্য কৰিব নোৱাৰে।

# ৰাজনৈতিক জৰাগ্ৰস্ততা বনাম প্ৰজন্মান্তৰৰ দায়বদ্ধতা

নাং ময়ূৰী বৰগোহাঞি

সাম্প্ৰতিক অসমৰ নিৰ্বাচনী পটভূমিত যি 'প্ৰাৰ্থিত্ব কেন্দ্ৰিক জটিলতা'ৰ উদ্ভৱ হৈছে, সেয়া কেৱল কোনো এটা নিৰ্দিষ্ট কালখণ্ডৰ ৰাজনৈতিক সংকট নহয়; বৰঞ্চ ই এক গভীৰ 'গাঁথনিগত অৱক্ষয়' আৰু 'ব্যক্তিগত উচ্চাকাংক্ষা বনাম সামূহিক দায়বদ্ধতা'ৰ মাজত চলি থকা এক চিৰন্তন সংঘাতৰ পৰিণতি। ৭০-৭৫ বছৰ উৰ্ধৰ বয়োজ্যেষ্ঠ নেতাসকলৰ মাজত যি নিৰবচ্ছিন্ন ক্ষমতা-ভক্ষণৰ প্ৰবৃত্তি পৰিলক্ষিত হৈছে, সেয়াই আমাৰ গণতান্ত্ৰিক ব্যৱস্থাটোৰ 'চেতনাগত বিৱৰ্তন'ক এক প্ৰকাৰৰ প্ৰত্যাহ্বান জনাইছে।

সাম্প্ৰতিক অসমৰ নিৰ্বাচনী প্ৰেক্ষাপটত প্ৰাৰ্থিত্বক কেন্দ্ৰ কৰি সৃষ্টি হোৱা আৱৰ্তই আমাৰ গণতান্ত্ৰিক যাত্ৰাৰ এক গভীৰ নৈতিক সংকটক উন্মোচিত কৰিছে। ৭০-৭৫ উৰ্ধৰ ৰাজনৈতিক ব্যক্তিসকলৰ প্ৰাৰ্থিত্বৰ প্ৰতি থকা এই দুৰ্নিবাৰ লালসা কেৱল ব্যক্তিগত উচ্চাকাংক্ষাই নহয়, বৰঞ্চ ই এক প্ৰকাৰৰ ৰাজনৈতিক স্থবিৰতাৰ প্ৰতিচ্ছবি। ৰাজনীতিৰ ইতিহাসত 'অভিজ্ঞতা' এক সম্পদ হিচাপে বিবেচিত হয়, কিন্তু যেতিয়া এই অভিজ্ঞতা 'একচেটিয়া দখলদাৰিত্ব'লৈ ৰূপান্তৰিত হয়, তেতিয়া সি সমাজৰ স্বাভাৱিক গতিশীলতাক স্তব্ধ কৰি দিয়ে। সমাজতাত্ত্বিক দৃষ্টিৰে চালে, এইসকল নেতাই আগবঢ়োৱা 'সমাজসেৱা'ৰ যুক্তিটো এক প্ৰকাৰৰ 'বৌদ্ধিক প্ৰতাৰণা' মাত্ৰ। যিহেতু তেওঁলোকৰ বাবে ক্ষমতা এতিয়া কেৱল মাধ্যম নহয়, বৰঞ্চ এক লক্ষ্য। নিৰ্বাচনী টিকটৰ বাবে দল ত্যাগ বা বিদ্ৰোহৰ যি হুংকাৰ, সি তেওঁলোকৰ আদৰ্শগত 'শূন্যতাবাদ'কহে প্ৰতিফলিত কৰে।

যিকোনো জীৱন্ত সমাজৰ ধমনীত নৱ-প্ৰজন্মৰ তেজ আৰু নতুন চিন্তাৰ প্ৰবাহ থকাটো অনিবাৰ্য। কিন্তু যেতিয়া সমাজৰ শীৰ্ষ পৰ্যায়ত এক 'স্থিতাবস্থাবাদী গোট' বিৰাজমান থাকে, তেতিয়া নতুন প্ৰজন্মৰ মাজত এক ধৰণৰ 'ৰাজনৈতিক নিস্পৃহতা' সৃষ্টি হয়। ৰাজনীতি হ'ল এক 'পৰিবৰ্তনশীল ধাৰাবাহিকতা'। কিন্তু নিৱন্ধটোত উল্লেখ কৰা ধৰণে যি 'স্থবিৰতা'ৰ সৃষ্টি হৈছে, সি আমাৰ গণতন্ত্ৰক এক 'ৰাজনৈতিক জৰায়ু লৈ পৰিবৰ্তন কৰিছে। বছৰ বছৰ ধৰি একেখিনি ব্যক্তিয়েই ব্যৱস্থাটোৰ নিয়ন্ত্ৰক হৈ থকাৰ ফলত ৰাজনীতিৰ গুণগত মানদণ্ড নিম্নগামী হৈছে। ইয়াত আদৰ্শৰ ঠাই লৈছে ৰাজনৈতিক দৰদাম আৰু সুবিধাবাদে। এই প্ৰক্ৰিয়াই গণতন্ত্ৰৰ যি উদাৰ চৰিত্ৰ, তাক এক প্ৰকাৰৰ 'আভিজাত্যতন্ত্ৰ'লৈ ৰূপান্তৰিত কৰাৰ দিশে অগ্ৰসৰ হৈছে। সমসাময়িক ৰাজনীতিৰ বাবে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হ'ল এজন নেতাৰ বিদায়ৰ সময় নিৰূপণ কৰাটো। অভিজ্ঞতাক যেতিয়া 'মাৰ্গদৰ্শন' হিচাপে ব্যৱহাৰ কৰা হয়, তেতিয়া সমাজ আগুৱাই যায়; কিন্তু তাক যেতিয়া 'প্ৰতিবন্ধক' হিচাপে ব্যৱহাৰ কৰা হয়, তেতিয়া সমাজ পিছপৰি থাকে। সমাজৰ সচেতন মহলে বুজি উঠা উচিত যে, ৰাজনীতি কেৱল নিৰ্বাচনী সংখ্যাৰ খেল নহয়, ই হ'ল এক সামাজিক দায়বদ্ধতাৰ চুক্তি।

এক গৱেষণাধৰ্মী দৃষ্টিৰে চালে দেখা যায় যে, যিবোৰ ৰাষ্ট্ৰ বা সমাজে সময়োচিতভাৱে নেতৃত্বৰ সালসলনি কৰিব পাৰিছে, সেইবোৰেই অধিক প্ৰগতিশীল। আমাৰ ৰাজনৈতিক সংস্কৃতিত 'অভিজ্ঞতা'ক যিদৰে ক্ষমতা ধৰি ৰখাৰ ঢাল হিচাপে ব্যৱহাৰ কৰা হয়, সেই অভিজ্ঞতাক 'মাৰ্গদৰ্শন' হিচাপেহে ব্যৱহাৰ কৰা উচিত আছিল। অভিজ্ঞ জ্যেষ্ঠ আৰু উদ্যমী কনিষ্ঠৰ মাজত এক সু-সমন্বিত সংযোগ নহ'লে সমাজৰ সামগ্ৰিক উত্তৰণ অসম্ভৱ। সফল গণতন্ত্ৰৰ বাবে প্ৰয়োজন এক চেতনাৰ বিপ্লৱ। ৰাজনীতি কেৱল নিৰ্বাচন জয় কৰাৰ কৌশল নহয়, ই হ'ল সমাজ পৰিৱৰ্তনৰ এক মহান যাত্ৰা। যদিহে আমাৰ বয়োজ্যেষ্ঠ নেতাসকলে এই সত্য উপলব্ধি কৰি নতুন প্ৰজন্মৰ বাবে পথ প্ৰশস্ত নকৰে, তেন্তে আমাৰ ৰাজনৈতিক ইতিহাসত এয়া এক 'স্থবিৰ অধ্যায়' হিচাপে চিহ্নিত হৈ ৰ'ব। সময়ৰ দাবী হ'ল ক্ষমতাৰ মোহ ত্যাগ কৰি ত্যাগ আৰু আদৰ্শৰ নতুন দৃষ্টান্ত স্থাপন কৰা।

সমাজৰ এই সন্ধিক্ষণত এক 'চিন্তাৰ গুণগত পৰিৱৰ্তন' অতি জৰুৰী। বয়োজ্যেষ্ঠসকলৰ অভিজ্ঞতাৰ গাম্ভীৰ্য আৰু যুৱ-প্ৰজন্মৰ দুৰ্বাৰ গতিশীলতাৰ মাজত এক দ্বান্দ্বিক সংশ্লেষণ নহ'লে আমাৰ ৰাজনৈতিক ভৱিষ্যত অন্ধকাৰাচ্ছন্ন। সময়ৰ আহ্বান হ'ল ক্ষমতাৰ মহাবৃত্তৰ পৰা ওলাই আহি ত্যাগ আৰু নৈতিকতাৰ এক নতুন সংজ্ঞা প্ৰদান কৰা, য'ত 'ব্যক্তি'তকৈ 'ব্যৱস্থা' আৰু 'আজি'তকৈ 'কাইলৈ' অধিক গুৰুত্বপূৰ্ণ হ'ব।

# মিছামাৰীৰ বাঁহবেৰাত বনৰীয়া হাতীৰ আক্ৰমণত ৪৫ বছৰীয়া লোকৰ কৰুণ মৃত্যু

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৬ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত মিছামাৰীৰ বাঁহবেৰা গাঁৱত আজি পুৱতি নিশা সংঘটিত হোৱা এক কৰুণ ঘটনাই সমগ্ৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হোৱা ঘটনাই স্থানীয় লোকসকলৰ মাজত আতংকৰ সৃষ্টি কৰিছে। মৃত লোকজনক বাঁহবেৰাৰ নিবাসী ৪৫ বছৰীয়া দ্বীপচান্দ সংনামী বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে আজি পুৱতি নিশা নিজৰ ঘৰৰ ওচৰত মন্দিৰ এখনত থকা সময়তে হঠাৎ এটা বনৰীয়া হাতীয়ে তেওঁক আক্ৰমণ কৰে। আক্ৰমণটো ইমানেই ভয়ংকৰ আছিল যে ঘটনাস্থলীতেই তেওঁৰ মৃত্যু ঘটে বুলি সন্দেহ কৰা হৈছে। এই ঘটনাৰ পিছতেই অঞ্চলটোত ভয় আৰু উৎকণ্ঠাৰ পৰিৱেশ সৃষ্টি হৈছে। স্থানীয় ৰাইজে বনৰীয়া হাতীৰ সঘন আগমনৰ বাবে দীৰ্ঘদিন ধৰি ভোগা সমস্যাৰ কথা উত্থাপন কৰি বন বিভাগৰ তৎপৰতাৰ দাবী জনাইছে। তেওঁলোকে কয় যে এই ধৰণৰ ঘটনা পুনৰাবৃত্তি ৰোধ কৰিবলৈ তৎক্ষণাত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা উচিত। ঘটনাৰ খবৰ পোৱাৰ লগে লগে বন বিভাগ আৰু আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলায়। লগতে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, মিছামাৰী আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত বনৰীয়া হাতীৰ উপদ্ৰৱ বৰ্তমান সময়ত যথেষ্ট বৃদ্ধি পাইছে, যাৰ ফলত স্থানীয় লোকসকলৰ জীৱন-সম্পত্তি সদায় বিপদত পৰি আছে।

■ গিয়াষ্টাৰ কলগাছ গাড়া (লাইখুঁটা) স্থাপন ■

# হল্লাগুড়ী গাঁৱত বিষুৱা উদ্‌যাপনৰ ব্যাপক আয়োজন

**অসম বাৰ্তা, বাসুগাঁও, ২৬এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ সীমান্তৱৰ্তী হল্লাগুড়ী গাঁৱত বিষুৱা পালনৰ আয়োজন চলিছে। ত্ৰিবেদী সংঘৰ উদ্যোগত অহা ১৪ আৰু ১৫ এপ্ৰিল তাৰিখে দুদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে ঢোলমাৰা আৰু হল্লাগুড়ী গাঁৱৰ ৰাইজৰ সহযোগত অনুষ্ঠিত হ'ব কোঁচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় উৎসৱ বিষুৱা। অনুষ্ঠিত হ'বলগীয়া বিষুৱাৰ গিয়াষ্টাৰ কলগাছ গাড়া(লাইখুঁটা) স্থাপন কৰা হয়। ঢোলমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ যশোবন্ত ৰায় মুখ্য অতিথি হিচাপে উপস্থিত থাকি কলগাছ গাড়া পৰ্ব সম্পন্ন কৰা হয়। অনুষ্ঠানটিত আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ, শিক্ষয়িত্ৰী, শিল্পী পূৰ্ণীমা চৌধুৰী উপস্থিত থাকে। উল্লেখযোগ্য যে ইতিমধ্যে মৃদুল বৰ্মনক সভাপতি আৰু খৃতুৰাজ বৰ্মনক সম্পাদক হিচাপে লৈ আঞ্চলিক বিষুৱা সমিতি খন গঠন কৰা হয়। ইতিমধ্যে গিয়াষ্টিৰ কলগাছ গাৰা পৰ্ব সম্পন্ন কৰি বিষুৱাটি সাফল্য মণ্ডিত কৰি তোলাৰ বাবে উদযাপন সমিতিয়ে প্ৰস্তুতি তীব্ৰতৰ কৰি তোলা পৰিলক্ষিত হৈছে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি, গছপুলি ৰোপণ আৰু সন্ধিয়া বন্তি প্ৰজ্বলন কৰা হ'ব। দ্বিতীয় দিনা ৰাতিপুৱা শিক্ষা মূলক প্ৰতিযোগিতা, আকৰ্ষণীয় খেল-ধেমালি প্ৰতিযোগিতা আদি অনুষ্ঠিত হ'ব। সন্ধিয়া বন্তিপ্ৰজ্বলন, মঞ্চ মুকলি, বঁটা বিতৰণী আৰু সম্বৰ্ধনা, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব। সাংস্কৃতিক অনুষ্ঠানৰ আমন্ত্ৰিত শিল্পী হিচাপে মৰমী শৰ্মা আৰু ডিজেল্ড কোঁচ গীত পৰিৱেশন কৰিব। উল্লেখযোগ্য যে বঁটা বিতৰণী আৰু সম্বৰ্ধনা অনুষ্ঠানত বি টি চিৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায় আৰু বিটিচিৰ স্বাস্থ্য বিভাগৰ ই এম দেৰহাছাৎ বসুমতাৰী, সমাজকৰ্মী শম্ভু ৰাজবংশী ,আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ পূৰ্ণিমা চৌধুৰী, কোকৰাঝাৰ সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী শিউলী মহিলাৰী, বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ বিপিএফ'ৰ প্ৰাৰ্থী ৰূপম চন্দ্ৰ ৰায়, ঢোলমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ যশোমন্ত ৰায় ইত্যাদি বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকিব।

দিনযোৰা কাৰ্যসূচীৰ নিশা অনুষ্ঠিত বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান

# পুৰণিগুদামত "চম্পাৱতী-২০২৬" ৰঙালী বিহু সন্মিলন আৰম্ভ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৬ এপ্ৰিল ঃ** নগাঁও জিলাৰ পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল খেলপথাৰত আজি পুৱাৰে পৰা অনুষ্ঠিত হয় পুৰণিগুদাম কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন। পুৰণিগুদাম কেন্দ্ৰীয় বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত "চম্পাৱতী- ২০২৬" ৰঙালী বিহু উদ্‌যাপনৰ আজি দিনযোৰা কাৰ্যসূচীৰ পুৱা ৮-৩০ বজাত বিহু পতাকা উত্তোলন কৰে সমাজকৰ্মী তথা বিহু উদ্‌যাপন সমিতিৰ সভাপতি প্ৰফুল্ল শইকীয়াই। ইয়াৰ পিছতে ৯ বজাত শ্বহীদ তৰ্পণ কৰে বয়োজ্যেষ্ঠ ব্যক্তি দুলেন গায়নে।পুৱা দহ বজাত অনুষ্ঠিত হোৱা চিত্ৰাংকণ প্ৰতিযোগিতা পৰিচালনা কৰে ৰাতুল শৰ্মা,শৰৎ বৰুৱা,প্ৰণৱ কুমাৰ শৰ্মা আৰু সহযোগিতা আগবঢ়াই অজিত ভট্টাচাৰ্যই।পুৱা ১১-৩০ বজাত অনুষ্ঠিত হোৱা কুইজ প্ৰতিযোগিতাৰ কুইজ মাষ্টাৰ হিচাপে কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰে জ্যোতিস্মান শৰ্মাই লগতে সহযোগিতা আগবঢ়াই হেৰম্ব প্ৰসাদ গোস্বামীয়ে। চিত্ৰাংকণ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে ধৃতিৰাজ শাণ্ডিল্য,অন্বেষা বৰা আৰু চিন্ময়ী শৰ্মা তথা অভিজ্ঞান কৌশিক বৰাই। কুইজ প্ৰতিযোগিতাত দলীয় ভাৱে প্ৰথমস্থান লাভ কৰে মুদিতা কলিতা, চিন্ময়ী শৰ্মাই, দ্বিতীয় স্থান লাভ কৰে অভিজ্ঞান কৌশিক বৰা আৰু ধ্ৰুৱজ্যোতি বৈৰাগীয়ে। তৃতীয় স্থান লাভ কৰে জিষ্ণু বৰা আৰু সাদিয়া ছিদ্দিকাই।নিশা প্ৰভাত বৰুৱা সোঁৱৰণী মঞ্চত অনুষ্ঠিত হয় বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নামত উৎসৰ্গিত এই অনুষ্ঠানত গীত পৰিৱেশন কৰে শিল্পী উদেষ্ণা ভাৰ্গৱীয়ে। দিনযোৰা কাৰ্যসূচীত পুৰণিগুদামৰ জ্যেষ্ঠ, বিশিষ্ট ব্যক্তিসকলৰ লগতে "চম্পাৱতী বিহু"-২০২৬ৰ সমূহ বিষয়ববীয়া আৰু প্ৰাক্তন বিষয়ববীয়াসকল উপস্থিত থাকে।

মিলিজুলিত ৮ কেজি গাঞ্জাসহ আটক কুখ্যাত ব্যৱসায়ী ইব্ৰাহিম আলী

# বাঘবৰত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান




**অসম বাৰ্তা, মন্দিয়া, ২৬ এপ্ৰিল ঃ** ৰাজ্যজুৰি অব্যাহত থকা নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে বিশেষকৈ বৰপেটা আৰক্ষীৰ তীব্ৰ অভিযানৰ মাজতে কালি নিশা বাঘবৰত এক বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হয় বাঘবৰ আৰক্ষী। এক গোপন সূত্ৰৰ পম খেদি চলোৱা এই অভিযানত বৃহৎ পৰিমাণৰ নিষিদ্ধ গাঞ্জাসহ এজন কুখ্যাত ব্যৱসায়িক আটক কৰা হয়। প্ৰাপ্ত তথ্য অনুসৰি, বাঘবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মিলিজুলি বজাৰৰ বাসিন্দা ইব্ৰাহিম আলী নামৰ ব্যক্তিজনে দীৰ্ঘদিন ধৰি নিজৰ গেলামাল দোকানৰ আৰত নিষিদ্ধ গাঞ্জাৰ ব্যৱসায় চলাই আহিছিল তাৰ বাতৰি একাংশ বাতৰি কাকত প্ৰকাশ পাইছিল।তাৰ পাছতে কালি নিশা বাঘবৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কৃষ্ণকাম বৰদলৈৰ নেতৃত্বত আৰক্ষীৰ এটা দলে এক আকস্মিক অভিযান চলায়। আৰক্ষীৰ দলটোৱে মিলিজুলি বজাৰত থকা ইব্ৰাহিমৰ গেলামাল দোকান আৰু তেওঁৰ বাসগৃহত চলোৱা তালাচীত প্ৰায় ৮ কেজি ওজনৰ নিষিদ্ধ গাঞ্জা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উদ্ধাৰ হোৱা এই গাঞ্জাখিনিৰ বজাৰ মূল্য যথেষ্ট বুলি ধাৰণা কৰা হৈছে। অভিযানকালত আৰক্ষীয়ে ইব্ৰাহিম আলীক হাতে-লোটে আটক কৰে। এই সন্দৰ্ভত বাঘবৰ আৰক্ষী থানাত ৩৩/২৬ নম্বৰৰ এক গোচৰ পঞ্জীয়ন কৰা হৈছে। ধৃত ইব্ৰাহিমৰ বিৰুদ্ধে NDPS ACTৰ U/S: 20(b)(ii)B ধাৰাৰ অধীনত গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। গোপনে চলাই থকা এই ক'লা ব্যৱসায়ৰ কথা পোহৰলৈ অহাৰ লগে লগে সমগ্ৰ বাঘবৰ অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে সেই সন্দৰ্ভত আটক কৰা ইব্ৰাহিম আলীক অধিক তথ্যৰ বাবে সোধপোচ অব্যাহত ৰখা হৈছে। অনাগত দিনত অঞ্চলটোত ড্ৰাগছ আৰু নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলিও আৰক্ষীৰ ফালৰ পৰা জানিবলৈ দিছে।

# বকোৰ বন্দাপাৰা জনতা প্ৰেক্ষাগৃহত বকো ৰাজহ চক্ৰ গাঁও প্ৰধান সংস্থাৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন

**অসম বাৰ্তা, বকো, ২৬ এপ্ৰিল ঃ** কামৰূপ জিলাৰ বকোৰ বন্দাপাৰাত বকো ৰাজহ চক্ৰ গাঁও প্ৰধান সংস্থাৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন আয়োজন। সদৌ অসম গাঁও প্ৰধান সংস্থাৰ অধীনৰ বৃহত্তৰ বকো অঞ্চল সামৰি গঠিত বকো ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁও প্ৰধান সকলৰ বন্দাপাৰা জনতা সংঘৰ প্ৰেক্ষাগৃহত দুদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত সভাৰ দেওবাৰে সফল সামৰণি পৰে। ১৯৭৬ চনত গঠিত বকো ৰাজহ চক্ৰ গাঁও প্ৰধান সংস্থাৰ এইবেলি গৌৰৱোজ্জ্বল পঞ্চাশটা বৰ্ষ অৰ্থাৎ সোণালী জয়ন্তী বৰ্ষ। বকো ৰাজহ চক্ৰ গাঁও প্ৰধান সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰবীন ৰাভা, সাধাৰণ সম্পাদক নন্দধৰ বড়োৱে জনোৱা মতে, ২৫ এপ্ৰিলৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি, প্ৰথমে ডাক বিভাগৰ অৱসৰী কৰ্মচাৰী বিষ্ণুৰাম ৰাভাৰ জৰিয়তে মূল তোৰণ উন্মোচন, প্ৰতিনিধি পঞ্জীয়ন ও সভা অনুষ্ঠিত হয়। আনহাতে, সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি উদযাপন কৰা অন্তিম দিনাৰ কাৰ্যসূচী অনুসৰি, পুৱা পতাকা উত্তোলন কৰে গাঁও প্ৰধান সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰবীন ৰাভাই। পিছত বন্দাপাৰা আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক মহেন্দ্ৰ বড়োৱে স্মৃতি তৰ্পণ, কণ্ঠশিল্পী কুমাৰ তপনৰ জৰিয়তে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্দাপাৰাৰ বনাঞ্চলিক বিষয়া কুলু মনালী গগৈৰ জৰিয়তে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ। ইফালে, উক্ত সভাতে বহুমূলীয়া লেখাৰে সমৃদ্ধ স্মৃতিগ্ৰন্থ উন্মোচন কৰে বকোৰ কলেজ অফ্ এডুকেশ্বনৰ অধ্যক্ষা যামিনী বৈশ্য ঠাকুৰীয়াই। উল্লেখ্য যে, কামৰূপ জিলা গাঁও প্ৰধান সংস্থাৰ সভাপতি নিৰঞ্জন ৰাভাই উদ্বোধন কৰা মুকলি সভাত বকোৰ ৰাজহ চক্ৰ বিষয়া কৃষ্ণ অৰ্জুন বৰ্মন, বকোৰ যুৱ নেতা, সমাজকৰ্মী ৰমেনসিং ৰাভা, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য নগৰমল স্বৰ্গীয়াৰী, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক অতুল চন্দ্ৰ দাসকে প্ৰমুখ্য কৰি আমন্ত্ৰিত কেইবাগৰাকী বিশিষ্ট অতিথি, স্থানীয় দল সংগঠনৰ নেতৃত্ব আৰু গণ্য মান্য লোক উপস্থিত থাকে।

# লংকাত ঘৰৰ তলা ভাঙি নগদ ধন-সোণৰ অলংকাৰ লৈ উধাও চুৰ

**অসম বাৰ্তা, লংকা, ২৬ এপ্ৰিল ঃ** হোজাই জিলাৰ লংকা চহৰৰ গোপাল নগৰ পথত সংঘটিত হোৱা এক ভয়ংকৰ চুৰিকাণ্ডই সমগ্ৰ অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গোপাল নগৰ পথৰ বাসিন্দা নিখিল দত্তৰ প্ৰয়াত জ্যেষ্ঠ পুত্ৰ তাপস দত্তৰ পত্নী তথা এগৰাকী অংগনৱাড়ী কৰ্মী সান্ত্বনা দত্ত নিজৰ ঘৰত উপস্থিত নথকাৰ সুযোগ গ্ৰহণ কৰি অজ্ঞাত চোৰৰ দলে এই কাণ্ড সংঘটিত কৰে। স্থানীয় সূত্ৰৰ তথ্য অনুসৰি, সান্ত্বনা দত্ত যোৱা দুদিন ধৰি নিজৰ পিতৃগৃহত আছিল। এই সময়ছোৱাতেই ২৫ এপ্ৰিল শাৰিবাৰে চোৰৰ দলে ঘৰৰ মূল দুৱাৰৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰে। পিছত ঘৰৰ ভিতৰত থকা আলমাৰিৰ লকাৰ ভাঙি নগদ ধন সহ আনুমানিক ছয় লক্ষাধিক টকাৰ মূল্যৱান সামগ্ৰী আৰু সোণৰ অলংকাৰ লুটি লৈ যায়। ইয়াৰ উপৰিও চোৰে বক্স পালং ভাঙি তাত সংৰক্ষিত থকা বহু গুৰুত্বপূৰ্ণ সামগ্ৰীও লৈ যায় বুলি জানিব পৰা গৈছে। সন্ধিয়া সান্ত্বনা দত্ত নিজৰ ঘৰত উভতি আহি ঘৰৰ দুৱাৰৰ তলা ভঙা অৱস্থাত দেখা পায়। লগতে ঘৰৰ ভিতৰত লাইট জ্বলি থকা দেখি তেওঁ হতবাক হৈ পৰে। পিছত ঘৰৰ ভিতৰত সোমাই সকলো সামগ্ৰী লণ্ডভণ্ড অৱস্থাত দেখি তৎক্ষণাত ওচৰ-চুবুৰীয়াক খবৰ দিয়ে। ঘটনাৰ খবৰ পাই স্থানীয় লোকসকল ঘটনাস্থলীত ভিৰ কৰে আৰু আৰক্ষীক অৱগত কৰা হয়। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। এই চুৰিকাণ্ডৰ সৈতে জড়িত দোষীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে স্থানীয় ৰাইজে। এই ঘটনাই পুনৰ এবাৰ লংকা চহৰত বৃদ্ধি পোৱা চুৰিকাণ্ডক লৈ সাধাৰণ ৰাইজৰ মাজত নিৰাপত্তাহীনতাৰ অনুভৱ বৃদ্ধি কৰিছে। স্থানীয় বাসিন্দাসকলে নিশাৰ সময়ত আৰক্ষীৰ টহল ব্যৱস্থা অধিক জোৰদাৰ কৰাৰ দাবী উত্থাপন কৰিছে।

# তেলিয়াচাপৰিত শৈক্ষিক সজাগতা আৰু মাদক দ্ৰব্যৰ বিৰুদ্ধে মাদ্ৰাছাৰ শিক্ষাৰ্থী-ৰাইজৰ পদযাত্ৰা

ৰূপহীহাটত মুছলমান সমাজৰ ব্যতিক্ৰমী পদক্ষেপ

**অসম বাৰ্তা, ৰূপহীহাট, ২৬এপ্ৰিল ঃ** নগাঁৰৰ উত্তৰাঞ্চল ৰূপহীহাটৰ অতিকৈ অনগ্ৰসৰ তেলিয়াচাপৰিটুপত আজি এক বিশাল সজাগতামূলক পদযাত্ৰা উলিওৱা হয়। হাতে-হাতে প্লে'-কাৰ্ড আৰু মুখত শিক্ষাৰ সপক্ষে বিভিন্ন শ্লোগান লৈ ৰাজপথলৈ শ শ মাদ্ৰাছা শিক্ষাৰ্থী আৰু স্থানীয় জনসাধাৰণ ওলাই আহিল। মাদ্ৰাছা শিক্ষাৰ্থীৰ দ্বাৰা উলিওৱা উক্ত পদযাত্ৰাই সমগ্ৰ ৰূপহীহাট অঞ্চলৰে শৈক্ষিক মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেলিয়াচাপৰিটুপ দলংপাৰ জামে মছজিদৰ উদ্যোগত আৰু সমাজ সচেতনতা কমিটিৰ সহযোগত আজি ৰাইজক শিক্ষাৰ প্ৰতি সজাগ কৰাৰ উদ্দেশ্যে এই পদযাত্ৰা উলিওৱা হয়। সমাজত থকা নিৰক্ষৰতা দূৰ কৰা আৰু শিশু শ্ৰমিক প্ৰথাৰ বিৰুদ্ধে জনমত গঠন কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা উক্ত কাৰ্যসূচীত শ শ শিশোৱে অংশগ্ৰহণ কৰে। পুৱাৰ ভাগতে উলিওৱা পদযাত্ৰাত মাদ্ৰাছাৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে প্লে'কাৰ্ড লৈ সমদল কৰি জনসাধাৰণক শিক্ষাৰ বাণী বিলাবলৈ চেষ্টা কৰা দেখা যায়। শিক্ষাৰ্থীসকলে "শিশু শ্ৰমিক বন্ধ কৰক", "শিক্ষাই আমাৰ প্ৰগতিৰ মূল", "শিক্ষাৰ অধিকাৰ, আমাৰ অধিকাৰ" বাল্য বিবাহ বন্ধ কৰক, বিয়াত ডিজে বজোৱা বন্ধ কৰক, মাদক দ্ৰব্য সেৱন কৰা বন্ধ কৰক আদিৰ দৰে শক্তিশালী শ্লোগান দিয়ে। এই শ্লোগানসমূহৰ জৰিয়তে তেওঁলোকে সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোককে নিজৰ সন্তানক শিক্ষাদান কৰিবলৈ আৰু শৈশৱতে কামত লগাই তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰ নকৰিবলৈ আহ্বান জনায়। উক্ত পদযাত্ৰাত অঞ্চলটোৰ বহু গণ্য-মান্য ব্যক্তি, সমাজকৰ্মী আৰু মাদ্ৰাছাৰ শিক্ষকসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। ইছলামিক নৈতিক শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীক আধুনিক আৰু সাধাৰণ শিক্ষাৰে শিক্ষিত কৰি সমাজৰ একো একোজন দায়বদ্ধ নাগৰিক হিচাপে গঢ়ি তোলাটোহে বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান বুলি উদ্যোক্তাসকলে মত প্ৰকাশ কৰে। আজিৰ এই কাৰ্যসূচীয়ে কেৱল শিক্ষাৰ্থীসকলৰ মাজতেই নহয়, বৰঞ্চ সমগ্ৰ তেলিয়াচাপৰিটুপত সচেতন ৰাইজৰ মাজতো এক ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।

# আমগুৰিৰ সমীপৱৰ্তী বৰাহীবাৰীৰ ঐতিহাসিক বৰঢাপত দুস্কৃতিকাৰীৰ মাটি খনন

## এজনক আটক আৰক্ষীৰ

**অসম বাৰ্তা, চেলেংহাট, ২৬ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ ঐতিহাসিক চামগুৰি অঞ্চলৰ বৰাহীবাৰীৰ বৰঢাপৰ অবৈধ খনন সন্দৰ্ভত আজি এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে এই বৰঢাপৰ কাষতেই ইতিহাস প্ৰসিদ্ধ বৰাহী ৰজাৰ বৰাহীবাৰীৰ ভগ্নাৱশেষ আৰু ইয়াৰ ওচৰতে প্ৰয়াত জননেতা খগেন বৰবৰুৱাৰ পূৰ্ব পুৰুষক বৰঢাপৰ সমীপত আহোম স্বৰ্গদেৱে মাটি-বাৰী দি থাপিত কৰিছিল। এই ইতিহাস প্ৰসিদ্ধ বৰাহীবাৰী বৰঢাপৰে মাটি আজি ৰাতিপুৱা খান্দি ঠেলা গাড়ীৰে কঢ়িয়াই লৈ যোৱাৰ ঘটনাৰ খবৰ পাই তাই আহোম ছাত্ৰ সন্থা চমুকৈ আটাছুৰ আমগুৰি আঞ্চলিক আৰু শিৱসাগৰ জিলাৰ সমিতিৰ বিষয়ববীয়া ঘটনাস্থলীত উপস্থিত হৈ বৰঢাপৰ অবৈধ খনন বন্ধ কৰাৰ প্ৰয়াস কৰে। স্থানীয় বিজিত চাংমাই নামৰ ব্যক্তিজনে ঘৰৰ ভেটিত ব্যৱহাৰৰ বাবে বৰঢাপৰ মাটি খান্দিছিল। ঘটনাৰ খবৰ পাই আমগুৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীৰ হস্তক্ষেপত পৰৱৰ্তী সময়ত মাটিখিনি পুনৰাই বৰঢাপত স্থাপনৰ ব্যৱস্থা কৰে। ঐতিহাসিক কীৰ্তিচিহ্ন সমূহ ধ্বংস কৰাটো ডাঙৰ অপৰাধ বুলি জানিও এচাম অসাধু লোকে এনে কাৰ্য সম্পাদন কৰিবলৈ উদ্যত হোৱা বিষয়টো অতি দুৰ্ভাগ্যজনক আখ্যা দিছে শিৱসাগৰ জিলা আটাছুৰ উপ সভাপতি গৌতম দিহিঙীয়াই। তেওঁ লগতে কয়, স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকালত আমগুৰিৰ দায়িত্বত থকা ভাগৰতী বৰবৰুৱাই সমগ্ৰ আমগুৰিৰ সুৰক্ষাৰ স্বাৰ্থতেই বৰঢাপসমূহ নিৰ্মাণ কৰিছিল। কালক্ৰমত দুস্কৃতিকাৰীৰ কবলত পৰি বৰঢাপসমূহ প্ৰায় নিঃচিহ্ন হৈ পৰে। চামগুৰি অঞ্চলৰ দৃশ্যমান অৱস্থাত থকা বৰঢাপৰ কিছু অংশ যোৱা বছৰতো দুষ্কৃতিকাৰীয়ে খান্দি তাৰ মাটি লৈ গৈছিল। দিহিঙীয়াই কয়, উক্ত ঘটনাৰ পিছত আটাছু প্ৰতিবাদৰ প্ৰতি সহাৰি জনাই তদানীন্তন জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱ আৰু ৰাজহ চক্ৰ বিষয়া জয়ন্ত চক্ৰৱৰ্তীয়ে পৰৱৰ্তী সময়ত বৰঢাপৰ হানি বিঘিনি ঘটোৱা যিকোনো পক্ষৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰিছিল। সেয়ে পুনৰবাৰ এনে কাৰ্য সংঘটিত কৰা ব্যক্তিৰ বিৰুদ্ধে চৌবিশ ঘণ্টাৰ ভিতৰত ব্যৱস্থা গ্ৰহণ নকৰিলে গণতান্ত্ৰিক আন্দোলন কৰাৰ হুংকাৰ প্ৰদান কৰে। আৰক্ষীয়ে ইতিমধ্যে অভিযুক্ত বিজিত চাংমাইক আটক কৰি তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# ছয়গাঁও বজাৰৰ ক্ষুদ্ৰ ব্যৱসায়ী কৃষ্ণ মণ্ডলৰ মৃত্যু

**অসম বাৰ্তা, ছয়গাঁও, ২৬এপ্ৰিল ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও বজাৰৰ এগৰাকী ক্ষুদ্ৰ ব্যৱসায়ী কৃষ্ণ মণ্ডলৰ যোৱা নিশা ৭-২০ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। পক্ষাঘাত ৰোগত আক্ৰান্ত হৈ ৬৬ বছৰ বয়সত মৃত্যু মণ্ডলৰ। এগৰাকী সহজ সৰল, মৃদু ভাষী লোক আছিল কৃষ্ণ মণ্ডল। দীৰ্ঘদিন ধৰি ছয়গাঁও বজাৰতে সৰু সুৰা ব্যৱসায় কৰি পৰিয়ালটোক পোহপাল দি আহিছ মণ্ডলে। কালি মৃত্যুৰ পিছতে গুৱাহাটীৰ ভূতনাথ শ্মশানত মৃতদেহ সৎকাৰ কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী প্ৰণিতা মণ্ডল, একমাত্ৰ পুত্ৰ আনন্দ মণ্ডল আৰু ৩ গৰাকী কন্যা, ৩ গৰাকী জোঁৱাই আৰু ৬ গৰাকী নাতি-নাতিনীক ইহ-সংসাৰত এৰি থৈ যায়। তেখেতৰ মৃত্যুত ছয়গাঁও অঞ্চলত শোকৰ ছাঁ পৰিছে।

গুৰুত্বপূৰ্ণ ফাইলৰ পৰা স্কুলৰ চাউললৈ সকলো লুটিলে দুৰ্বৃত্তই; নিৰাপত্তাক লৈ প্ৰশ্ন

# বহলপুৰত চোৰৰ তাণ্ডৱ; একে নিশাই ৪টাকৈ চৰকাৰী প্ৰতিষ্ঠানত লুটপাত

**অসম বাৰ্তা, বঙাইগাঁও, ২৬ এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ সমীপৱৰ্তী বহলপুৰ অঞ্চলত যোৱা নিশা চোৰৰ এক বিশাল দলে তাণ্ডৱ চলাই চাৰিটাকৈ চৰকাৰী প্ৰতিষ্ঠানত লুটপাত চলোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিশাৰ অন্ধকাৰৰ সুযোগ লৈ দুৰ্বৃত্তৰ দলটোৱে একেলগে লক্ষ্য কৰি লয় স্থানীয় পঞ্চায়ত কাৰ্যালয়ৰ পৰা আৰম্ভ কৰি শিক্ষানুষ্ঠানলৈকে। প্ৰাপ্ত বাতৰি অনুসৰি, ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ একেবাৰে কাষতে অৱস্থিত বহলপুৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ তলা ভাঙি চোৰে ভিতৰত প্ৰৱেশ কৰে। চোৰৰ দলটোৱে কাৰ্যালয়টোৰ পৰা তিনিখনকৈ চিলিং ফেনৰ লগতে আঠখনকৈ অতি গুৰুত্বপূৰ্ণ চৰকাৰী নথি-পত্ৰ থকা ফাইল লুটি নিয়ে। ৰাষ্ট্ৰীয় ঘাইপথৰ ইমান কাষত থকা এখন দায়িত্বশীল কাৰ্যালয়ৰ পৰা চৰকাৰী ফাইল চুৰি হোৱা ঘটনাই এতিয়া বিশেষ ৰহস্যৰ সৃষ্টি কৰিছে। ইফালে, কেৱল পঞ্চায়ত কাৰ্যালয়তে ক্ষান্ত নাথাকি দুৰ্বৃত্তৰ দলটোৱে ৩০ নং বহলপুৰ জে বি স্কুলতো লুটপাত চলায়। বিদ্যালয়খনৰ তলা ভাঙি চোৰে ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ বাবে মজুত কৰি ৰখা চাউলৰ বস্তাসমূহ চুৰি কৰি লৈ যায়। একেটা নিশাই অঞ্চলটোৰ দুটাকৈ অংগনবাদী কেন্দ্ৰতো চোৰে তলা ভাঙি ভিতৰত প্ৰৱেশ কৰিছিল যদিও তাৰ পৰা কোনো সামগ্ৰী চুৰি হোৱা নাই বুলি জানিব পৰা গৈছে। অৱশ্যে কেন্দ্ৰ দুটাৰ ভিতৰত চোৰে চলোৱা লুটপাতৰ চিন স্পষ্ট হৈ আছে। একে নিশাই চাৰি-চাৰিটাকৈ চৰকাৰী প্ৰতিষ্ঠানত চোৰে তলা ভঙা কাৰ্যই বঙাইগাঁও আৰক্ষীৰ নৈশ তহলদাৰী ব্যৱস্থাৰ ফোঁপোলা স্বৰূপটো উদঙাই দিছে। বিশেষকৈ পঞ্চায়তৰ দৰকাৰী ফাইলসমূহ কি উদ্দেশ্যত চুৰি কৰা হ'ল, তাক লৈ স্থানীয় ৰাইজৰ মাজত ব্যাপক চৰ্চা চলিছে। ইতিমধ্যে স্থানীয় ৰাইজে এই সন্দৰ্ভত আৰক্ষীক অৱগত কৰিছে আৰু আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ঘাইপথৰ কাষতে থকা এই অঞ্চলটোত চোৰৰ এনে দুঃসাহসিক কাণ্ডই এতিয়া সচেতন নাগৰিকৰ মাজত নিৰাপত্তাহীনতাৰ সৃষ্টি কৰিছে।

# ডুমডুমাত সৌন্দৰ্য চৰ্চাৰ এদিনীয়া প্ৰশিক্ষণ সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৬এপ্ৰিল ঃ** আজি ডুমডুমাত সৌন্দৰ্য চৰ্চাৰ এক এদিনীয়া প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। ডুমডুমাৰ দ্যা গ্ৰেণ্ড ইন ৰিজৰ্টত তিনিগৰাকী প্ৰশিক্ষক ক্ৰমে বৰ্ণালী চেতিয়া দেৱ, ৰাজেশ ৰয় আৰু মৌচুমী দত্তৰ তত্ত্বাৱধানত প্ৰায় দুই শতাধিক প্ৰশিক্ষাৰ্থীক সৌন্দৰ্য চৰ্চাৰ বিভিন্ন দিশৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হয়। ডুমডুমা সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত দত্তই মুকলি কৰা অনুষ্ঠানটোত প্ৰশিক্ষাৰ্থীৰ উপস্থিতি আছিল লক্ষণীয়। বৰ্তমান সময়ত সৌন্দৰ্য চৰ্চা বা মেকআপৰ দ্বাৰা স্বাৱলম্বিতাৰ পথ প্ৰশস্ত কৰাটো যে সুলভ সেই কথা নতুন প্ৰজন্মই বুজি পাইছে বুলি উদ্যোক্তাসকলে মন্তব্য কৰে। উঠি অহা প্ৰজন্ম সৌন্দৰ্য চৰ্চাৰ প্ৰতি যে বহুত বেছি আগ্ৰহী আজিৰ অনুষ্ঠানটোৱে তাকেই প্ৰমাণ কৰিলে। মেকআপ বা সৌন্দৰ্য চৰ্চাৰ কাৰিকৰী প্ৰশিক্ষণে উঠি অহা প্ৰজন্মক আৰ্থিক দিশত নিশ্চিতভাৱে লাভান্বিত কৰিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে। আজিৰ অনুষ্ঠানত সৌন্দৰ্য চৰ্চাৰ জৰিয়তে বহুতো যুৱক-যুৱতীক স্বাৱলম্বিতাৰ পথ দেখুওৱা গুৱাহাটীৰ সুনীতা জৈন আৰু বিপ্লৱ দাসো উপস্থিত থাকে।

# ছমৰীয়াৰ জাওঁকাটাদিয়া বজাৰত অগ্নিকাণ্ড

**অসম বাৰ্তা, সোণতলী, ২৬ এপ্ৰিল ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত জাওঁকাটা দিয়া আঞ্চলিক বজাৰত যোৱা নিশা প্ৰায় ১০.৩০ বজাত এক অগ্নিকাণ্ড সংঘটিত হয়। জানিব পৰামতে, বজাৰখনৰ মাহফিজুৰ ৰহমান নামৰ লোক এজনৰ বাইকৰ গ্ৰেজত বৈদ্যুতিক শ্বৰ্ট-ছাৰ্কিটৰ ফলত এই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি উপস্থিত ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। এই অগ্নিকাণ্ডত চাৰিখন বাইক গাড়ী লগতে গ্ৰেজখন সম্পূৰ্ণ বাবে জ্বলি যায়। স্থানীয়লোকে জুই নুমাবলৈ সক্ষম হয় যদিও অগ্নিকাণ্ডত আনুমানিক ১০ লাখ টকাৰ সম্পত্তি জাহ যোৱা বুলি জানিব পৰা গৈছে। ইফালে এই খবৰ পাই সোণতলী আৰক্ষী থানাৰ আৰক্ষী দলে উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয় যদিও অগ্নিনিৰ্বাপক বাহিনীৰ তৰফৰ পৰা কোনো ধৰণৰ সঁহাৰি পোৱা নাই বুলি ভূক্তভোগীয়ে জানিব দিয়ে। অঞ্চলটোত কোনো অগ্নিনিৰ্বাপক বাহিনী নথকাৰ বাবে সাধাৰণ ৰাইজ বিমোৰত পৰা পৰিলক্ষিত হৈ থাকে। সেয়ে স্থানীয় ৰাইজে সোনকালেই এই অঞ্চলত অগ্নিনিৰ্বাপক বাহিনীৰ সু-ব্যৱস্থা কৰি দিয়াৰ বাবে চৰকাৰক দাবী জনাইছে।

# মাৰ্ঘেৰিটাত বিদ্যুৎ বিভাগৰ চৰম গাফিলতি !

❒ কৰুণ মৃত্যুক সাৱটিলে হালোৱা গৰুৱে ❒

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২৭ এপ্ৰিল ঃ** মাৰ্ঘেৰিটাত বিদ্যুৎ বিভাগৰ চৰম গাফিলতিৰ পৰিণতি হৈছে। মাৰ্ঘেৰিটাৰ দিহিং পথাৰ বস্তিত সংঘটিত হৈছে কৰুণ ঘটনা। পথাৰত চৰি থকা অৱস্থাতে বিদ্যুতস্পৃষ্ট হৈ কৰুণ মৃত্যুক সাৱটিলে এটা হালোৱা গৰুৱে। এই ঘটনাক কেন্দ্ৰ কৰি এতিয়া অঞ্চলটোত তীব্ৰ উত্তেজনাই বিৰাজ কৰিছে। অন্য দিনাৰ দৰেই কৃষক উমেশ জ্বালে নিজৰ হালোৱা গৰু হাল পথাৰলৈ মেলি দিছিল। কিন্তু তেওঁ জনা নাছিল যে তাত মৃত্যুৱে খাপ পিটি আছিল। হঠাৎ বিদ্যুৎ বিভাগৰ এটাত তাঁৰৰ সংস্পৰ্শত আহে গৰুটো। বিদ্যুৎস্পৃষ্ট হৈ তৎক্ষণাত মৃত্যু ঘটে নিৰীহ গৰুটোৰ। হালোৱা গৰুটো হেৰুৱাই এতিয়া মূৰে-কপালে হাত দিছে দৰিদ্ৰ কৃষক উমেশ জ্বালে। তেওঁৰ জীৱিকাৰ একমাত্ৰ সম্বলটো হেৰুৱাই এতিয়া দিশহাৰা হৈ পৰিছে কৃষকজন। উমেশ জ্বালৰ অভিযোগ যে বিদ্যুৎ বিভাগৰ দীৰ্ঘদিনীয়া গাফিলতিৰ বাবেই এই ঘটনা সংঘটিত হ'ল। আশ্চৰ্যকৰ কথাটো হ'ল, দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পিছতহে সাৰ পালে টোপনি গৈ থকা বিদ্যুৎ বিভাগে। বৰ্তমান বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ ততাতৈয়াকৈ মেৰামতিৰ কামত নামি পৰিছে। কিন্তু প্ৰশ্ন হয়— এটা জীৱন যোৱাৰ পিছতহে কিয় সাৰ পায় বিদ্যুৎ বিভাগে? কৃষকজনক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ দাবী তুলিছে স্থানীয় ৰাইজে। চৰকাৰে কৃষকৰ উন্নয়নৰ কথা কয় যদিও, এনেদৰে বিভাগীয় অৱহেলাৰ বাবে কৃষকে সৰ্বস্ব হেৰুৱাব লগীয়া হোৱা ঘটনাই চৰকাৰী বিভাগৰ ফোঁপোলা স্বৰূপটোকে উদঙাই দিছে। এতিয়া চাবলগীয়া হ'ব, দুৰ্ভগীয়া কৃষক উমেশ জ্বালে উচিত ন্যায় পায়নে নাই?

## গাড্ডাৰৰ আশংকাত থৰহৰি কম্পমান বিজেপিৰ বহু প্ৰাৰ্থী

মুকলিকৈ 'গাড়দাৰী'ৰ প্ৰসংগ উল্লেখ কৰি আক্ষেপ প্ৰকাশ কৰিছে। বিৰোধীয়ে দীৰ্ঘদিন ধৰি উত্থাপন কৰি অহা অভিযোগবোৰ যেন লাহে লাহে সত্য প্ৰমাণিত হ'ব ধৰিছে। বিশেষকৈ কমলপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিগন্ত কলিতাৰ এটা ফোন কল ৰেকৰ্ডিঙে দলৰ ভিতৰত চলি থকা 'চিপৰাং ৰাজনীতি'ৰ স্পষ্ট ছবি দাঙি ধৰিছে। কল ৰেকৰ্ডিংটোত দিগন্ত কলিতাই কমলপুৰ সমষ্টিৰ জ্যেষ্ঠ বিজেপি নেতা ৰাজীৱ শৰ্মাক অত্যন্ত অশ্লীল শব্দ প্ৰয়োগ কৰি গোবাল-গালি দিছে। নিৰ্বাচনত তলে তলে ঋঋগাড়দাৰীঋঋ কৰাৰ অভিযোগ তুলি তেওঁ ৰাজীৱ শৰ্মাক শেষ কৰি দিয়াৰ ভাবুকিও দিছে। দিগন্ত কলিতাই এই গাড়দাৰীৰ তালিকাত ভৰেশ কলিতাৰ নামো অন্তৰ্ভুক্ত কৰিছে। কলত দিগন্ত কলিতাই 'তই' সম্বোধন কৰি ৰাজীৱ শৰ্মাক কৈছে— "তই যে গাড়দাৰী কৰা নাই, লগুণ ধৰি শপত খাব পাৰিবি? তই মুখেৰে এটা কথাও নক'বি। দুঘণ্টাৰ ভিতৰত এম এল এ হোষ্টেললৈ আহ। কাইলৈ ৰাতিপুৱাৰ ভিতৰত আহ, নহ'লে চাবি কিন্তু!" ৰাজীৱ শৰ্মাই বাৰে বাৰে নম্ৰভাৱে উত্তৰ দিছে— "আৰে মই একো কৰাই নাই। আপুনি ক'লে কি হ'ব? আপুনি এনেকৈ মাতিলে মই কেনেকৈ যাম?" কিন্তু এই উত্তৰে দিগন্ত কলিতাৰ খঙ আৰু বেছি বঢ়াই তুলিছে। খঙত উত্তেজিত হৈ দিগন্ত কলিতাই কৈছে— "তোক মই কি কৰো চাবি। এবছৰৰ বাবে তোক জেলত সুমুৱাই থম। তই মোৰ বুকুত কামুৰিছ। তোক মই ড্ৰাগছৰ কেছত ভৰাই থম।" তেওঁ আৰু কৈছে— "তোক কি ভৰেশ কলিতাই বচাব পাৰিব বুলি ভাৱিছ নেকি? নে অংকুৰ দাসে বচাব পাৰিব? তোক উঠাই আনিম ঘৰৰ পৰা। খাই পেলাম তোক।" এনেকৈ বহু অশ্লীল শব্দ ব্যৱহাৰ কৰি তেওঁ জ্যেষ্ঠ নেতাগৰাকীক নানা ধৰণৰ ভাবুকি দিছে। ৰাজীৱ শৰ্মাই নম্ৰতাৰে প্ৰত্যাহ্বান গ্ৰহণ কৰি কৈছে যে তেওঁ লগুণত ধৰি শপত খাব পাৰে, কিন্তু দিগন্ত কলিতাৰ খঙৰ পৰিমাণ কমা নাই। এই কল ৰেকৰ্ডিং ভাইৰেল হোৱাৰ পাছত ৰাইজ হতচকিত হৈ পৰিছে। যিগৰাকী প্ৰাৰ্থীয়ে বিভিন্ন সময়ত বিৰোধীক ঠাট্টা-বিদ্ৰূপ কৰি 'জয় নিশ্চিত' বুলি দাবী কৰিছিল, তেওঁ কিয় নিৰ্বাচনৰ অন্তিম পৰ্যায়ত এনে হতাশা প্ৰকাশ কৰিছে বুলি প্ৰশ্ন উঠিছে। ৰাজনৈতিক বিশে-যকসকলে অনুমান কৰিছে যে দিগন্ত কলিতাৰ নিৰ্বাচনী জয়ৰ অংক মিলা নাই। ফলত এফালে গাড়দাৰীৰ নাম ৰাজহুৱা কৰাৰ লগতে ভিতৰি অসন্তুষ্ট কৰ্মীসকলক মুকলিকৈ ভাবুকি দিবলগীয়া হৈছে। উল্লেখ্য যে, এইবাৰ কমলপুৰ সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী অংকুৰ দাস আৰু বিৰোধী মিত্ৰজোঁটৰ সমৰ্থিত কংগ্ৰেছ প্ৰাৰ্থী সত্যব্ৰত কলিতাই দিগন্ত কলিতাৰ জয়ৰ পথ ৰূদ্ধ কৰিব পাৰে বুলি আগতে দাবী উঠিছিল। শাসকীয় পক্ষই সেই দাবী নস্যাৎ কৰিলেও, এতিয়া ফলাফল ঘোষণাৰ সময় চমু চাপি অহাত নিজ দলৰ ভিতৰৰ চিপৰাং ৰাজনীতিত বহু নেতা-কৰ্মীৰ মাজত কঁপনি উঠিছে। এই ঘটনাই বিজেপিৰ দাবী কৰা 'একতা আৰু শৃংখলা'ৰ ছবিখনক পুনৰ প্ৰশ্নৰ সন্মুখীন কৰিছে। নিৰ্বাচনৰ অন্তিম পৰ্যায়ত দলীয় অভ্যন্তৰীণ কন্দল কিমান দূৰলৈ গৈছে, সেয়া এতিয়া ৰাইজৰ চকুৰ আগতেই স্পষ্ট হৈ উঠিছে।

## ৰাঘৱ চাড্ডা সহ আপ ত্যাগী সাত সাংসদক ৰাজ্যসভাত

লাভ কৰে। ইফালে, আপে তেওঁলোকৰ সাংসদ পদ খাৰিজ কৰাৰ দাবী জনাই ৰাজ্যসভালৈ প্ৰেৰণ কৰা আবেদনখন অধ্যক্ষই গ্ৰহণ নকৰিলে। সম্প্ৰতি দেশৰ ৰাজনীতিত আম আদমি পাৰ্টী এৰা সাংসদসকলক লৈ তুমুল চৰ্চা চলি থকাৰ মাজতে এই সিদ্ধান্তই আপক এক ডাঙৰ আঘাত হিচাপে ধৰা দিয়ে। গত ২৪ এপ্ৰিলত ৰাঘৱ চাড্ডা, অশোক মিট্টল, সন্দীপ পাঠক, হৰভজন সিং, ৰাজেন্দ্ৰ গুপ্তা, বিক্ৰম সাহনী আৰু স্বাতী মালিৱালে দলটো এৰি বিজেপিত যোগদান কৰে। নিজৰ ভূমিকা আৰু দলৰ আদৰ্শৰ পৰা আঁতৰি যোৱাৰ মানসিক বেদনাত তেওঁলোকে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি জানিবলৈ দিয়ে। উল্লেখনীয় যে, একত্ৰীকৰণৰ পাছতে সাংসদসকলক বিজেপিৰ সদস্য হিচাপে স্বীকৃতি দিবলৈ অধ্যক্ষক আবেদন জনোৱা হৈছিল। সোমবাৰে ৰাজ্যসভাৰ অফিচিয়েল ৱেবছাইটত সাতজন সাংসদৰ নাম বিজেপিৰ সদস্য তালিকাত অন্তৰ্ভুক্ত কৰা দেখা যায়। এতিয়া ৰাজ্যসভাত বিজেপিৰ মুঠ শক্তি ১১৩ লৈ বৃদ্ধি পাইছে, আনহাতে আম আদমি পাৰ্টিৰ সাংসদ সংখ্যা ৩ লৈ হ্ৰাস পাইছে। আপৰ তৰফৰ পৰা উল্লেখযোগ্য ৰাজ্যসভা সাংসদ সঞ্জয় সিঙে এক সংবাদ মেলত কয় যে দলটোৱে সংবিধানৰ দশম অনুসূচীৰ অধীনত সাংসদসকলৰ অযোগ্যতাৰ বাবে আবেদন কৰিছিল। তেওঁ কয়, "আমি জ্যেষ্ঠ অধিবক্তা কপিল ছিবাল আৰু লোকসভাৰ এজন প্ৰাক্তন মহাসচিবকে ধৰি বিশেষজ্ঞৰ পৰামৰ্শ লৈ আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰাৰ আশা কৰিছিলো, কিন্তু ৰাজ্যসভাৰ অধ্যক্ষই অভিনৰ সিদ্ধান্ত লৈ আমাক হতাশ কৰিলে।" ৰাজ্যসভাই ৭জন সাংসদক বিজেপিত সংযুক্ত হোৱাৰ আনুষ্ঠানিক অনুমতি দিয়াৰ পিছতে আপৰ ভিতৰত তীব্ৰ অসন্তোষ আৰু উত্তেজনাৰ সৃষ্টি হৈছে। ইতিমধ্যে দলটোৱে এই সিদ্ধান্তৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত আবেদন কৰাৰ সম্ভাৱনা বিচাৰি আছে বুলি সূত্ৰই জনাইছে। অধ্যক্ষ চি পি ৰাধাকৃষ্ণণে প্ৰদান কৰা এই অনুমতিৰ ফলত ৰাজ্যসভাত সংখ্যাগৰিষ্ঠতাৰ গাণিতিক সমীকৰণ সলনি হৈছে। আগন্তুক দিনত ৰাজ্যসভাত গুৰুত্বপূৰ্ণ বিল পাছ কৰাৰ ক্ষেত্ৰত ই বিজেপিৰ বাবে সুবিধাজনক হৈ পৰিছে।

## পুৰণি প্ৰেছ ক্লাবৰ নিজা ভূমি আৰু আধুনিক সুবিধাৰ

নিজা স্থায়ী ঠিকনা নথকাটোক এক গুৰুতৰ সমস্যা হিচাপে উল্লেখ কৰি প্ৰতিনিধি দলটোৱে চৰকাৰী সহায় বিচাৰে। বৈঠকত প্ৰতিনিধি দলটোৱে জনায় যে, ইমান দীৰ্ঘ সময় ধৰি কাৰ্যকৰী হৈ থকাৰ পাছতো গুৱাহাটী প্ৰেছ ক্লাবৰ নিজা স্থায়ী ভৱন নাই। তেওঁলোকে আধুনিক কাৰিকৰী সা-সুবিধা, প্ৰশিক্ষণ কেন্দ্ৰ আৰু স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা থকা এটা সুসজ্জিত স্থায়ী ভৱন নিৰ্মাণৰ বাবে চৰকাৰৰ সহায় বিচাৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰে। ভৱন নিৰ্মাণৰ বাবে গুৱাহাটীৰ যিকোনো সুচল স্থানত অতি কমেও এক বিঘা পাঁচ লেচা ভূমি আৱণ্টন দিবলৈ প্ৰতিনিধি দলটোৱে মুখ্য সচিবৰ ওচৰত অনুৰোধ জনায়। স্থায়ী কাৰ্যালয়ৰ উপৰিও কৰ্মৰত সাংবাদিকসকলৰ স্বাস্থ্য আৰু আৰ্থিক নিৰাপত্তাৰ বিষয়টো বৈঠকত গুৰুত্বসহকাৰে আলোচনা কৰা হয়। বৰ্তমান বহু সাংবাদিকৰ স্বাস্থ্য বীমাৰ অভাৱ থকাৰ কথা উল্লেখ কৰি প্ৰতিনিধি দলটোৱে ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠানৰ জৰিয়তে এটা ব্যাপক স্বাস্থ্য বীমা আঁচনি গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনায়। ইয়াৰ ফলত অসুস্থতাৰ সময়ত সংবাদকৰ্মীসকলে প্ৰয়োজনীয় আৰ্থিক সহায় লাভ কৰিব পাৰিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে। আনহাতে, ৰাজ্যখনত সাংবাদিকসকলৰ সুৰক্ষাৰ প্ৰশ্নটোৱেও বৈঠকত বিশেষ গুৰুত্ব লাভ কৰে। সংবাদ মাধ্যমৰ পৰিসৰ বৃদ্ধি পোৱাৰ পাছতো বিভিন্ন সময়ত স্বাৰ্থান্বেষী মহলৰ পৰা সাংবাদিকৰ ওপৰত আক্ৰমণৰ ঘটনা ঘটি থকাৰ কথা উল্লেখ কৰি প্ৰেছ ক্লাবে গণতান্ত্ৰিক মূল্যবোধ ৰক্ষাৰ স্বাৰ্থত সাংবাদিকসকলক নিৰ্ভয়ে কাম কৰাৰ উপযুক্ত পৰিৱেশ সৃষ্টি কৰিবলৈ চৰকাৰক দাবী জনায়। প্ৰায় ৪৫ মিনিট ধৰি চলা এই গুৰুত্বপূৰ্ণ বৈঠকত মুখ্য সচিব ড০ ৰবি কোটাই প্ৰেছ ক্লাবৰ প্ৰতিনিধি দলৰ দাবীসমূহ ইতিবাচকভাৱে গ্ৰহণ কৰে। তেওঁ সাংবাদিকসকলৰ সমস্যা সমাধানৰ বাবে উচিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। উক্ত প্ৰতিনিধি দলটোত গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি খগেন কলিতা, সাধাৰণ সম্পাদক অমৰেন্দ্ৰ ডেকা আৰু কাৰ্যনিৰ্বাহক সমিতিৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত আছিল। এই বৈঠকে ৰাজ্যৰ সংবাদ মাধ্যম জগতৰ বাবে এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে বুলি সাংবাদিক মহলে আশা কৰিছে যে, চৰকাৰে সাংবাদিকসকলৰ দীৰ্ঘদিনীয়া দাবীসমূহ শীঘ্ৰে বাস্তৱায়িত কৰিব।

## উপসাগৰীয় আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিৰ ওপৰত

অগ্ৰাধিকাৰ দিছে। ভাৰতীয় মিছনসমূহে স্থানীয় ভাৰতীয় নাগৰিকসকলৰ সৈতে দিনে-নিশাই যোগাযোগ ৰক্ষা কৰি আছে আৰু উদীয়মান প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ স্থানীয় কৰ্তৃপক্ষৰ সৈতে ঘনিষ্ঠভাৱে সমন্বয় সাধন কৰি আছে। মন্ত্ৰালয়ে জানিবলৈ দিছে যে, ভাৰতীয় মিছন আৰু ডাকঘৰসমূহে ২৪ ঘণ্টা হেল্পলাইন সেৱা অব্যাহত ৰাখিছে। তেওঁলোকে ভাৰতীয় নাগৰিকসকলক সক্ৰিয়ভাৱে সহায় আগবঢ়াই আছে আৰু স্থানীয় চৰকাৰসমূহৰ সৈতে নিবিড় যোগাযোগ বজাই ৰাখিছে। চৰকাৰে নাগৰিকসকলক সদায় অৱগত কৰি ৰাখিবলৈ নিয়মিত আপডেট জাৰি কৰি আহিছে। বিবৃতিত উল্লেখ কৰা হৈছে যে, স্থানীয় চৰকাৰৰ নিৰ্দেশনা, বিমান আৰু ভ্ৰমণ পৰিস্থিতি, কনচুলাৰ সেৱা আৰু সম্প্ৰদায়ক সহায় কৰিবলৈ গ্ৰহণ কৰা বিভিন্ন কল্যাণমূলক পদক্ষেপৰ তথ্যসহ নিয়মিত পৰামৰ্শ জাৰি কৰা হৈছে। ভাৰতীয় মিছনসমূহে ভাৰতীয় সংস্থা, পেছাদাৰী গোট, কোম্পানী আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে সক্ৰিয়ভাৱে যোগাযোগ কৰি তথ্য আৰু সহায়ৰ সময়োচিত প্ৰসাৰ সুনিশ্চিত কৰিছে। ইয়াৰ উপৰি, এই অঞ্চলত কৰ্মৰত ভাৰতীয় নাৱিকসকলৰ কল্যাণক চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। মন্ত্ৰালয়ে কয়, "এই অঞ্চলৰ ভাৰতীয় নাৱিকসকলৰ কল্যাণক আমি অগ্ৰাধিকাৰ দিছো।" ভাৰতীয় মিছনে স্থানীয় কৰ্তৃপক্ষ আৰু সংস্থাসমূহৰ সৈতে সমন্বয় সাধন কৰি, কনচুলাৰ সাহায্য প্ৰদান কৰি আৰু ভাৰতলৈ উভতি অহাৰ অনুৰোধৰ ক্ষেত্ৰত সকলো ধৰণৰ সহায় আগবঢ়াই আছে। অঞ্চলটো আৰু ভাৰতৰ মাজত ভ্ৰমণৰ গতিবিধি যথেষ্ট পৰিমাণে অব্যাহত আছে যদিও কিছু কাৰ্যকৰী সীমাবদ্ধতা আছে। ২৮ ফেব্ৰুৱাৰীৰ পৰা এতিয়ালৈকে প্ৰায় ১২, ৯৬, ০০০জন যাত্ৰীয়ে এই অঞ্চলৰ পৰা ভাৰতলৈ যাত্ৰা কৰিছে। সংযুক্ত আৰব এমিৰেটছত বিমান পৰিবহণ কোম্পানীসমূহে সীমিত সংখ্যক বাণিজ্যিক বিমান চলাচল অব্যাহত ৰাখিছে। সুৰক্ষা আৰু কাৰ্যকৰী বিবেচনাৰ ভিত্তিত সংযুক্ত আৰব এমিৰেটছ আৰু ভাৰতৰ মাজত এদিনত প্ৰায় ১১০খন বিমান চলাচল কৰাৰ আশা কৰা হৈছে। চৌদি আৰব আৰু ওমানৰ পৰা ভাৰতীয় গন্তব্যস্থানলৈ বিমান সেৱা অব্যাহত আছে। কাটাৰৰ আকাশমাৰ্গ আংশিকভাৱে পুনৰ মুকলি কৰাৰ ফলত কাটাৰ এয়াৰৱেজে একাধিক ভাৰতীয় চহৰলৈ বিমান সেৱা পুনৰ আৰম্ভ কৰিবলৈ সক্ষম হৈছে। কুৱেইট আৰু বাহৰেইনে আকাশমাৰ্গ পুনৰ মুকলি কৰাত জাজিৰা এয়াৰৱেজ, কুৱেইট এয়াৰৱেজ আৰু গাল্‌ফ এয়াৰে সীমিত পৰিসৰত বিমান সেৱা পুনৰ আৰম্ভ কৰিছে। ইৰাকৰ আকাশমণ্ডল সীমিত সেৱাৰ সৈতে খোলা আছে, যিয়ে যাত্ৰা সহজ কৰিব পাৰে। আনহাতে ইৰানৰ আকাশমণ্ডল সামগ্ৰী আৰু চাৰ্টাৰ বিমানৰ বাবে আংশিকভাৱে উপলব্ধ হৈ আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয় নাগৰিকসকলক ইৰান ভ্ৰমণ নকৰিবলৈ আহ্বান জনাইছে আৰু ইতিমধ্যে উপস্থিত থকা লোকসকলক দূতাবাসৰ সহায়ত স্থল সীমান্তৰ জৰিয়তে বাহিৰলৈ যাবলৈ উৎসাহিত কৰিছে। এতিয়ালৈকে তেহৰানত থকা ভাৰতীয় দূতাবাসে ইৰানৰ পৰা ২, ৪৪৫ গৰাকী ভাৰতীয় নাগৰিকক স্থল পথেৰে বাহিৰলৈ ওলোৱাত সহায় কৰিছে। ইজৰাইলতো সীমিত বিমান সেৱা পুনৰ আৰম্ভ কৰা হৈছে, যিয়ে ভাৰতলৈ যাত্ৰাৰ বাবে অতিৰিক্ত বিকল্প প্ৰদান কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে, তেওঁলোকে অঞ্চলটোৰ উন্নয়ন নিবিড়ভাৱে অনুসৰণ কৰি থাকিব আৰু প্ৰয়োজন অনুসৰি সহায়ৰ ব্যৱস্থা সম্প্ৰসাৰিত কৰিব।

## ৮০ বছৰ বয়সত দেহাৱসান বলীউডৰ অভিনেতা ভৰত

তেওঁৰ শেষকৃত্য সম্পন্ন হয়। চলচ্চিত্ৰ নিৰ্মাতা অশোক পণ্ডিতে ভৰত কাপুৰক এগৰাকী অসাধাৰণ ব্যক্তি আৰু কিংবদন্তি শিল্পী বুলি অভিহিত কৰি এই দুঃখজনক খবৰটো শ্বেয়াৰ কৰে। প্ৰয়াত অভিনেতাৰ ঘনিষ্ঠ বন্ধু অৱতাৰ গীলে জানিবলৈ দিয়ে যে, বিগত কিছুদিন ধৰি ভৰত কাপুৰ গুৰুতৰভাৱে অসুস্থ আছিল আৰু তেওঁৰ বহু অংগ বিকল হৈ পৰিছিল। ভৰত কাপুৰৰ বিয়োগে সমগ্ৰ চলচ্চিত্ৰ, টেলিভিছন আৰু থিয়েটাৰ জগতত শোকৰ ছাঁ পেলাইছে। প্ৰায় চাৰি দশক ধৰি হিন্দী ১৯৭২ চনত 'জংগল মে মংগল' ছবিৰ জৰিয়তে তেওঁৰ চলচ্চিত্ৰ জীৱনৰ আৰম্ভণি হয়। ১৯৭০, ১৯৮০ আৰু ১৯৯০ চনৰ দশকত তেওঁ দ্ৰুতগতিত এজন বিশিষ্ট চৰিত্ৰ অভিনেতা হিচাপে পৰিচিতি লাভ কৰে। সাধাৰণতে খলনায়ক, আৰক্ষী বিষয়া বা উকীলৰ দৰে শক্তিশালী আৰু বলিষ্ঠ চৰিত্ৰত তেওঁক দেখা গৈছিল। "নূৰী", "গুলামী", "আখৰী ৰাস্তা", "খুদা গৱাহ", "হিন্দুস্তান কী কাছাম"ৰ দৰে ছুপাৰহিট ছবিত তেওঁৰ অভিনয় বহুলভাৱে প্ৰশংসিত হৈছিল। বিশেষকৈ "নূৰী"ত বছিৰ খান আৰু "হিন্দুস্তান কী কাছাম"ত উছমানৰ চৰিত্ৰত তেওঁৰ অভিনয় দৰ্শকৰ মনত গভীৰভাৱে ৰৈ গৈছে। যদিও তেওঁ কেতিয়াও নায়কীয় চৰিত্ৰত অভিনয় কৰা নাছিল, তথাপি নিজৰ বলিষ্ঠ অভিনয় আৰু উপস্থিতিৰ জৰিয়তে দৰ্শকৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল। অমিতাভ বচ্চন আৰু ঋষি কাপুৰৰ দৰে মহাতাৰকাৰ সৈতে কাম কৰাৰ সুযোগ তেওঁ লাভ কৰিছিল। চলচ্চিত্ৰৰ উপৰিও টেলিভিছন জগততো ভৰত কাপুৰে উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। "ভাগ্যবিধাতা" ধাৰাবাহিকত মূল চৰিত্ৰত অভিনয় কৰাৰ লগতে "সাঁচ", "আমানত", "চন্দ্ৰকান্তা"ৰ দৰে জনপ্ৰিয় ধাৰাবাহিকত গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছিল। থিয়েটাৰ, টেলিভিছন আৰু চলচ্চিত্ৰ— তিনিওটা মাধ্যমতে সমান দক্ষতা প্ৰদৰ্শন কৰা এগৰাকী বহুমুখী শিল্পী আছিল ভৰত কাপুৰ। তেওঁৰ কণ্ঠস্বৰ, অভিনয় ক্ষমতা, সৰলতা আৰু কামৰ প্ৰতি নিষ্ঠাই তেওঁক চলচ্চিত্ৰ উদ্যোগত এক বিশেষ স্থান দিছিল। প্ৰয়াত অভিনেতাৰ বিয়োগত সমগ্ৰ বলীউড আৰু ভাৰতীয় চলচ্চিত্ৰ জগত শোকাহত হৈছে। তেওঁৰ অৱদান ভাৰতীয় চিনেমাৰ ইতিহাসত চিৰদিনৰ বাবে স্মৰণীয় হৈ থাকিব।

## ইমান গৰমতো ক্লান্তি অনুভৱ

দিয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে সভাত কয় যে, বংগৰ প্ৰচণ্ড গৰমৰ মাজতো ৰোডশ্ব' কৰি তেওঁ একেবাৰে ক্লান্তি অনুভৱ কৰা নাই। তেওঁ দৃঢ়তাৰে দাবী কৰে যে ৪ মে'ৰ পিছত বিজেপি চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানলৈ তেওঁ বংগলৈ নিশ্চয় আহিব।" বেৰেকপুৰৰ এই মাটিয়ে স্বাধীনতাক শক্তি দিছে আৰু পৰিৱৰ্তনৰ পথ প্ৰশস্ত কৰিছে। হেলিপেডৰ পৰা ইয়ালৈ অহা ২ কিলোমিটাৰ পথত ইমান সংখ্যক মানুহে আমাক আশীৰ্বাদ দিছে যে, মই কল্পনাও কৰিব পৰা নাছিলো। এয়া মোৰ বংগত অন্তিম সভা। বংগৰ বিভিন্ন স্থানলৈ গৈ মানুহৰ যি বিপুল সঁহাৰি লাভ কৰিছো, তাৰ পৰা এটা কথা স্পষ্টভাৱে ক'ব পাৰো যে— ৪ তাৰিখৰ পিছত শপতগ্ৰহণ অনুষ্ঠানলৈ মই ইয়ালৈ আহিবই লাগিব"— বুলি কয় প্ৰধানমন্ত্ৰী মোদীয়ে। তেওঁ লগতে কয়, "বিগত ৩-৪ দশক ধৰি দেশৰ কোণে কোণে ঘূৰি ফুৰিছো। দিন-ৰাতি বা বতৰ চোৱা নাই। যিদিনাৰ পৰা ঘৰ এৰিছো, তেতিয়াৰ পৰা আপোনালোকৰ মাজতে মোৰ শান্তি বিচাৰি পাওঁ।" প্ৰধানমন্ত্ৰীয়ে এই নিৰ্বাচনী অভিযানক এক পৃথক অনুভৱ বুলি বৰ্ণনা কৰি কয়, "ইমান তীব্ৰ গৰমৰ মাজতো বংগৰ নিৰ্বাচনত মোৰ কোনো ধৰণৰ ক্লান্তি অনুভৱ হোৱা নাই। এই ৰোডশ্ব' মোৰ বাবে তীৰ্থযাত্ৰাৰ দৰে আছিল। মই মা কালীৰ ভক্তসকলৰ মাজলৈ গৈছিলো, সেয়ে মা কালীয়েও মোক অপাৰ শক্তি প্ৰদান কৰিছে।" তেওঁ আৰু কয়, "জানুৱাৰী ২০২৪ চনত ৰামলালাৰ প্ৰাণ প্ৰতিষ্ঠাৰ আগতে মই ১১ দিনীয়া ব্ৰত পালন কৰিছিলো আৰু বহু মন্দিৰ দৰ্শন কৰিছিলো। এইবাৰ নিৰ্বাচনৰ আগতেও মোৰ মনত একেই অনুভূতি হৈছিল। যেন মই মন্দিৰত দেৱী দৰ্শন কৰিবলৈ আহিছো। বংগত যি আধ্যাত্মিক অনুভূতি লাভ কৰিলো, সেয়া মোৰ বাবে এক ডাঙৰ আশীৰ্বাদ।" প্ৰধানমন্ত্ৰী মোদীৰ এই ভাষণে বেৰেকপুৰৰ জনসভাত উপস্থিত হাজাৰ হাজাৰ লোকক উদ্দীপিত কৰিলে।

## আজি প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিব মেঘালয় ক্ৰিকেট

সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত ক্ৰিকেটৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ এক সমন্বিত প্ৰচেষ্টা হিচাপে চিহ্নিত হ'ব। এমচিএৰ সভাপতি জেমছ পি কে ছাংমাই সকলো সদস্য আৰু সহযোগী সংগঠনসমূহক কুৰ্কালাংৰ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানত উপস্থিত থাকিবলৈ আমন্ত্ৰণ জনাইছে। তেওঁ এই অনুষ্ঠানক ৰাজ্যখনৰ ক্ৰিকেট বিকাশৰ বাবে এক ঐতিহাসিক আৰু গুৰুত্বপূৰ্ণ মুহূৰ্ত বুলি অভিহিত কৰিছে। পূৰ্বৰ প্ৰশাসনৰ অধীনত নিৰ্মাণ কাৰ্যত বিলম্ব ঘটাৰ পিছতো একাডেমীখন সম্পূৰ্ণ কৰাৰ বাবে ত্বৰান্বিত প্ৰচেষ্টা চলোৱা হৈছিল। সভাপতি ছাংমাই জনাইছে যে, তেওঁ মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে ছাংমাৰ হস্তক্ষেপ বিচাৰিছিল যাতে নিৰ্মাণ কাম ত্বৰান্বিত হয়। তেওঁ কয়, "মই এই হস্তক্ষেপৰ অনুৰোধ কৰিছিলো যাতে একাডেমীখন সম্পূৰ্ণ কৰাৰ কাম দ্ৰুত হয়। তেওঁৰ হস্তক্ষেপৰ ফলতে এতিয়া ইণ্ড'ৰ ক্ৰিকেট একাডেমীখন উদ্বোধন আৰু ব্যৱহাৰৰ বাবে সম্পূৰ্ণ সাজু হৈছে।'' তেওঁ মুখ্যমন্ত্ৰীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। একাডেমীখন কাৰ্যক্ষম কৰাৰ আগতে বিদ্যুতৰ অভাৱ আছিল এক প্ৰধান বাধা। কিন্তু মেঘালয় এনাৰ্জী কৰ্প'ৰেশ্যন লিমিটেড (MeECL)ৰ সহযোগত মাত্ৰ ১২ দিনৰ ভিতৰতে বিদ্যুৎ সংযোগ দিয়া হয়, যাৰ ফলত সময়মতে চূড়ান্ত প্ৰস্তুতি সম্পূৰ্ণ কৰিব পৰা গৈছে। ছাংমাই এই উদ্বোধনী অনুষ্ঠানক ৰাজ্যখনৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বৰ্ণনা কৰিছে। তেওঁ কয়, "প্ৰধানমন্ত্ৰীয়ে এই একাডেমী উদ্বোধন কৰাটো আমাৰ বাবে এক বিৰাট সন্মানৰ কথা। ইয়াৰ ফলত মেঘালয় তথা উত্তৰ-পূৰ্বাঞ্চলত ক্ৰিকেটৰ প্ৰসাৰ ত্বৰান্বিত হ'ব।" তেওঁ লগতে জনাইছে যে, প্ৰাক্তন খেলুৱৈসকলৰ গঠিত ক্ৰিকেট পৰামৰ্শদাতা গোটকে ধৰি অভ্যন্তৰীণ সমিতিসমূহৰ সৈতে প্ৰশিক্ষণ আৰু বিকাশমূলক কাৰ্যসূচীৰ পৰিকল্পনাৰ বাবে আলোচনা চলি আছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড (BCCI)ৰ সহযোগত নিৰ্মিত এই ইণ্ড'ৰ একাডেমীয়ে মেঘালয়ৰ খেলুৱৈসকলক আধুনিক ইণ্ড'ৰ পৰিৱেশত বছৰজুৰি প্ৰশিক্ষণৰ সুযোগ দিব। ইয়াৰ জৰিয়তে ৰাজ্যখনৰ ক্ৰিকেটৰ মান উন্নীত কৰাৰ লগতে যুৱ প্ৰজন্মক ক্ৰিকেটৰ প্ৰতি আকৰ্ষিত কৰাৰ আশা কৰা হৈছে। এই উদ্বোধনী অনুষ্ঠানে উত্তৰ-পূৰ্বাঞ্চলৰছটা ৰাজ্যতে একে ধৰণৰ ইণ্ড'ৰ ক্ৰিকেট সুবিধা বৃদ্ধিৰ এক বৃহত্তৰ পৰিকল্পনাৰ অংশ হিচাপে গণ্য কৰা হৈছে। সাংবাদিক আৰু ক্ৰিকেট প্ৰেমীসকলে এই অনুষ্ঠানক অতি উৎসাহেৰে অপেক্ষা কৰি আছে।

## লাহোৱালৰ পৰা গ্ৰেপ্তাৰ পলাতক ছামিম আহমেদক

কৰি থকা ছামিমক গ্ৰেপ্তাৰ কৰাৰ খবৰে সমগ্ৰ ৰাজ্যতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে, শনিবাৰে নিশা মঠঘৰীয়া গেট হস্পিতালৰ সন্মুখত এখন ৰখাই থোৱা ট্ৰাকত প্ৰচণ্ড বেগেৰে খুন্দা মাৰে AS01GP0562নম্বৰৰ ছুইফট গাড়ীখনে। এই দুৰ্ঘটনাত থিতাতে প্ৰাণ হেৰুৱায় তিনিগৰাকী যুৱতীয়ে। দুৰ্ঘটনাৰ পিছতে চালক ছামিম আহমেদে ঘটনাস্থল এৰি পলায়ন কৰিছিল আৰু তেওঁৰ মোবাইল ফোন বন্ধ হৈ গৈছিল। ছামিম আহমেদৰ ঘৰ আগৰতলাত হ'লেও তেওঁ গুৱাহাটীৰ জয়ানগৰত বাস কৰিছিল। বিল্ডাৰ হিচাপে পৰিচিত ছামিমে দুৰ্ঘটনাৰ দিনা যুৱতীসকলৰ সৈতে এটা কমেডী শ্ব' চাবলৈ গৈছিল বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাৰ পিছতে তেওঁ আত্মগোপন কৰাত আৰক্ষীয়ে তেওঁৰ সন্ধানত তীব্ৰতা বৃদ্ধি কৰিছিল। এতিয়া গুৱাহাটী আৰক্ষীৰ এটা বিশেষ দল ডিব্ৰুগড়লৈ ৰাওনা হৈছে ধৃত ছামিমক লৈ গুৱাহাটীলৈ উভতি আহিবলৈ। আৰক্ষীয়ে ঘটনাৰ সবিশেষ তদন্ত অব্যাহত ৰাখিছে আৰু দুৰ্ঘটনাৰ সঠিক কাৰণ নিৰ্ণয় কৰিবলৈ চেষ্টা চলাইছে। দুৰ্ঘটনাত নিহত যুৱতীসকলৰ পৰিয়ালৰ মাজত তীব্ৰ শোকৰ ছায়া পৰিছে। এই ঘটনাই গুৱাহাটীত ৰাতিৰ সময়ত বেগী গাড়ী চলোৱাৰ বিপদ আৰু নিৰাপত্তাৰ প্ৰশ্ন উত্থাপন কৰিছে। আৰক্ষীয়ে জনসাধাৰণক সজাগ থাকিবলৈ আহ্বান জনাইছে। ধৃত ছামিমৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত তদন্ত আৰু অধিক গতি লাভ কৰিব বুলি আশা কৰা হৈছে।

## "কংগ্ৰেছে মহিলাসকলক কেৱল ভোটবেংক হিচাপে

মিত্ৰজোঁটৰ তীব্ৰ সমালোচনা কৰে বিজেপি কৰ্মীয়ে। যোৰহাট বিজেপি মহিলা মৰ্চাৰ সভানেত্ৰী ৰূমী চেতিয়াই প্ৰতিবাদ সভাত কয়, "কংগ্ৰেছে দশক দশক ধৰি মহিলাসকলক কেৱল ভোটবেংক হিচাপে ব্যৱহাৰ কৰি আহিছে। সংসদত মহিলাৰ অংশগ্ৰহণ আৰু ৰাজনৈতিক ক্ষমতা সাধাৰণ মহিলাৰ হাতলৈ যোৱাটো তেওঁলোকে কেতিয়াও বিচৰা নাছিল। কিন্তু বিজেপিয়ে মহিলাক সংবিধানিক অধিকাৰ প্ৰদান কৰিব বিচাৰিছে।" তেওঁ লগতে কয়, "১৭ এপ্ৰিলত সংসদত কংগ্ৰেছে যি নাৰী বিৰোধী স্থিতি গ্ৰহণ কৰিলে, তাৰ প্ৰতিবাদত আজি মহিলাসকল ৰাজপথলৈ ওলাই আহিছে। মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ বিধেয়কখনৰ বিৰোধিতা কৰি কংগ্ৰেছে মহিলাসকলক তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিত কৰিলে। কংগ্ৰেছে মহিলাক সুৰক্ষা দিয়াৰ কথা কোৱাৰ কোনো অধিকাৰ নাই।" এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি যোৰহাট জিলা বিজেপিৰ সভাপতি শান্তনু পূজাৰীয়ে কয় যে, মহিলা আসন সংৰক্ষণ বিধেয়কৰ বিৰোধিতা কৰাৰ পাছতে কংগ্ৰেছৰ দুমুখীয়া চৰিত্ৰ স্পষ্ট হৈ পৰিছে। তেওঁ অভিযোগ কৰে যে, কংগ্ৰেছত পৰিয়ালতান্ত্ৰিক চৰিত্ৰ প্ৰকট হোৱাৰ লগতে দলটো যে নাৰী বিৰোধী, সেয়া প্ৰমাণিত হৈছে। উল্লেখ্য যে, 'নাৰী শক্তি বন্দনা'ৰ অধীনত মহিলা আসন সংৰক্ষণ বিধেয়ক-২০২৬ লোকসভাত অনুমোদনৰ সময়ত কংগ্ৰেছ আৰু বিৰোধী দলসমূহে গ্ৰহণ কৰা স্থিতিৰ বিৰোধিতা কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিজেপি কৰ্মীয়ে প্ৰতিবাদ অব্যাহত ৰাখিছে। সোমবাৰে যোৰহাট জিলা ক্ৰীড়া সন্থা খেলপথাৰৰ পৰা আৰম্ভ হোৱা ৰেলীত বিজেপি মহিলা মৰ্চাৰ বহু সংখ্যক কৰ্মীয়ে অংশগ্ৰহণ কৰে।

## ডিব্ৰুগড়ৰ প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অভিযন্তা হায়াত ইমদাদুৰ ৰহমানৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৭ এপ্ৰিল ঃ** ডিব্ৰুগড়ৰ কনভয় ৰোডৰ বৈৰাগীমঠ এক নম্বৰ উপপথ নিবাসী আলহজ হায়াত ইমদাদুৰ ৰহমানৰ (নজিফ) কালি সন্ধিয়া নিম্ন ৰক্তচাপ জনিত কাৰণত ৬৮ বছৰ বয়সত মৃত্যু হয়। ১৯৫৮ চনৰ ৩ ফেব্ৰুৱাৰীত ডিগবৈত জন্মগ্ৰহণ কৰা ৰহমানে কৰ্ম সূত্ৰে আহি ডিব্ৰুগড়তে স্থায়ী হিচাপে থাকিবলৈ লয়। তেওঁ হায়াৰ ছেকেণ্ডাৰী স্কুল পাছ কৰাৰ পাছত গুৱাহাটীলৈ যায় আৰু চান্দমাৰীত থকা অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান মহাবিদ্যালয়ৰ পৰা কেমিকেল বিভাগত ডিগ্ৰী লৈ আহি অসম চৰকাৰৰ প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডত চাকৰিত যোগদান কৰি শিলচৰ, শিৱসাগৰ, গোলাঘাট আদিত চাকৰি কৰি ২০১৮ চনত ডিব্ৰুগড়ৰ প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ পৰা অৱসৰ গ্ৰহণ কৰে। ৰহমানে ২০১৮ চনত তেওঁৰ পৰিবাৰৰ সৈতে গৈ হজব্ৰত সম্পন্ন কৰে। অতি নম্ৰ আৰু ভদ্ৰ আলহজ হায়াত ইমদাদুৰ ৰহমানে মৃত্যুৰ সময়ত পৰিবাৰ, তিনি কন্যা, দুই জোঁৱাই, দুগৰাকী বায়েক, দুজন ভাই, এক ভনীয়েক আৰু নাতি নাতিনীৰ লগতে বৃহৎ এক পৰিয়াল আৰু আত্মীয় স্বজনক ইহসংসাৰত এৰি যায়। আজি নালিয়াপুল কবৰস্থানত অনেক গুণমুগ্ধৰ উপস্থিতিত ৰহমানৰ জা না জা সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

## দুই দশকত ১২ শতাংশ ধ্বংস কাৰ্বি আংলঙৰ সেউজ

অধ্যয়নৰ তথ্যই এই পৰিৱেশ সংকটৰ তীব্ৰতা স্পষ্টকৈ দাঙি ধৰিছে। গোলকীয় বন নিৰীক্ষণ সংস্থা (Global Forest Watch)ৰ তথ্যৰ ভিত্তিত প্ৰস্তুত কৰা প্ৰতিবেদন অনুসৰি, ২০০১ চনৰ পৰা ২০২০ চনৰ ভিতৰত জিলাখনে ইয়াৰ মুঠ সেউজ আৱৰণৰ প্ৰায় ১২ শতাংশ হেৰুৱাব লগা হৈছে। অসমৰ সৰ্ববৃহৎ পাহাৰীয়া জিলাখনৰ পাৰিপাৰ্শ্বিক ভাৰসাম্যৰ প্ৰতি এই ধ্বংসই এক তীব্ৰ ভাবুকি কঢ়িয়াই অনা বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। প্ৰাপ্ত তথ্য অনুযায়ী, ২০০০ চনত কাৰ্বি আংলং জিলাত মুঠ ৭ লাখ ৪৩ হাজাৰ হে'ৰতকৈও অধিক ভূমি অৰণ্যভূমি আছিল। কিন্তু ২০০১ চনৰ পৰা ২০২০ চনৰ ছাব্বিশ বছৰৰ ভিতৰত জিলাখনে প্ৰায় ৯৭.৪ কিলো-হে'ৰ অৰণ্য এলেকা হেৰুৱাইছে। পৰিসংখ্যানুসাৰে এইটো জিলাখনৰ মুঠ বনাঞ্চলৰ এক বৃহৎ অংশ। ইয়াৰ ফলত বায়ুমণ্ডলত কাৰ্বন-ডাই-অ'ক্সাইড নিৰ্গমন উল্লেখযোগ্য হাৰে বৃদ্ধি পোৱাৰ সম্ভাৱনা দেখুৱাইছে, যিয়ে স্থানীয় জলবায়ু পৰিৱৰ্তনৰ লগতে গোলকীয় উষ্ণতা বৃদ্ধিতো প্ৰভাৱ পেলাইছে। অধিক উদ্বেগৰ কথা যে, এই বন ধ্বংসৰ ফলত জিলাখনৰ প্ৰাকৃতিক শৃংখলা বিঘ্নিত হোৱাৰ লগতে বন্যপ্ৰাণীৰ আবাসস্থল সংকুচিত হৈ পৰিছে। কাৰ্বি আংলঙত বন ধ্বংসৰ মূল কাৰণসমূহৰ বিষয়ে পৰিৱেশবিদ আৰু বিশেষজ্ঞসকলে কিছুমান বিশেষ দিশ উল্লেখ কৰিছে। সেইসমূহৰ ভিতৰত পৰম্পৰাগত ঝুম খেতি বা স্থানান্তৰিত কৃষি পদ্ধতি আটাইতকৈ পুৰণি আৰু প্ৰভাৱশালী কাৰণ। ইয়াৰ উপৰিও বাণিজ্যিক স্বাৰ্থত সংঘটিত অবৈধ বন কটা কাৰ্য, পাহাৰীয়া ভূমি দখল আৰু বনাঞ্চলক কৃষি ভূমিলৈ ৰূপান্তৰ কৰাৰ প্ৰৱণতাই এই সংকটক চৰম কৰি তুলিছে। লগতে, জিলাখনৰ বিভিন্ন প্ৰান্তত অবৈধভাৱে চলি থকা শিলৰ কুৱেৰী আৰু বালি মহলৰ বাবেও যথেষ্ট পৰিমাণৰ গছ কাটি পেলোৱা হৈছে বুলি সচেতন মহলে অভিযোগ কৰি আহিছে। উল্লেখনীয় যে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া বাফাৰ জ'ন হিচাপে পৰিচিত এই পাহাৰীয়া অঞ্চলটোৰ বন ধ্বংসই মানুহ-হাতী সংঘাত বৃদ্ধি পোৱাৰ বাবেও এক গুৰুত্বপূৰ্ণ কাৰণ হিচাপে চিহ্নিত হৈছে। বনাঞ্চল সংকুচিত হোৱাত বন্যহাতীসমূহে খাদ্য আৰু বাসস্থানৰ সন্ধানত মানুহৰ বসতিপূৰ্ণ অঞ্চলত সোমাই পৰে, যাৰ ফলত প্ৰাণহানিৰ লগতে ফচলৰ ক্ষতি সাধিত হৈছে। এই বিষয়ক অধ্যয়ন প্ৰকাশ পোৱাৰ পিছতে জিলাখনৰ পৰিৱেশ কৰ্মী আৰু সচেতন নাগৰিকসকলে চৰকাৰ আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদক কঠোৰ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তেওঁলোকৰ মতে, বনাঞ্চলৰ দ্ৰুত বিলুপ্তি ৰোধ কৰিবলৈ তৎকাল ব্যৱস্থা নল'লৈ অহা দিনত জিলাখনে এক বৃহৎ পৰিৱেশ বিপৰ্যয়ৰ সন্মুখীন হ'ব। বিশেষজ্ঞসকলে আশংকা কৰিছে যে, যদি অতি সোনকালে বৃক্ষৰোপণ আৰু বন পুনৰুদ্ধাৰৰ ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰা নহয়, তেন্তে কাৰ্বি আংলঙত পানীৰ তীব্ৰ নাটনি আৰু ভূমিস্খলনৰ দৰে প্ৰাকৃতিক দুৰ্যোগে দেখা দিব পাৰে। বিশেষকৈ মেঘালয় আৰু অসমৰ সীমান্তৱৰ্তী অঞ্চলত বন ধ্বংসৰ তীব্ৰতা অধিক বুলি প্ৰতিবেদনত উল্লেখ আছে। ইপিনে, এই প্ৰতিবেদনক লৈ প্ৰশাসনীয় মহলত চৰ্চা আৰম্ভ হৈছে। বন বিভাগে ইতিমধ্যে উপগ্ৰহীয় তথ্যসমূহ গভীৰভাৱে বিশে-ষণ কৰি বন সুৰক্ষাৰ বাবে এক নতুন কাৰ্য পৰিকল্পনা প্ৰস্তুত কৰাৰ ইংগিত দিছে। লগতে, স্থানীয় লোকসকলৰ মাজত পৰিৱেশ চেতনা সম্প্ৰসাৰণৰ লগতে ঝুম খেতিৰ বিকল্প হিচাপে বৈজ্ঞানিক কৃষি পদ্ধতিৰ ব্যাপক প্ৰচাৰ চলাবলৈ উদ্যোগ লোৱা হৈছে। জিলাখনৰ প্ৰাকৃতিক সম্পদ অক্ষুণ্ণ ৰাখিবলৈ জনপ্ৰতিনিধি, পৰিৱেশবিদ, বন বিভাগ আৰু সাধাৰণ ৰাইজৰ সমন্বিত প্ৰচেষ্টা বৰ্তমান সময়ৰ দাবী বুলি অভিমত ব্যক্ত কৰা হৈছে।

## আজি ঘোষণা হ'ব উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ

মহলাত নামভৰ্তিৰ সুযোগ আৰু ভৱিষ্যতৰ বৃত্তিগত দিশসমূহ নিৰ্ভৰ কৰে। কাইলৈ নিৰ্ধাৰিত সময়ত, অৰ্থাৎ দিনৰ ১০: ৩০ বজাত ফলাফলসমূহ আনুষ্ঠানিক ৱেবছাইট আৰু অন্যান্য অনুমোদিত প্লেটফৰ্মৰ জৰিয়তে উপলব্ধ হ'ব। ফলাফল ঘোষণাৰ লগে লগে এইবাৰৰ উত্তীৰ্ণৰ হাৰ, শীৰ্ষস্থান দখল কৰা ছাত্ৰ-ছাত্ৰীসকলৰ নাম, বিভিন্ন শাখা আৰু জিলাসমূহৰ ফলাফলৰ বিতং তথ্য ৰাজহুৱা কৰা হ'ব। বিজ্ঞান, কলা আৰু বাণিজ্য— এই তিনিওটা মূল শাখাৰ লগতে বৃত্তিমূলক শাখাৰ ফলাফলৰ পৰিসংখ্যাও একেলগে প্ৰকাশ পাব। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ৰোল নম্বৰ ব্যৱহাৰ কৰি ইণ্টাৰনেটৰ জৰিয়তে সহজতে নিজৰ নম্বৰ তালিকা পৰীক্ষা কৰিব পাৰিব। চৰকাৰ আৰু শিক্ষা সংসদৰ তৰফৰ পৰা সকলো প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে, যাতে ফলাফল চাবলৈ কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয়।

## আটাছুৰ সভাপতি মিলন

ধন আত্মসাৎ আৰু ভাবুকি প্ৰদানৰ গুৰুতৰ অভিযোগ উত্থাপন কৰা হৈছে। উল্লেখযোগ্য যে, লাচিত গগৈয়ে দাখিল কৰা লিখিত অভিযোগ অনুসৰি, ব্যৱসায় সন্দৰ্ভত মিলন বুঢ়াগোহাঁয়ে আগতে তেওঁৰ পৰা মুঠ ১৫ লাখ ৫০ হাজাৰ টকা ধাৰলৈ লৈছিল। পৰৱৰ্তী সময়ত বুঢ়াগোহাঁয়ে সেই ধনৰ ভিতৰৰে ডেৰ লাখ টকা মাত্ৰ ঘূৰাই দিছিল। কিন্তু বাকী প্ৰায় ১৪ লাখ টকা আজিলৈকে ঘূৰাই দিয়া নাই বুলি অভিযোগত উল্লেখ আছে। ইয়াৰ উপৰিও অভিযোগখনত থকা উল্লেখযোগ্য বিষয়টো হৈছে, বকেয়া ধন ঘূৰাই দিবলৈ যোৱা সময়ত লাচিত গগৈৰ প্ৰতি প্ৰাণনাশৰ ভাবুকিও প্ৰদান কৰা হৈছিল। এই ভাবুকিৰ কথাও এজাহাৰখনত অন্তৰ্ভুক্ত কৰা হৈছে। ঘটনাৰ প্ৰেক্ষাপটত, লাচিত গগৈয়ে ইয়াৰ আগতে নিজৰ অধিবক্তাৰ যোগেদি মিলন বুঢ়াগোহাঁইলৈ এক আইনী জাননীও প্ৰেৰণ কৰিছিল। সেই জাননীৰ কোনো সন্তোষজনক সমাধান নোহোৱাত তেওঁ আৰক্ষী শৰণাগত হৈছে বুলি জানিব পৰা গৈছে। এই ঘটনাই শিৱসাগৰৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইফালে, আৰক্ষীয়ে গোচৰটো গুৰুত্ব সহকাৰে লৈ তদন্ত আৰম্ভ কৰিছে। আৰক্ষী সূত্ৰই জানিবলৈ দিয়া মতে, সোনকালেই অভিযুক্তজনক জেৰা কৰাৰ লগতে প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## চামগুৰিৰ বৰভেটিত সমূহীয়া বিবাহ সম্পন্ন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ এপ্ৰিল ঃ** নগাঁও জিলাৰ চামগুৰিৰ বৰভেটি গাঁৱৰ বৰনামঘৰত যোৱা নিশা ১৮ গৰাকী যুৱক-যুৱতীয়ে যুগ্মজীৱনৰ পাতনি মেলিবলৈ ৰাইজৰ আশীৰ্বাদ লোৱা মাঙ্গলিক সেৱা কাৰ্যত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। গাঁওখনৰ গোপিনীসকলে হাতে-হাতে কলচি লৈ একেলগে বিয়াত বহা ৯ যোৰা দৰা-কইনাৰ বাবে পানী তুলিবলৈ অহাৰ লগতে বেণ্ড পাৰ্টীৰ তালে-তালে ছোৱালী, বোৱাৰী, বৃদ্ধা মহিলা সকলোৱে আনন্দ-ফুৰ্তিৰ মাজেৰে নৃত্য কৰা পৰিলক্ষিত হয়। এক শৰণ ভাগৱতী সমাজ অসম, চামগুৰিৰ বৰভেটি বৰনামঘৰৰ ৰাইজৰ উদ্যোগত বৰনামঘৰ প্ৰাংগণত আয়োজিত উক্ত সমূহীয়া বিবাহ অনুষ্ঠানত দৰা কইনাই যোৰাই যোৰাই শাৰী-শাৰীকৈ বহি ৰাইজৰ আশীৰ্বাদ গ্ৰহণ কৰে। উল্লেখ্য যে, যিসকল যুৱক-যুৱতীয়ে সামাজিক ৰীতি-নীতি অবিহনে সংসাৰৰ বান্ধোনত বান্ধ খাই নিজৰ সংসাৰ চলাই আছিল সেইসকল লোকক একত্ৰিত কৰি বৰভেটি বৰ নামঘৰৰ ৰাইজে ৰাজহুৱাকৈ মাঙ্গলিক ৰীতি-নীতিৰ মাজেৰে সমূহীয়া বিবাহ অনুষ্ঠিত কৰি যুগ্মজীৱনৰ বাবে আশিস প্ৰদান কৰে। গাঁৱৰ আয়তিসকলে মাঙ্গলিক ৰীতি-নীতিৰ মাজেৰে পানী তুলি মাহ-হালধিৰে নোৱাই-ধোৱাই ৰাইজক সাক্ষী কৰি বৈবাহিক জীৱনৰ আশিস প্ৰদান কৰে।

# মাজুলীত জঘন্য ধৰ্ষণ কাণ্ডত ঐতিহাসিক ৰায়দান; অভিযুক্ত প্ৰদীপ দাসক কঠোৰ শাস্তি

**অসম বাৰ্তা, মাজুলী, ২৭ এপ্ৰিল ঃ** মাজুলীত ২০২৪ চনৰ ৩ চেপ্তেম্বৰত সংঘটিত এক জঘন্য ধৰ্ষণ কাণ্ডৰ ক্ষেত্ৰত আজি মাজুলী জিলাৰ বিশেষ পকছো (POCSO) আদালতে এক ঐতিহাসিক ৰায়দান প্ৰদান কৰে। যশপাল সিং ন্যায়াধীশে প্ৰদান কৰা এই ৰায়ত ৬ বছৰীয়া নাবালিকাক ধৰ্ষণ কৰা অভিযুক্ত প্ৰদীপ দাসক দোষী সাব্যস্ত কৰি কঠোৰ শাস্তি ঘোষণা কৰা হয়। আদালতৰ তথ্য অনুসৰি, মাজুলীৰ যোগী কৈৱৰ্ত্ত গাঁৱৰ বাসিন্দা প্ৰদীপ দাসে লগৰ ল'ৰা-ছোৱালীৰ সৈতে খেলি থকা অৱস্থাত নাবালিকা গৰাকীক চিপচ কিনি দিয়াৰ প্ৰলোভন দেখুৱাই জংঘলৰ মাজলৈ লৈ যায় আৰু তাতেই এই জঘন্য অপৰাধ সংঘটিত কৰে। নাবালিকা গৰাকীক জংঘলৰ ফালে লৈ যোৱা ঘটনা স্থানীয় এগৰাকী মহিলাই প্ৰত্যক্ষ কৰি তৎক্ষণাৎ নাবালিকা গৰাকীৰ মাতৃক অৱগত কৰে। পাছত মাতৃয়ে জংঘলৰ মাজত গৈ নিজৰ কণ্যাক কান্দি থকা অৱস্থাত উদ্ধাৰ কৰে। নাবালিকাই মাতৃৰ সন্মুখত কান্দি কান্দি অভিযুক্তৰ অসৎ কাৰ্য্যৰ বিষয়ে প্ৰকাশ কৰে। ঘটনাৰ পাছতেই অভিযুক্ত প্ৰদীপ দাসে পলায়ন কৰিছিল যদিও নাবালিকা গৰাকীৰ মাতৃয়ে বনগাঁও আৰক্ষী চকীত এক গোচৰ ৰুজু কৰে। এই গোচৰৰ ভিত্তিত আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰি ৩২/২০২৪ নম্বৰ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। পৰৱৰ্তীকালত প্ৰদীপ দাসক মাজুলী আৰক্ষী থানাই আদালতত হাজিৰ কৰায়। দীঘলীয়া বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আদালতে অভিযুক্তক ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ৮৭ অনুসৰি ৭ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ১০ হাজাৰ টকা জৰিমনা বিহে। জৰিমনা অনাদায়ে অতিৰিক্ত ১ বছৰ কাৰাদণ্ড ভোগ কৰিব লাগিব। ইয়াৰ উপৰিও পকছো আইনৰ ধাৰা ৬ অনুসৰি অভিযুক্তক ৩০ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০ হাজাৰ টকা জৰিমনা বিহা হৈছে। জৰিমনা অনাদায়ে অতিৰিক্ত ২ বছৰ কাৰাদণ্ডৰ নিৰ্দেশ প্ৰদান কৰা হৈছে। আনহাতে এই ৰায়দানত ভুক্তভোগীয়ে দোষীক প্ৰদান কৰা জৰিমনাৰ ধন লাভ কৰাৰ লগতে ভুক্তভোগী ক্ষতিপূৰণ আঁচনিৰ অধীনত এক যথোচিত ক্ষতিপূৰণ ডি এল এচ এ, মাজুলীয়ে প্ৰদান কৰিব বুলি চৰকাৰী অধিবক্তাই জানিবলৈ দিছে। সেই ক্ষতিপূৰণ পাঁচ লাখৰ পৰা ১৬ লাখৰ ভিতৰত থাকে। চৰকাৰী পক্ষৰ হৈ এই গোচৰ পৰিচালনা কৰিছিল লোক অধিবক্তা উত্তম শইকীয়াই। আজি ন্যায়াধীশ যশপাল সিংৰ বিশেষ আদালতে প্ৰদান কৰা এই ৰায়দানে সমাজত নাবালিকাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ ক্ষেত্ৰত এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিব বুলি আশা কৰা হৈছে। আৰক্ষী আৰু ন্যায়ব্যৱস্থাৰ যৌথ প্ৰচেষ্টাত ভুক্তভোগীয়ে ন্যায় লাভ কৰাৰ ক্ষেত্ৰত এইৰায়দানক অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে।

# ৪৫ সংখ্যক চপাই আঞ্চলিক ৰঙালী বিহুত নাট্যকাৰ জিণ্টুমণি কলিতা, অভিনেত্ৰী বনশ্ৰী নাথ, লোকশিল্পী বিপিন চন্দ্ৰ ডেকা সম্বৰ্ধিত

## 'ভয়চ অৱ দৰং' খিতাপ গৰুখুটিৰ অনিন্দিতা নাথলৈ

**অসম বাৰ্তা, মঙলদৈ, ২৭ এপ্ৰিল ঃ** দহ বছৰৰ উৰ্ধৰ এজাক শিশু, কিশোৰ-কিশোৰী, যুৱক-যুৱতী। তেওঁলোকে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, জুবিন গাৰ্গ, বীৰেন্দ্ৰ নাথ দত্ত, খগেন মহন্ত, ৰিদীপ দত্ত, চাৰু গোহাঁই, দীপালী বৰঠাকুৰৰ গীতৰ লগতে প্ৰাণখুলি গাইছে কামৰূপী, গোৱালপৰীয়া লোকগীত, জিকিৰ, বিহুনাম, বিয়ানাম, চিয়া গীতৰ উপৰিও বাদ্যযন্ত্ৰী শিল্পীয়ে তবলাত বজাই দিয়া তাল চিনাক্তকৰণ কৰি সেই তালৰ লগত খাপখুৱাই এটি গীত পৰিৱেশন কৰিছে। এই সকল প্ৰতিভাধৰৰ প্ৰতিভাত মোহাচ্ছন্ন হৈ মঞ্চৰ সন্মুখৰ আসনত বহি থকা সহস্ৰাধিক দৰ্শকে হাত চাপৰি বজাই সংগীত সাধনাত নিমগ্ন সকলক উৎসাহিত কৰিছে। এইদৰে এঘণ্টা, দুঘণ্টা নহয়, প্ৰায় ১১ ঘণ্টাজুৰি কালি মঙলদৈ চহৰৰ নিকটৱৰ্তী চপাই নেহৰু ময়দান কেৱল অসমীয়া ন-পুৰণি গীতেৰে মুখৰিত হৈ পৰিল। কালি দিনৰ ১১ বজাৰ পৰা আৰম্ভ হৈ নিশা ১০ বজাত সফল সামৰণি পৰা অসমীয়া গীতৰ মহাৰণ 'ভয়চ অৱ দৰং' প্ৰতিযোগিতাত নিজৰ যোগ্যতা উদ্ভাসিত কৰি ছিপাঝাৰ গৰুখুটিৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী অনিন্দিতা নাথে শ্ৰেষ্ঠত্বৰ বঁটা লাভ কৰে। চপাই যুৱ কল্যাণ কেন্দ্ৰৰ উদ্যোগত ২০০৭ চনৰ পৰাই নপ্ৰতিভাক উৎসাহিত কৰিব বাবে চপাই আঞ্চলিক ৰঙালী বিহুৰ মঞ্চত আয়োজন কৰি অহা এই ব্যতিক্ৰমী গীতৰ মহাৰণত এইবাৰ শ্ৰেষ্ঠত্ব অৰ্জন কৰি অনিন্দিতা নাথে ধনজিৎ দাস (বাবু) সোঁৱৰণী বঁটা আৰু নগদ পাঁচ হাজাৰ টকা লাভ কৰে। বিশিষ্ট শিল্পী তথা পৌৰপতি নিৰ্মালী দেৱী শৰ্মাই উদ্বোধন কৰা কেইবাটাও ৰাউণ্ডৰ এই প্ৰতিযোগিতাত বিচাৰকৰ আসন শুৱনি কৰে গীতিকাৰ আব্দুল মালিক, শিল্পীদ্বয় ৰেণু শইকীয়া আৰু গায়ত্ৰী পৰাশে। অনাতাঁৰ শিল্পী প্ৰাঞ্জল শৰ্মা আৰু যুৱ শিল্পী উদিত নাৰায়ণ শৰ্মাই আঁত ধৰা এই সংগীতৰ মহাৰণত জ্যেষ্ঠ বাদ্যযন্ত্ৰী শিল্পী ৰঞ্জন দাস, অলকেশ ভৰদ্বাজ, কুহুল চলিহা, চিণ্টু বৰুৱাই নৱপ্ৰজন্মৰ শিল্পীসকলক সহযোগ কৰে। মুঠ ৪৩ গৰাকী প্ৰতিযোগীয়ে তিনিটা ৰাউণ্ডত পাঁচটাকৈ ভিন্ন গীত পৰিৱেশন কৰাৰ অন্তত ফলাফল ঘোষণা কৰা হয়। সেইমতে দ্বিতীয় স্থানপ্ৰাপ্ত অনুৰাগ ডেকাক চন্দ্ৰপ্ৰভা চৌধুৰী সোঁৱৰণী বঁটাসহ নগদ ৪৫০০ টকা, তৃতীয় স্থানপ্ৰাপ্ত অন্তৰীপ শিৰমক বিদ্যাৰাম চহৰীয়া সোঁৱৰণী বঁটাসহ নগদ ৪ হাজাৰ টকা, চতুৰ্থ স্থানপ্ৰাপ্ত ৰাগিনী চহৰীয়াক বংশীদেৱ শৰ্মা, দিনেশ্বৰী দেৱী আৰু মণিকান্ত শৰ্মা সোঁৱৰণী বঁটাসহ নগদ ৩ হাজাৰ টকা, পঞ্চম স্থানপ্ৰাপ্ত ধ্ৰুৱ কিশোৰ বেজবৰুৱাই জাতীয় ছহিদ হৰি নাথ সোঁৱৰণী বঁটাসহ নগদ ২৫০০ টকা আৰু নিবিড় চলিহাই উদ্‌গনিমূলক বঁটা লাভ কৰে। বিহু উদযাপন সমিতিৰ উপদেষ্টা গণেশ দত্তই আঁত ধৰা বঁটাপ্ৰদান অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ, চিত্ৰনাট্যকাৰ, অভিনেতা, পৰিচালক জিণ্টুমণি কলিতা, প্ৰতিশ্ৰুতিসম্পন্ন অভিনেত্ৰী তথা অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ ঊনবিংশতিতম গোগামুখ অধিবেশনত শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান লাভ কৰা বনশ্ৰী নাথ আৰু প্ৰবীণ লোকশিল্পী বিপিন চন্দ্ৰ ডেকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানত নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিজয় কুমাৰ শৰ্মা, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰী নীলিমা দেৱী, দৰং জিলা পৰিষদৰ সদস্য অনিতা ৰাজবংশী, দৰং জিলা নাট্য সন্মিলনীৰ সভাপতি মহেন্দ্ৰ ডেকা, দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশী, শিল্পী - সাহিত্যিক - সমাজসেৱক শৰৎ চন্দ্ৰ শৰ্মা, সূৰ্য্য শৰ্মা, লক্ষ্মীকান্ত শৰ্মা, মদন চহৰীয়া, কমল চন্দ্ৰ ডেকা, ভৱেশ নাৰায়ণ চৌধুৰী, ডাঃ মৃণাল পেগু, স্মৃতি দেউৰী, হাচিনুৰ হুছেইন, দুগ্ধ ডেকা, বিপুল চন্দ্ৰ ডেকা, ৰমেশ চহৰীয়া, হেমন্ত কুমাৰ শৰ্মা, ডম্বৰুধৰ ডেকা, বিত্তজ্যোতি শৰ্মা, অমিয় কুমাৰ কলিতা, গণেশ চন্দ্ৰ দাস, উপেন চন্দ্ৰ ডেকা, গোলোক চন্দ্ৰ বৰা, ইবিনাথ ৰাভা, ভাৰত চন্দ্ৰ ডেকা, তাপস চন্দ্ৰ ডেকা আদিয়ে বঁটাসমূহ বিতৰণ কৰে। নিশা হোৱা সাংস্কৃতিক অনুষ্ঠানত দৰঙী বিহুৱা দল, কপৌপাহি বিহুৱা দলে বিহু নৃত্য প্ৰদৰ্শন কৰাৰ লগতে চিণ্টু দাস, ৰিয়া কলিতা আৰু আচলামে গীত পৰিৱেশন কৰে। যোৱা ২৫ আৰু ২৬ এপ্ৰিলত দুদিনীয়াকৈ অনুষ্ঠিত ৪৫ সংখ্যক চপাই আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত হোৱা মৌ কুঁৱৰী প্ৰতিযোগিতাত জেকলিন ডেকাই প্ৰথম, লমিশ্ৰা বড়াই দ্বিতীয়, তানিষ্কা ডেকাই তৃতীয়; গগনা বাদন প্ৰতিযোগিতাত চাৰিকা ডেকাই প্ৰথম, জাহ্নৱী ডেকাই দ্বিতীয়, হেমাংগী কাশ্যপে তৃতীয়; অসমীয়া গীতত দলীয় নৃত্য প্ৰতিযোগিতাত জাগ্ৰত ডান্স গ্ৰুপে প্ৰথম, দ্বীপজ্যোতি ডেন্স গ্ৰুপে দ্বিতীয়, ত্ৰিনয়ন সংগীত মহাবিদ্যালয়ে তৃতীয় আৰু ৰাংঢালী গ্ৰুপে উদ্‌গণিমূলক বঁটা লাভ কৰে। ভেশচন প্ৰতিযোগিতাত ভায়লীনা ডেকাই প্ৰথম, সুশান্ত মণ্ডলে দ্বিতীয়, ভাৰ্গৱী ডেকাৰ দলে তৃতীয় আৰু হিয়ান চন্দন চহৰীয়াই নিচুকণি বঁটা লাভ কৰে।



## পথ দুৰ্ঘটনাত নিহত এজন, আহত এজন

# বিজনীৰ পুৰণি বাছ আস্থানত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, বিজনী, ২৭ এপ্ৰিল ঃ** চিৰাং জিলাৰ বিজনীৰ পুৰণি বাছ আস্থানৰ গেৰুকবাৰী- বিজনী সংযোগী পথত সোমবাৰে পুৱা এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। বিজনীৰ পৰা গেৰুকাবাৰী অভিমুখী এখন মালবাহী বলেৰ' পিক আপ ভানে পদপথত ৰৈ থকা দুজন ব্যক্তিক খুন্দিওৱাৰ ফলত গুৰুতৰভাৱে আহত হয় ব্যক্তি দুজন। আহতদ্বয় ক্ৰমে বঙাইগাঁও জিলাৰ মৌতাৰা নিবাসী অমিত বসুমতাৰী(৫৫) আৰু বিজনীৰ ফাগুণাগাঁও নিবাসী প্ৰাণবাসী বৰ্মন(৫৫)। আহত অমিত বসুমতাৰীক বিজনী ৰাজ্যিক চিকিৎসালয়ত আৰু আহত প্ৰাণবাসী বৰ্মনক ভেটাগাঁওস্থিত বিজনী মহকুমা অসামৰিক চিকিৎসালয়ত প্ৰেৰণ কৰা হয় যদিও চিকিৎসকে প্ৰাণবাসী বৰ্মনক মৃত বুলি ঘোষণা কৰে। আনহাতে অমিত বসুমতাৰীকো উন্নত চিকিৎসাৰ বাবে বঙাইগাঁৱলৈ প্ৰেৰণ কৰা হৈছে। উল্লেখ্য এ, এছ ০৭ বিচি ৭৯৮৮ নম্বৰৰ মালবাহী বলেৰ' পিক-আপ গাড়ীখন বিজনীৰ পৰা গেৰুকাবাৰী অভিমুখে গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই খুন্দা মাৰে ব্যক্তি দুখজনক। ইয়াৰে আহত অমিত বসুমতাৰী এজন টেম্পো চালক বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা বাহনখন জব্দ কৰাৰ উপৰি বাহনখনৰ চালকজন আটক কৰি বিজনী থানালৈ লৈ যায় ঘটনা সংক্ৰান্তত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত সঙ্গীতমৰ বাৰ্ষিক মুখপত্ৰ 'সঙ্গীতম বাৰ্তা'উন্মোচন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৭ এপ্ৰিল ঃ** ডিব্ৰুগড়ৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান সঙ্গীতমৰ এক কাৰ্যসূচী ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত ২৬ এপ্ৰিলত অনুষ্ঠিত হয়। সঙ্গীতমৰ সম্পাদক ড° মিনাক্ষী সেন শৰ্মাই আঁত ধৰা অনুষ্ঠানটিৰ লগত সংগতি ৰাখি সঙ্গীতমৰ বাৰ্ষিক মুখপত্ৰ 'সঙ্গীতম বাৰ্তা' উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী প্ৰাধ্যাপিকা ড° নাছমিম ফাৰহান আখতাৰে। বাৰ্ষিক মুখপত্ৰ উন্মোচন কৰি ড° আখতাৰে কয় সঙ্গীতমৰ এনে প্ৰচেষ্টা সঁচাই প্ৰশংসনীয়। সঙ্গীতমে সমাজ-সংস্কৃতিৰ বাবে কৰি অহা কামবোৰে সমাজক এক নতুনপথ দেখুৱাবলৈ সক্ষম হৈছে। তেওঁ সঙ্গীতমে এনে এখন সৰ্ব্বাংগ সুন্দৰ বাৰ্ষিক মুখপত্ৰ প্ৰকাশ কৰি উলিওৱাৰ বাবে মুখপত্ৰ সম্পাদনা সমিতিৰ লগতে সঙ্গীতমৰ সমূহ বিষয়ববীয়াক ভূয়সী প্ৰশংসা কৰে। সঙ্গীতমে বিভিন্ন সময়ত কৰি অহা সামাজিক- সাংস্কৃতিক কৰ্মসমূহৰ বাবে তেওঁ সকলোকে অভিনন্দন জ্ঞাপন কৰে। সঙ্গীতম বাৰ্তাৰ সম্পাদক ডাঃ নৱনীতা বৰ্মণে মনভাৱ ব্যক্ত কৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট লেখক, সাহিত্যিক তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই অসমীয়া ভাষাত বাৰ পৃষ্ঠাৰ ৰঙীণ ফটোসহ প্ৰকাশ কৰি উলিওৱা 'সঙ্গীতম বাৰ্তা'খনৰ ভূয়সী প্ৰশংসা কৰি কয় যে অসমীয়া ভাষাত প্ৰকাশ কৰা এই 'সঙ্গীতম বাৰ্তা' মাথোঁ সঙ্গীতমৰ কাম কাজৰ খতিয়ান দাঙি ধৰা দলিল নহয়, ই অসমীয়া সমাজৰ এক সম্পদ। ইয়াক পুথি ভঁড়ালত সংৰক্ষণ কৰি ৰাখিলে বিশ্বায়নৰ যুগত অসমীয়া বহু কথা হেৰাই গ'লেও এই মুখপত্ৰখনে এই সময়ছোৱাক ধৰি ৰাখিব। অধ্যক্ষ গৰাকীয়ে কয় যে ভাল কাম কৰিবলৈ মন থাকিলে মুষ্টিমেয় মানুহেও এই কাম কৰিব পাৰে। এনে ক্ষেত্ৰত মানুহৰ মনটো আৰু সামাজিক কাম কৰাৰ ইচ্ছাহে প্ৰধান সম্বল। তেওঁ এনে ভাল কাম কাজৰ বাবে সদায় সহায়-সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। উন্মোচনী অনুষ্ঠানত সঙ্গীতমৰ সভাপতি মিনাক্ষী বৰুৱা, সম্পাদক ড° মিনাক্ষী সেন শৰ্মা, সঙ্গীতম বাৰ্তাৰ সম্পাদক ডাঃ নৱনীতা বৰ্মণ, সহ সম্পাদক ড° মৰমী তালুকদাৰৰ লগতে সঙ্গীতমৰ সমূহ বিষয়ববীয়া তথা সদস্যসকল উপস্থিত থাকে। অনুষ্ঠানৰ শেষত সঙ্গীতমৰ সম্পাদক ড° মিনাক্ষী সেন শৰ্মাই শলাগ জ্ঞাপন কৰে।

# কৌপাটী গাঁও পঞ্চায়তৰ সচিবৰ বিৰুদ্ধে ছাত্ৰ নেতাক দুৰ্ব্যৱহাৰৰ অভিযোগ

**অসম বাৰ্তা, দলগাঁও, ২৭ এপ্ৰিল ঃ** দৰং জিলাৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত কৌপাটী গাঁও পঞ্চায়তত আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পঞ্চায়তখনৰ সচিব পবিৰ ৰয় চৌধুৰীৰ বিৰুদ্ধে দলগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ এজন বিষয়ববীয়াক চৰম অপমান তথা দুৰ্ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত বাতৰি অনুসৰি, দলগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি গৰাকীয়ে কোনো চৰকাৰী কাম তথা স্মাৰক পত্ৰ প্ৰদানৰ উদ্দেশ্যে সচিবগৰাকীৰ কাৰ্যালয়লৈ গৈছিল। কিন্তু অভিযোগ উঠিছে যে সচিব পবিৰ ৰয় চৌধুৰীয়ে বিষয়টোত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে অত্যন্ত উদণ্ড আচৰণ প্ৰদৰ্শন কৰে। সচিবগৰাকীয়ে ছাত্ৰ নেতাগৰাকীৰ হাতৰ পৰা চিঠিখন থাপ মাৰি কাঢ়ি লয় আৰু সকলোৰে সন্মুখতে সেইখন মুহাৰি দলিয়াই দিয়ে। সচিবগৰাকীৰ এনে অশালীন আচৰণক লৈ এতিয়া সমগ্ৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, পবিৰ ৰয় চৌধুৰীয়ে ইয়াৰ পূৰ্বেও বহুবাৰ সাধাৰণ ৰাইজ আৰু বিভিন্ন প্ৰতিনিধিক দুৰ্ব্যৱহাৰ কৰি আহিছে। এজন চৰকাৰী পদত অধিষ্ঠিত ব্যক্তিৰ এনে দায়িত্বহীন আৰু অগণতান্ত্ৰিক আচৰণক কোনোধ্যেই গ্ৰহণ কৰিব নোৱাৰি বুলি স্থানীয় লোকে ক্ষোভ উজাৰে। এজন ছাত্ৰ প্ৰতিনিধিক কৰা এনে চৰম অপমানৰ বিৰুদ্ধে উচিত তদন্ত কৰি সচিবগৰাকীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংগঠনটোৱে প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

# বাক্সাৰ উদীয়মান যুৱ কবি বিক্ৰম ছেত্ৰীলৈ শব্দ সৌৰভ বঁটা প্ৰদান

**অসম বাৰ্তা, বাগানপাৰা, ২৭ এপ্ৰিল ঃ** বাক্সা জিলাৰ খৈৰাণী গাঁৱৰ এগৰাকী উদীয়মান যুৱ কবি তথা চিকিৎসক বিক্ৰম ছেত্ৰী। বিক্ৰম ছেত্ৰীয়ে চিকিৎসা সেৱাৰ লগতে অসমৰ সাহিত্য জগতলৈ কবিতা সৃষ্টিৰে অৱদান আগবঢ়াই আহিছে। ইতিমধ্যে এইজনা উদীয়মান যুৱ কবি কবিয়ে কেইবাটাও কবিতা লিখি সাহিত্যৰ ভঁৰাল চহকী কৰিছে। যোৱা ২৬ এপ্ৰিলত নলবাৰী জিলাৰ টিহু টাউনৰ আম্বেদকাৰ ভৱনত অনুষ্ঠিত পদ্মপ্ৰিয়া সাহিত্য সংস্কৃতি গোষ্ঠী অসমৰ উদ্যোগত অনুষ্ঠিত বাৰ্ষিক সভা আৰু বটা প্ৰদান অনুষ্ঠানত বা'ৰ খৈৰাণী গাৱৰ উদীয়মান যুৱ কবি তথা চিকিৎসক বিক্ৰম ছেত্ৰীলৈ শব্দ সৌৰভ বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত বিশিষ্ট কবি মোহন, গৌতম, দিগন্ত নিবিড়, নিতু শৰ্মা, দীপাঞ্জলি পাঠক, কণিকা বৰ্মন, দুলু পাঠক, সঞ্জীৱ তালুকদাৰে স্ব-ৰচিত কবিতা পাঠ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানৰ আঁত ধৰে বিশিষ্ট লেখিকা অলকা বুজৰবৰুৱাই।

# দুধনৈ ৰে'লপথত অচিনাক্ত ব্যক্তিৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৭ এপ্ৰিল ঃ** দুধনৈ ৰেলপথৰ ওপৰত তীব্ৰবেগী ৰে'লৰ খুন্দাত প্ৰাণ হেৰুৱালে এজন অচিনাক্ত ব্যক্তিয়ে। কামাখ্যা-যোগীঘোপা ৰে'ল পথৰ দুধনৈ আৰু আমজোঙা ষ্টেচনৰ মাজৰ ৰে'ল লাইনত সংঘটিত হয় এই দুৰ্ঘটনা। জানিব পৰা মতে, কোনো এক তীব্ৰবেগী ৰে'লৰ খুন্দাত প্ৰায় ৬০ বছৰীয়া ব্যক্তিগৰাকীৰ থিতাতে মৃত্যু ঘটে। মৃত ব্যক্তিগৰাকীয়ে এটা হাফপেণ্ট আৰু নীলা ৰঙৰ চেক দিয়া চাৰ্ট পৰিধান কৰি আছিল। অৱশ্যে বৰ্তমানলৈকে ব্যক্তিগৰাকীৰ পৰিচয় জানিব পৰা হোৱা নাই। ঘটনাৰ খবৰ পোৱাৰ পিছতে দুধনৈ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। বৰ্তমান মৃতদেহটো দুধনৈ থানাত ৰখা হৈছে আৰু আৰক্ষীয়ে মৃতকৰ পৰিচয় জানিবলৈ তদন্ত আৰম্ভ কৰিছে। কোনো লোকে ব্যক্তিগৰাকীৰ বিষয়ে তথ্য পালে আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

# লখিমপুৰত গেছ চিলিণ্ডাৰ নাটনিৰ সুযোগ লৈ একাংশই চলাইছে অবৈধ ব্যৱসায়

**অসম বাৰ্তা, ৰঙানদীৰ বিশেষ, ২৭ এপ্ৰিল ঃ** লখিমপুৰ জিলাত গেছ চিলিণ্ডাৰৰ তীব্ৰ নাটনিৰ ফলত সৰ্বসাধাৰণ ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। প্ৰতিদিনে ৰাতিপুৱাৰ পৰা সন্ধিয়া লৈকে প্ৰতিটো গেছ এজেন্সীৰ সন্মুখত দীঘলীয়া শাৰী আৰু লানি নিছিগা ভিৰ পৰিলক্ষিত হৈছে। বিগত কেইবাদিন ধৰি পৰ্যাপ্ত পৰিমাণে চিলিণ্ডাৰ উপলব্ধ নোহোৱাত গ্ৰাহকসকলে সমস্যাৰ সন্মুখীন হৈছে আৰু দৈনন্দিন জীৱন-যাপন ব্যাহত হৈ পৰিছে। এই অভাৱনীয় পৰিস্থিতিৰ মাজতে পোহৰলৈ আহিছে গেছ চিলিণ্ডাৰ আন এক ছবি। জানিব পৰা মতে, জিলাখনৰ একাংশ দুষ্টচক্ৰই এই সংকটজনক পৰিস্থিতিৰ সুযোগ লৈ গেছ চিলিণ্ডাৰৰ কলা বজাৰ চলাই আহিছে। অভিযোগ অনুসৰি, প্ৰতিটো গেছ চিলিণ্ডাৰ ১৪০০ টকাৰ পৰা ১৭০০ টকাৰ ভিতৰত অবৈধভাৱে বিক্ৰী হৈছে। ইয়াৰ ফলত ৰাইজৰ মাজত তীব্ৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়া দেখা গৈছে। একাংশ সচেতন নাগৰিকে প্ৰশ্ন উত্থাপন কৰিছে যিটো সময়ত সৰ্বসাধাৰণ ৰাইজে এজেন্সীৰ পৰা গেছ চিলিণ্ডাৰ লাভ কৰিব পৰা নাই, তেনেকুৱা সংকটজনক পৰিস্থিতিত অধিক মূল্যত বিক্ৰী কৰিবলৈ গেছ চিলিণ্ডাৰ কি দৰে লাভ কৰিছে? কোনে যোগান ধৰিছে অবৈধ ভাৱে গেছ চিলিণ্ডাৰ? বৰ্তমান এই ঘটনাই জিলা প্ৰশাসন আৰু যোগান বিভাগৰ ভূমিকাক লৈও বিভিন্ন প্ৰশ্ন উত্থাপন কৰিছে। এতিয়া লক্ষণীয় হ'ব, এই অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে প্ৰশাসনে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে।

# শালনাৰ এগৰাকী নাবালিকা যুৱতীক বহিঃৰাজ্যত উদ্ধাৰ, এজনক আটক

**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ এপ্ৰিল ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ শালনা আৰক্ষী চকীৰ অন্তৰ্গত সোণাজুৰি অঞ্চলৰ এগৰাকী নাবালিকা যুৱতীক ফ্ৰী ফায়াৰ গেম খেলি প্ৰেমৰ জালত আৱদ্ধ কৰি বিবাহৰ প্ৰলোভন দি এজন মুছলমান যুৱকে বহিঃৰাজ্যলৈ লৈ যোৱা এক ঘটনা পলমকৈ পোহৰলৈ আহিছে। আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়া মতে, শালনা আৰক্ষী চকীৰ অন্তৰ্গত সোণাজুৰি অঞ্চলৰ এগৰাকী নাবালিকা যুৱতীক উত্তৰ প্ৰদেশৰ চামছাদ আলম নামৰ যুৱকজনে ফ্ৰী ফায়াৰ গেম খেলৰ জৰিয়তে চিনাকি হয়। পৰৱৰ্তী সময়ত চামছাদ আলম নামৰ যুৱকজনে উক্ত নাবালিকা যুৱতীগৰাকীক প্ৰেমৰ জালত আৱদ্ধ কৰি বিয়া কৰোৱাৰ প্ৰলোভনেৰে যোৱা ২০ এপ্ৰিলত বহিঃৰাজ্যলৈ পলুৱাই নিয়ে। নাবালিকা যুৱতীগৰাকী নিৰুদ্দেশ হোৱাৰ পিছত পৰিয়ালৰ লোকৰ এজাহাৰৰ ভিত্তিত শালনা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অমৃত প্ৰীতমৰ নেতৃত্বত এটা আৰক্ষী দলে তদন্ত আৰম্ভ কৰি নাবালিকা যুৱতীগৰাকীক মধ্যপ্ৰদেশত লুকুৱাই ৰখাৰ অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে উত্তৰ প্ৰদেশৰ চামছাদ আলম নামৰ যুৱকজনক আটক কৰিবলৈ সক্ষম হয়। নাৰী দেহচক্ৰৰ হাতত উক্ত নাবালিকা যুৱতীগৰাকীক বিক্ৰী কৰিবলৈ মধ্যপ্ৰদেশলৈ লৈ গৈছিল বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। মধ্যপ্ৰদেশৰ পৰা আটক কৰা উত্তৰ প্ৰদেশৰ চামছাদ আলম নামৰ যুৱকজনক আজি শালনা আৰক্ষী চকীৰ আৰক্ষীয়ে কলিয়াবৰৰ আদালতত হাজিৰ কৰাই জে'ল হাজোতলৈ প্ৰেৰণ কৰেবুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

# ১ মে'ত বৰঙাজুলিত ওদালগুৰি জিলা সাহিত্য সভাৰ কবি সন্মিলন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৭ এপ্ৰিল ঃ** ওদালগুৰি জিলা সাহিত্য সভাৰ কবি সন্মিলন উপ-সমিতিৰ উদ্যোগত ডিমাকুছি স্বৰ্ণ সাহিত্য সভাৰ সহযোগত ১ মে'ত এদিনীয়া কাৰ্যসূচীৰে বৰঙাজুলি শংকৰদেৱ সত্ৰ প্ৰাঙ্গণত অনুষ্ঠিত হ'ব। ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া, কবি সন্মিলন উপ-সমিতিৰ সম্পাদক শ্যাম ৰায় বৰুৱা ডিমাকুছি স্বৰ্ণ সাহিত্য সভাৰ সম্পাদক জয়ন্ত ৰাজবংশী আৰু অভ্যৰ্থনা সমিতিৰ সম্পাদক তিলক ডেকাই জানিবলৈ দিয়া মতে ১ মে'ৰ পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব ডিমাকুছি স্বৰ্ণ সাহিত্য সভাৰ সভাপতি মনোজ মিশ্ৰই। বন্তি প্ৰজ্বলন কৰিব ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলি আহমেদে। চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব কবি সন্মিলন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি নিবাৰণ ৰাভাই। ইয়াৰ পিছতে কবি গীতিকাৰ ডঃ হৃদয় ৰঞ্জন দাসৰ সঞ্চালনাত কবি সন্মিলন উদ্বোধন কৰিব অসম কবি সমাজৰ উপ-সভাপতি গৌতমজ্যোতি তালুকদাৰে। আদৰণি ভাষণ আগবঢ়াব উদ্‌যাপন সমিতিৰ সভাপতি ধৰ্ম দাসে। অনুষ্ঠানত অসম সাহিত্য সভা কবি সন্মিলনৰ মুখ্য আহ্বায়ক নৱ ৰাজনে মুখ্য অতিথিৰ আসন শুৱনি কৰিব। বিশিষ্ট অতিথিত সত্ৰাধিকাৰ নিৰঞ্জন বড়ো, সমাজকৰ্মী জৌশ্ৰাং বড়ো, ৰূপজ্যোতি দেৱনাথ আৰু কামাল আজাদে অংশগ্ৰহণ কৰিব।

# বিহু বিষয়ৰ পৰীক্ষাত ছাত্ৰ তুষাৰ কলিতাৰ কৃতিত্ব, জলপানি লাভ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৭ এপ্ৰিল ঃ** ওদালগুৰি জিলাৰ টংলাৰ ২ নং ৱাৰ্ডৰ নিবাসী বিপুল চন্দ্ৰ কলিতা আৰু নৱনীতা ফুকনৰ একমাত্ৰ পুত্ৰ, সমাজ সেৱক সাহিত্যপ্ৰেমী আদিত চন্দ্ৰ কলিতা আৰু স্নেহলতা কলিতাৰ নাতি তুষাৰ কলিতাই কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ সাংস্কৃতিক প্ৰতিভা অনুসন্ধান বৃত্তি আঁচনি অৰ্থাৎ Regional Cultural Talent Search Scholarship Scheme (CTSS) 2025 - 26 অধীনত CCRT গুৱাহাটীত অনুষ্ঠিত হোৱা (লোক সংগীত ) বিহু বিষয়ৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ পৰবৰ্তী গৱেষণাৰ বাবে জলপানি পাবলৈ সক্ষম হৈছে। স্মৰ্তব্য যে গুৱাহাটীৰ মালিগাঁওস্থিত “বাদ্যালয়” বিহু প্ৰশিক্ষণ প্ৰতিষ্ঠানত বিহু গুৰু ৰণ্টু শইকীয়া (বৰবিহুৱা) আৰু গুৰুমাতা তৰঙ্গিনী ঠাকুৰীয়াৰ আদৰ যত্ন আৰু উপযুক্ত প্ৰশিক্ষণৰ বাবে তুষাৰ কলিতাই এই সফলতা লাভ কৰিবলৈ সক্ষম হৈছে বুলি জানিবলৈ দিছে। মালিগাঁৱৰ ছেইণ্ট বিবেকানন্দ ইংলিছ একাডেমীৰ নৱম শ্ৰেণীৰ ছাত্ৰ তুষাৰ কলিতাক টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱা, উপ সভাপতি তাপেশ্বৰ ৰাভা সম্পাদক শ্যামল কুমাৰ দাস, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া, টংলা প্ৰেছ ক্লাব, সদৌ অসম বিহু সুৰক্ষা সমিতিৰ দুলাল কুমাৰ বৰুৱা, নৱজিৎ দাস আদিয়ে আন্তৰিক অভিনন্দন জনাইছে।

# সত্ৰীয়া নৃত্যত চি চি আৰ টি বৃত্তি লাভ কমলাবাৰীৰ প্ৰতুষ্যা ভৰদ্বাজৰ

**অসম বাৰ্তা, উজনী মাজুলী, ২৭ এপ্ৰিল ঃ** মাজুলীৰ কমলাবাৰী সাধনা সাংস্কৃতিক কেন্দ্ৰৰ ছাত্ৰী প্ৰতুষ্যা ভৰদ্বাজে কেন্দ্ৰীয় চৰকাৰৰ চি চি আৰ টি বৃত্তি লাভ কৰিবলৈ সক্ষম হৈছে। সত্ৰীয়া নৃত্য বিষয়ত এই বৃত্তি লাভ কৰি প্ৰতুষ্যা ই মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিছে। সাধনা সাংস্কৃতিক কেন্দ্ৰৰ মাজুলীৰ অধীনত প্ৰশিক্ষক নৃত্য শিল্পী মুনুকণ ভূঞা বৰুৱাৰ তত্ত্বাৱধানত প্ৰশিক্ষণ লৈ থকা শিক্ষাৰ্থীসকলৰ মাজৰ পৰা এইবাৰ সফলতা অৰ্জন কৰাত সংগীত বিদ্যালয়খনৰ অধ্যক্ষা মিতালী গোস্বামী আৰু পৰিচালনা সমিতিৰ সদস্য সকলে অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে প্ৰতুষ্যা ভৰদ্বাজ কমলাবাৰী চিভিল কলনীৰ নিবাসী ধ্ৰুৱজ্যোতি শৰ্মা আৰু গীতাশ্ৰী শৰ্মাৰ কন্যা তথা আইলেণ্ড একাডেমীৰ কমলাবাৰীৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন